RNI No. ASSASS/2014/56974
Postal Registration No. GH-164/2021-2023
www.asombhumi.comত উপলব্ধ

অসম ভূমি

জাতীয় স্বার্থত দায়বদ্ধ

ভিতৰৰ পৃষ্ঠাত

ড্রাগছমুক্ত যুৱপ্রজন্মৰ...	পৃষ্ঠা ৪
বিশ্ব অর্থনীতিত অসমৰ...	পৃষ্ঠা ৫
জুবিন চর্চা	পৃষ্ঠা ৭
এক আধ্যাত্মিক...	পৃষ্ঠা ৮

■ Vol:14 ■ Issue: 9 ■ Guwahati ■ Wednesday ■ 30 September, 2026 ■ Rs. 5 ■ বছৰ- ১৪ ■ সংখ্যা- ৯ ■ গুৱাহাটী ■ বুধবাৰ ■ ১২ আহিন, ১৯৪৮ শক ■ মূল্য ঃ ৫ টকা

নতুন দিল্লীত কেন্দ্রীয় পথ পৰিবহণ মন্ত্রী নীতিন গাডকাৰীৰ মন্তব্য

শিলিগুৰি-গুৱাহাটীৰ মাজত হ'ব হাইস্পীড কৰিডৰ

ষ্টাফ ৰিপৰ্টাৰ ঃ শিলিগুৰি-গুৱাহাটী, গুৱাহাটী-শ্বিলং, শ্বিলঙৰ পৰা শিলচৰলৈ ৬১,৫০০ কোটি টকা ব্যয় সাপেক্ষে ৬৩০ কিলোমিটাৰ দৈর্ঘৰ পথ নির্মাণৰ বাবে কেন্দ্রীয় চৰকাৰে পদক্ষেপ গ্রহণ কৰিছে। ইয়াৰে ভিতৰত শিলিগুৰি-গুৱাহাটীৰ মাজত ৪০০ কিলোমিটাৰ দৈর্ঘৰ পথ ৩০,০০০ কোটি টকা ব্যয়ৰে হাইস্পীড কৰিডৰ পথ হিচাপে নির্মাণ কৰা হ'ব। নতুন দিল্লীত এক অনুষ্ঠানত অংশগ্রহণ কৰি এই কথা ঘোষণা কৰিছে কেন্দ্রীয় পথ পৰিবহণ মন্ত্রী নীতিন গাডকাৰীয়ে। যোৱা সোমবাৰে দা অশোক হোটেলত আয়োজন কৰা এক অনুষ্ঠানত ভাষণ দি কেন্দ্রীয় মন্ত্রীগৰাকীয়ে কয় যে এই উক্ত পথ নির্মাণ সম্পূর্ণ হ'লে গুৱাহাটীৰ পৰা শ্বিলঙলৈ দূৰত্ব ১০০ কিলোমিটাৰৰ পৰা ৬৬ কিলোমিটাৰলৈ হ্রাস পাব। এই দূৰত্ব অতিক্রম কৰিবলৈ সময় লাগিব মাত্র ৫০ মিনিট। আনহাতে, শ্বিলঙৰ পৰা শিলচৰলৈ ২৩,০০০ কোটি টকা ব্যয়ৰে ১৬৫ কিলোমিটাৰ দৈর্ঘৰ চাৰিশৰীয়া পথ নির্মাণ কৰা হ'ব। এই পথ নির্মাণ সম্পূর্ণ হ'লে শ্বিলঙৰ পৰা শিলচৰলৈ দূৰত্ব ১০৭ কিলোমিটাৰলৈ হ্রাস পাব আৰু ববাপানীৰ পৰা শিলচৰলৈ যাবলৈ সময় লাগিব পূর্বৰ ৮ ঘণ্টাৰ পৰিৱর্তে মাত্র ৩ ঘণ্টা। ■ ১১ পৃষ্ঠাত



ৰূপালী জয়ন্তী সোণালী জয়ন্তী শতবার্ষিকী...

■ ধ্রুৱজ্যোতি কলিতা

আজিকালি ৰূপালী জয়ন্তী, সোণালী জয়ন্তী, শতবার্ষিকী ইত্যাদি উপলক্ষে প্রায়েই বৰ ধুম-ধামকৈ দুই-তিনিদিনীয়া কার্যসূচী আয়োজন কৰা দেখা যায়। অজস্র লোকৰ নাম আৰু জনপ্রিয় গায়ক-গায়িকাৰ আলোকচিত্র থকা একোখন বহুৰঙী-বহুপৃষ্ঠাৰ নিমন্ত্রণী পত্রৰ লগতে চকুত চাটমাৰি ধৰা তোৰণ, বিশাল ৰভা তথা মঞ্চ আৰু জাক-জমকীয়া সাংস্কৃতিক সন্ধিয়া যেন এৰাব নোৱৰা কার্যসূচী। বহুতে আকৌ চাফ-চিকুণতা তথা চাফাইৰ নামত প্রথমে চৌহদত থকা থলুৱা জাতৰ বৃহৎ বৃহৎ পুৰণি গছকেইডাক কাটি আঁতৰায়। মুঠতে বহুলাখ টকা সংগ্রহ আৰু খৰচ কৰাটোৱেই যেন আটাইতকৈ ডাঙৰ সফলতা।

ভালকৈ চালে দেখিব যে এনেদৰে ৰূপালী জয়ন্তী, সোণালী জয়ন্তী পতা বহু অনুষ্ঠানৰেই শৌচাগাৰ-প্রসাৱগাৰত সোমাব নোৱাৰি, খোৱাপানীৰ সু-ব্যৱস্থা নাই, পুথিভঁড়াল নাই, ভাল এখন উদ্ভিদ উদ্যান নাই, পৰীক্ষাগাৰ নাই, এটা সাংস্কৃতিক সংগ্রহালয় নাই, খেলৰ ■ দুই পৃষ্ঠাত

বিটিআৰৰ পাঁচ জিলাৰ স্বাস্থ্য সেৱাৰ পর্যালোচনা মন্ত্রী সিংহলৰ

৫ অক্টোবৰত উদ্বোধন হ'ব বঙাইগাঁও চিকিৎসা মহাবিদ্যালয়



অসম ভূমি সেৱা, বঙাইগাঁও ঃ ৰাজ্যৰ স্বাস্থ্যসেৱা ব্যৱস্থাক অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে যোৱা সোমবাৰে কোকৰাঝাৰ আৰু বঙাইগাঁৱত স্বাস্থ্যখণ্ডৰ বিভিন্ন বিষয়ৰ পর্যালোচনা কৰে ৰাজ্যৰ স্বাস্থ্যমন্ত্রী অশোক সিংহলে। মন্ত্রীগৰাকীয়ে কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় পৰিদর্শনৰ লগতে বিটিআৰৰ পাঁচখন জিলাৰ স্বাস্থ্য সেৱাৰ অগ্রগতিৰ পর্যালোচনা কৰাৰ লগতে অহা ৫ অক্টোবৰত উদ্বোধন হ'বলগীয়া বঙাইগাঁও চিকিৎসা ■ দুই পৃষ্ঠাত

বিশ্ব পর্যটন দিৱসত মন্ত্রী অজন্তা নেওগ

'উমৰাংছু উত্তৰ-পূবৰ ছুইজাৰলেণ্ড'

অসম ভূমি সেৱা, উমৰাংছু ঃ অসম চৰকাৰৰ পর্যটন বিভাগৰ উদ্যোগত আৰু ডিমা হাচাও পর্যটনৰ সহযোগত যোৱা দেওবাৰে ডিমা হাচাও জিলাৰ নিউ টামবুং গল্ফ কোর্চত অনুষ্ঠিত বিশ্ব পর্যটন দিৱসৰ অনুষ্ঠানত পর্যটন মন্ত্রী অজন্তা নেওগে অংশগ্রহণ কৰে। অনুষ্ঠানত অংশগ্রহণ কৰি পর্যটন মন্ত্রীগৰাকীয়ে বিভাগটোৰ বাবে পাঁচ বছৰৰ এক কার্য আঁচনি প্রস্তুত কৰাৰ কথা ঘোষণা কৰে। আগন্তুক ■ ১১ পৃষ্ঠাত



নিয়মীয়া শাৰীৰিক ব্যায়াম, সুষম আহাৰ, পর্যাপ্ত বিশ্রামে হৃদযন্ত্রক সুস্থ কৰি ৰাখে ঃ সাগ্নিক সাহা

বিশ্ব হৃদয় দিৱসত নাৰায়ণা হাস্পতালৰ উদ্যোগত মাৰাথন



■ ৰঞ্জিতা দেৱী ঃ বিশ্ব হৃদয় দিৱস উপলক্ষে নাৰায়ণা হাস্পতাল, গুৱাহাটীৰ উদ্যোগত যোৱা মণ্ডলবাৰে ৫ কিলোমিটাৰ দৈর্ঘ্যৰ মাৰাথন দৌৰৰ আয়োজন কৰা হয়। হৃদযন্ত্রৰ স্বাস্থ্য, নিয়মীয়া শাৰীৰিক ব্যায়াম আৰু হৃদৰোগ সম্পর্কে সজাগতা বৃদ্ধিৰ লক্ষ্যৰে আয়োজিত এই দৌৰত সমাজৰ বিভিন্ন শ্রেণীৰ লোকে অংশগ্রহণ কৰে। মাৰাথন আমিনগাঁওস্থিত জিলা আয়ুক্তৰ কার্যালয়ৰ সমীপৰ পৰা আৰম্ভ হৈ ■ দুই পৃষ্ঠাত

সাংস্কৃতিক মহাসভা, অসম

ড° পীতাম্বৰ দেৱগোস্বামী, পখিলা লেকথেপীলৈ সন্মান



অসম ভূমি সেৱা, ডিফু ঃ বোকাখাত চহৰত ২০০৯ চনত জন্ম লাভ কৰা সাংস্কৃতিক মহাসভা, অসমে প্রতি দুবছৰৰ মূৰে মূৰে প্রদান কৰি অহা সুধাকণ্ঠ ড° ভূপেন হাজৰিকা সাংস্কৃতিক সমন্বয় বঁটা ২০২১-২৩ৰ বাবে প্রদান কৰা হ'ব অসমৰ সত্রীয়া সংস্কৃতিৰ একান্ত সাধক, শ্রীশ্রীআউ নীআটী সত্রৰ সত্রাধিকাৰ তথা শ্রীশ্রীআউনীআটী বিশ্ববিদ্যালয় আচার্য, সত্রীয়া সংস্কৃতিৰ গৱেষক পণ্ডিত ড° পীতাম্বৰ দেৱগোস্বামীক। আনহাতে ২০২৩-২৫ বর্ষৰ বাবে এই বঁটা প্রদান কৰা হ'ব বিশিষ্ট লোকশিল্পী, হাজাৰৰো বেছি গীতত কণ্ঠদান কৰা কার্বি আংলং জিলাৰ লোকশিল্পী, পদ্মশ্রী সন্মানেৰে বিভূষিত পখিলা লেকথেপীক। উক্ত বঁটাৰ লগত থাকিব পাটৰ চেলেং চাদৰ, ফুলাম গামোচা, গ্রন্থৰ টোপোলা, ফুলাম জাপি, স্মাৰক, শৰাই আদিৰ লগতে নগদ ২৫ হাজাৰকৈ টকা। উক্ত বঁটা প্রদান অনুষ্ঠানলৈ মুখ্য অতিথিৰূপে আমন্ত্রণ জনোৱা হ'ব অসমৰ মুখ্যমন্ত্রী ■ ১১ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

ৰূপালী জয়ন্তী সোণালী জয়ন্তী

সামগ্ৰী নাই, সংগীতৰ শিক্ষক নাই, এটা সভাঘৰ নাই, ডাষ্টবিন নাই, পচন সাৰৰ প্ৰকল্প নাই, আনকি চৌহদৰ মজবুত বেৰো নাই। শ্ৰেণীকোঠাত মকৰা জাল, চৌহদৰ ভিতৰত ফটা-কাগজ, বিস্কুট-চিপছৰ পেকেট। আমাক চৰকাৰে বিদ্যালয় বা মহাবিদ্যালয় এখন স্থাপনৰ বাবে আৰ্থিক সাহায্য দিব পাৰে, শিক্ষক-কৰ্মচাৰীক দৰমহা দিব পাৰে। কিন্তু শিক্ষানুষ্ঠানখন ৰাজহুৱা সম্পদ। চৰকাৰে দিয়া সম্পদখিনিক কেনেকৈ আমি অধিক উন্নততৰ কৰিব পাৰো, সেইবোৰো স্থানীয় ৰাইজে শিক্ষানুষ্ঠানখনৰ শিক্ষক-কৰ্মচাৰীৰ সৈতে একগোট হৈ চিন্তা-চৰ্চা আৰু চেষ্টা কৰা উচিত। দুৰ্ভাগ্যবশতঃ আমাৰ বহুতো তথাকথিক সমাজসেৱকে অনুষ্ঠানখনলৈ অহা নিৰ্মাণ সম্পৰ্কীয় ধনৰ লেনদেন থকা দিশবোৰত যিমান সক্ৰিয়ভাৱে জড়িত হোৱাৰ বাবে উচপিচ লগাও, আন দিশবোৰত কিন্তু সিমানেই আওকণীয়া হওঁ। আমি আমাৰ শিক্ষানুষ্ঠানবোৰৰ উৎকৰ্ষ সাধনৰ বাবে কিছুমান কথা নকৈ চিন্তা-চৰ্চা কৰাটো জৰুৰী হৈ উঠিছে। অৱশ্যে সকলো কথা একেদিনাই কৰাটো অসম্ভৱ।

ৰূপালী জয়ন্তী, সোণালী জয়ন্তী, শতবাৰ্ষিকী আদিৰ দৰে উপলক্ষ্যবোৰে আমাক বহল ভিত্তিত একগোট হোৱাৰ এক সুবিধা দিয়ে। সেয়েহে, আমিনো কি কৰি আছো বা আমি শিক্ষানুষ্ঠান এখনৰ প্ৰতি থকা শ্ৰদ্ধাৰ চিনস্বৰূপে অনুষ্ঠানখনৰ নাম আৰু ভৱিষ্যৎ উজ্জ্বল কৰাৰ বাবে কি কৰিব পাৰো, সেই বিষয়ে কিছু পৰ্যালোচনা আৰু চেষ্টা কৰিব পাৰো। আমি সাধাৰণ ৰাইজ বা প্ৰাক্তন শিক্ষাৰ্থীসকলে একত্ৰিত হোৱাৰ সুযোগ থকা এই উপলক্ষ্যবোৰত কিছুমান পদক্ষেপ গ্ৰহণ কৰিলে সমাজখনৰ আন অনুষ্ঠান বা সামাজিক গোটবোৰৰ মাজতো তাৰ যোগাত্মক প্ৰভাৱ নিশ্চয় পৰিব। তেনে এক ধাৰণাৰেই আমি তলৰ কথাখিনি প্ৰকাশ কৰিলো।

পৰি�ৱেশ নিকা কৰি ৰখাৰ স্বাৰ্থত মঞ্চ, তোৰণ, প্ৰদৰ্শনী আদিত মৰাপাট, নাৰিকল, সূতা বা কাপোৰৰ ৰচী ব্যৱহাৰ কৰা। তোৰণবোৰ বাঁহ, খেৰ, পাটিদৈ, গছৰ পাত, নাৰিকলৰ ৰচী, কাপোৰ আদিৰে সজোৱা। বেনাৰবোৰ ফ্লেক্সৰ সলনি কাপোৰ, মৰাপাট, বাঁহৰ ঢাৰি আদিৰে প্ৰস্তুত কৰা। পলিথিনৰ ঠোঙাৰ সলনি কাগজ, মৰাপাট, কাপোৰ আদিৰ ঠোঙা বা মোনা ব্যৱহাৰ কৰা। খাদ্য থোৱা আৰু পৰিৱেশনৰ বাবে প্লাষ্টিকৰ বাচন-বৰ্তন এৰাই চলা। খাদ্যৰ ক্ষেত্ৰত কেৱল স্থানীয় লোকে প্ৰস্তুত কৰা থলুৱা খাদ্য সম্ভাৱহে পৰিৱেশন কৰা। উৎসৱ ক্ষেত্ৰৰ ভিতৰত কেৱল থলুৱা খাদ্য সম্ভাৱৰ বিপনীকহে অনুমতি দিয়া। সকলো খাদ্যৰ বিপনীৰ বাবে সন্মুখত আৱৰ্জনা থোৱা বাকচ ৰখা, খাদ্য সামগ্ৰী ঢাকি ৰখাটো বাধ্যতামূলক কৰা, খালী হাতেৰে ৰন্ধা খাদ্য দিয়াটো নিষিদ্ধ কৰা। দিনে-নিশাই যাতে চৌপাশৰ পৰিয়ালবোৰৰ লগতে চৰাই, পতংগ আদিৰ শান্তি ভংগ নহয়, তাৰবাবে উচ্চস্বৰৰ মাইক/চাউণ্ড বক্সৰ সলনি কম শব্দৰ চাউণ্ড বক্স ব্যৱহাৰ কৰা। প্ৰদৰ্শনীত স্থানীয় লোকে ব্যৱহাৰ কৰা বিভিন্ন ধৰণৰ পৰম্পৰাগত ঘৰুৱা সামগ্ৰী, কৃষি সঁজুলি, বয়ন সঁজুলি, সাংস্কৃতিক সঁজুলি, বস্ত্ৰ, আদি প্ৰদৰ্শনী পতা। এলেকাটোত উৎপাদিত বিভিন্ন ধৰণৰ কৃষিজাত দ্ৰব্য, থলুৱাভাৱে উৎপাদিত উদ্ভিদজাত সামগ্ৰীৰে প্ৰস্তুত কৰা বিভিন্ন ধৰণৰ খাদ্য, অলংকাৰ, পৰম্পৰাগত ঔষধি দ্ৰব্য আদিৰ প্ৰদৰ্শনী এখনো পাতিব পাৰি। এলেকাটোৰ বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়, মহিলা গোট, সামাজিক অনুষ্ঠানে নিজা নিজাকৈ প্ৰস্তুত কৰা প্ৰাচীৰ পত্ৰিকা প্ৰদৰ্শন। ছাত্ৰ-ছাত্ৰীসকলে অংকন কৰা চিত্ৰ বা আন আন শিল্প কৰ্মৰ প্ৰদৰ্শনী পাতিব পাৰি। চৌদিশে আৱৰ্জনা পেলোৱা খৰাহি স্থাপন কৰাৰ লগতে আৱৰ্জনা যেনি-তেনি নেপেলাবলৈ অনুৰোধ জনাই লিখা ফলত আঁৰি দিয়া। ভোজনালয়ত হাতধোৱা পানীৰ লগতে চাবোন সাঁজু কৰি ৰখা। বিলনীয়াসকলে মাস্ক পৰিধান কৰা, খাদ্য সামগ্ৰীবোৰ ঢাকি ৰখাৰ ব্যৱস্থা কৰা, পানীলোৱাৰ কাৰণে কাগজৰ গিলাচ দিয়া, স্বাস্থ্যকৰ শৌচাগাৰ আৰু প্ৰসাৱগাৰ নিৰ্মাণৰ লগতে পানীৰ লগতে চাবোনৰ ব্যৱস্থা কৰা। কৃষি কৰ্ম আৰু আন দিশেৰে স্বনিৰ্ভৰশীল হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ উৎপাদিত সামগ্ৰীৰ প্ৰদৰ্শনী পাতিব পাৰি। বিদ্যালয়ৰ পৰীক্ষাগাৰৰ সা-সৰঞ্জামবোৰ (যদি আছে) ৰাজহুৱাকৈ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা, শিক্ষক-শিক্ষাৰ্থীৰ প্ৰকাশিত পুথি আদি প্ৰদৰ্শন কৰা, উদ্ভিদ উদ্যান, পুথিভঁড়াল আদি গঢ়ি তোলা। যদি পূৰ্বৰে পৰাই আছে, সেইবোৰ অধিক সুদৃঢ় আৰু সুদৃশ্যকৈ গঢ়ি তোলা, আদি। মুঠতে শিক্ষানুষ্ঠানৰ জয়ন্তীবোৰৰ নামত বৃহৎ বাজেটেৰে, জাকজমকীয়া উৎসৱ পতাৰ সলনি সামাজিক সংস্কাৰ আৰু শৈক্ষিক উৎকৰ্ষৰ অনুশীলনৰ উৎসৱ হিচাপে পালনৰ চেষ্টা কৰা উচিত, যাতে পৰৱৰ্তী দিনবোৰত সংস্কাৰমুখী কামৰ ক্ষেত্ৰত এলেকাটোৰ এটা ধ্বজাবাহী সম্পদ কেন্দ্ৰ হিচাপে চিনাকি দি থাকিব পাৰে।

৫ অক্টোবৰত উদ্বোধন হ'ব বঙাইগাঁও চিকিৎসা

মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ প্ৰস্তুতিৰো বুজ লয়। কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় পৰিদৰ্শন কৰি চিকিৎসালয়খনৰ বিভিন্ন বিভাগৰ কাৰ্যকলাপ, ৰোগীসকলৰ বাবে উপলব্ধ সা-সুবিধা, চিকিৎসা সেৱাৰ মান আৰু আন্তঃগাঁথনিৰ বিভিন্ন দিশ পৰ্যালোচনা কৰে মন্ত্ৰীগৰাকীয়ে। পৰিদৰ্শনকালত চিকিৎসা সেৱা অধিক উন্নত কৰাৰ লগতে ৰোগীসকলক গুণগত আৰু অধিক সহজলভ্য স্বাস্থ্যসেৱা প্ৰদানৰ ক্ষেত্ৰত থকা বিভিন্ন বিষয়ৰ তেওঁ বুজ লয়। কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, চিকিৎসক আৰু মুৰব্বী অধ্যাপকসকলৰ সৈতেও তেওঁ মত বিনিময় কৰা হয়। এই মত বিনিময়ত চিকিৎসা শিক্ষাৰ মান অধিক উন্নত কৰা, শৈক্ষিক পৰিৱেশ শক্তিশালী কৰা আৰু চিকিৎসা মহাবিদ্যালয়খনত উন্নত শৈক্ষিক তথা চিকিৎসা পৰিৱেশ গঢ়ি তোলাৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰা হয়। ইয়াৰ পিছতে কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ বিভিন্ন বিষয় সন্দৰ্ভত এক গুৰুত্বপূৰ্ণ পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত চিকিৎসালয়খনৰ বিভিন্ন বিভাগৰ কাৰ্যকলাপ, চিকিৎসা সেৱাৰ মান, আন্তঃগাঁথনি, ৰোগীসকলৰ সুবিধা, মানৰ সম্পদ আৰু চিকিৎসা শিক্ষাৰ সৈতে জড়িত বিভিন্ন বিষয় বিস্তৃতভাৱে পৰ্যালোচনা কৰা হয়। চিকিৎসা সেৱাৰ মান অধিক উন্নত কৰা, ৰোগীসকলৰ বাবে প্ৰয়োজনীয় সুবিধা বৃদ্ধি কৰা আৰু চিকিৎসা মহাবিদ্যালয়খনত এক উন্নত শৈক্ষিক তথা চিকিৎসা পৰিৱেশ গঢ়ি তোলাৰ বাবে গ্ৰহণ কৰিবলগীয়া বিভিন্ন পদক্ষেপ সন্দৰ্ভতো আলোচনা কৰা হয়। ইফালে, বড়োলেণ্ড প্ৰাদেশিক পৰিষদৰ প্ৰেক্ষাগৃহত কোকৰাঝাৰ, চিৰাং, বাক্সা, তামুলপুৰ আৰু ওদালগুৰি জিলাৰ স্বাস্থ্যখণ্ডৰ বিভিন্ন স্বাস্থ্য সূচক আৰু স্বাস্থ্য সেৱাৰ অগ্ৰগতি সন্দৰ্ভত এক গুৰুত্বপূৰ্ণ পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত পাঁচখন জিলাৰ স্বাস্থ্য সেৱাৰ সামগ্ৰিক পৰিস্থিতিৰ লগতে মাতৃ আৰু শিশু স্বাস্থ্য, প্ৰাতিষ্ঠানিক প্ৰসৱ, টিকাকৰণ, চিকিৎসা সেৱাৰ মান, স্বাস্থ্য প্ৰতিষ্ঠানসমূহৰ আন্তঃগাঁথনি, মানৱ সম্পদ, ঔষধ-পাতি আৰু অন্যান্য প্ৰয়োজনীয় সামগ্ৰীৰ উপলব্ধতাকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ বিষয় পৰ্যালোচনা কৰা হয়। স্বাস্থ্য সেৱা প্ৰদানৰ ক্ষেত্ৰত থকা বিভিন্ন সমস্যা আৰু প্ৰত্যাহ্বানসমূহ চিনাক্ত কৰি সেইসমূহৰ সময়মতে সমাধানৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ ওপৰতো বৈঠকত গুৰুত্ব আৰোপ কৰা হয়। বিশেষকৈ ৰাইজৰ বাবে স্বাস্থ্যসেৱা অধিক সহজলভ্য আৰু গুণগত কৰি তোলা, স্বাস্থ্য প্ৰতিষ্ঠানসমূহৰ আন্তঃগাঁথনি শক্তিশালী কৰা আৰু উপলব্ধ সম্পদৰ সঠিক ব্যৱহাৰৰ ওপৰত গুৰুত্ব দিয়া হয়। আনহাতে, অহা ৫ অক্টোবৰত উদ্বোধন হ'বলগীয়া বঙাইগাঁও চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় পৰিদৰ্শন কৰি উদ্বোধনী অনুষ্ঠান আৰু চিকিৎসা সেৱা আৰম্ভ কৰাৰ বাবে চলি থকা প্ৰস্তুতিৰ বুজ লয় স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে। পৰিদৰ্শনকালত চিকিৎসা মহাবিদ্যালয়খনৰ বিভিন্ন ভৱন, চিকিৎসা সেৱাৰ আন্তঃগাঁথনি, নিৰ্মাণকাৰ্যৰ অগ্ৰগতি আৰু উদ্বোধনী অনুষ্ঠানৰ সৈতে জড়িত বিভিন্ন প্ৰস্তুতিৰ কাম-কাজ পৰ্যালোচনা কৰা হয়। পৰিদৰ্শনৰ পিছতে সংশ্লিষ্ট বিষয়াসকলৰ সৈতে অনুষ্ঠিত এক গুৰুত্বপূৰ্ণ পৰ্যালোচনা সভাত উদ্বোধনী অনুষ্ঠানৰ প্ৰস্তুতি, নিৰ্মাণকাৰ্যৰ অগ্ৰগতি, চিকিৎসা সেৱা আৰম্ভ কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা আৰু অন্যান্য আনুষংগিক বিষয়ৰ ওপৰত বিস্তৃতভাৱে আলোচনা কৰা হয়। উদ্বোধনৰ পূৰ্বে বাকী থকা কাম-কাজসমূহ সময়মতে সম্পূৰ্ণ কৰাৰ লগতে চিকিৎসা সেৱা আৰম্ভ কৰাৰ ক্ষেত্ৰত প্ৰয়োজনীয় সকলো ব্যৱস্থা নিশ্চিত কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশনা প্ৰদান কৰা হয়। কোকৰাঝাৰত অনুষ্ঠিত পৰ্যালোচনা বৈঠকত বিটিচিৰ মুৰব্বী হাগ্ৰামা মহিলাৰী, বাওখুংগ্ৰী বিধানসভা সমষ্টিৰ বিধায়ক ৰূপম ৰয়, বিটিচি স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্য দেৱহাচাত বসুমতাৰী, বড়োলেণ্ড প্ৰাদেশিক পৰিষদৰ প্ৰধান সচিব মুকেশ চাহু, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ আয়ুক্ত সচিব ডাঃ পি. অশোক বাবু, কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ অধ্যক্ষ ডাঃ অতুল বড়ো, বিটিচিৰ স্বাস্থ্য বিভাগৰ সঞ্চালক ডাঃ নিলো ব্ৰহ্মকে ধৰি কেইবাগৰাকীও বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। বঙাইগাঁৱত অনুষ্ঠিত পৰ্যালোচনা সভাত বঙাইগাঁও জিলা আয়ুক্ত সত্যৰঞ্জন চহৰীয়া, জ্যেষ্ঠ জিলা আৰক্ষী অধীক্ষক নোমল মাহাতো, বঙাইগাঁও চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ অধ্যক্ষ ডাঃ হাৰমেন ফেৰংককে ধৰি সংশ্লিষ্ট বিভাগসমূহৰ বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

বিশ্ব হৃদয় দিৱসত নাৰায়ণা হাস্পতালৰ উদ্যোগত

নাৰায়ণা হাস্পতাল, আমিনগাঁৱত সামৰণি পৰে। অনুষ্ঠানত নাৰায়ণা হাস্পতাল, গুৱাহাটীৰ কৰ্মচাৰীসকলৰ লগতে ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু সীমান্ত সুৰক্ষা বাহিনীৰ জোৱানসহ ২৮০ৰো অধিক লোকে অংশগ্ৰহণ কৰে। এই দৌৰৰ মূল উদ্দেশ্য আছিল মানুহক দৈনন্দিন জীৱনত নিয়মীয়া শাৰীৰিক কাৰ্যকলাপ অন্তৰ্ভুক্ত কৰিবলৈ উৎসাহিত কৰা আৰু হৃদযন্ত্ৰৰ সুস্বাস্থ্য বজাই ৰখাৰ বাবে স্বাস্থ্যকৰ জীৱনশৈলী গ্ৰহণৰ প্ৰতি সজাগতা সৃষ্টি কৰা। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ অজিত কুমাৰ দাস আৰু আল্ট্ৰামাৰাথনাৰ তথা ট্ৰেইল ৰানাৰ জুনালি পাটিৰ দলে। গুৱাহাটীৰ বাসিন্দা জুনালি পাটিৰ দলে ২০১৬ চনত দৌৰাৰ যাত্ৰা আৰম্ভ কৰিছিল। এক আবেগ হিচাপে আৰম্ভ হোৱা এই যাত্ৰাই পৰৱৰ্তী সময়ত সহনশীলতা, অনুশাসন, দৃঢ়তা আৰু আত্ম-অন্বেষণৰ এক অনন্য যাত্ৰাৰ ৰূপ লয়। তেওঁৰ বাবে দৌৰা কেৱল এটা ক্ৰীড়া নহয়-ই এক প্ৰকাৰৰ থেৰাপী, মানসিক চাপ হ্ৰাস কৰাৰ এক মাধ্যম আৰু আনন্দৰ উৎস। বিগত বছৰসমূহত তেওঁ বিভিন্ন কঠিন আল্ট্ৰা আৰু ট্ৰেইল ৰানিং প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি উত্তৰ-পূৰ্বাঞ্চলৰ এগৰাকী অনুপ্ৰেৰণাদায়ক মহিলা আল্ট্ৰা আৰু ট্ৰেইল ৰানাৰ হিচাপে নিজকে প্ৰতিষ্ঠা কৰিছে। তেওঁ এগৰাকী প্ৰমাণিত যোগ শিক্ষকো। 'ৰেড এফএম'ৰ পল্লৱীয়ে অনুষ্ঠানটো পৰিচালনা কৰে, যিয়ে অনুষ্ঠানটোত উৎসাহ আৰু উদ্দীপনাৰ পৰিৱেশ সৃষ্টি কৰে। অনুষ্ঠানত ভাষণ দি নাৰায়ণা হাস্পতাল, গুৱাহাটীৰ কাৰ্যবাহী সাগ্নিক সাহাই কয়, 'হৃদযন্ত্ৰৰ সুস্বাস্থ্য আমি প্ৰতিদিনে গ্ৰহণ কৰা জীৱনশৈলী আৰু সিদ্ধান্তৰ পৰাই আৰম্ভ হয়। নিয়মীয়া শাৰীৰিক ব্যায়াম, সুষম আহাৰ, পৰ্যাপ্ত বিশ্ৰাম, মানসিক চাপ নিয়ন্ত্ৰণ আৰু সময়মতে স্বাস্থ্য পৰীক্ষাই হৃদযন্ত্ৰৰ স্বাস্থ্য বজাই ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। এই মাৰাথনৰ জৰিয়তে আমি প্ৰতিৰোধমূলক স্বাস্থ্যৰ বাৰ্তাটো হাস্পতালৰ পৰিসৰৰ বাহিৰলৈ লৈ যাব বিচাৰিছো আৰু সমাজৰ সকলো শ্ৰেণীৰ লোকক হৃদযন্ত্ৰৰ বাবে স্বাস্থ্যকৰ অভ্যাস দৈনন্দিন জীৱনৰ অংশ হিচাপে গ্ৰহণ কৰিবলৈ উৎসাহিত কৰিব বিচাৰিছো।' অনুষ্ঠানত ভাষণ দি নাৰায়ণা হাস্পতাল, গুৱাহাটীৰ কনছালটেণ্ট, ইণ্টাৰভেনচনেল কার্ডিঅ'লজী, ডাঃ ৰণদীপ কুমাৰ নাথ শিৰমে কয়, 'হৃদযন্ত্ৰৰ স্বাস্থ্য কেৱল হৃদৰোগৰ চিকিৎসাৰ সৈতে জড়িত নহয়; হৃদৰোগ প্ৰতিৰোধ কৰাটোও সমানেই গুৰুত্বপূৰ্ণ। নিয়মীয়া শাৰীৰিক ব্যায়াম, স্বাস্থ্যকৰ ওজন বজাই ৰখা, সুষম আহাৰ গ্ৰহণ, মানসিক চাপ নিয়ন্ত্ৰণ, ধপাতজাতীয় সামগ্ৰী পৰিহাৰ কৰা আৰু সময়মতে স্বাস্থ্য পৰীক্ষা কৰোৱাই হৃদযন্ত্ৰৰ সুস্বাস্থ্যত যথেষ্ট অৰিহণা যোগাব পাৰে। এনে মাৰাথনৰ দৰে অনুষ্ঠানসমূহে হৃদযন্ত্ৰৰ স্বাস্থ্য সম্পৰ্কে সজাগতা সৃষ্টি কৰাৰ লগতে মানুহক শাৰীৰিক ব্যায়ামক দৈনন্দিন জীৱনৰ এক নিয়মীয়া অংশ হিচাপে গ্ৰহণ কৰিবলৈ উৎসাহিত কৰাৰ এক উৎকৃষ্ট মাধ্যম। বিশ্ব হৃদয় দিৱসৰ এই বিশেষ দিনটোত মই সকলোকে নিজৰ হৃদযন্ত্ৰৰ সুৰক্ষাৰ বাবে সক্ৰিয় পদক্ষেপ গ্ৰহণ কৰাৰ লগতে নিজৰ পৰিয়াল আৰু সমাজৰ লোকসকলকো হৃদযন্ত্ৰৰ সুস্বাস্থ্যৰ প্ৰতি সচেতন হ'বলৈ উৎসাহিত কৰিবলৈ আহ্বান জনাইছো।' মাৰাথনত উৎকৃষ্ট প্ৰদৰ্শনৰ বাবে মুঠ ১০ গৰাকী অংশগ্ৰহণকাৰীক স্বীকৃতি প্ৰদান কৰা হয়। অনুষ্ঠানৰ সামৰণিত এই বার্তা প্ৰদান কৰা হয় যে সুস্থ হৃদযন্ত্ৰ বজাই ৰখাটো এক নিৰন্তৰ প্ৰচেষ্টা আৰু জীৱনশৈলীত সৰু সৰু কিন্তু নিয়মীয়া পৰিৱৰ্তনে হৃদৰোগৰ আশংকা হ্ৰাস কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। এনে সমাজমুখী পদক্ষেপৰ জৰিয়তে নাৰায়ণা হাস্পতাল গুৱাহাটীয়ে প্ৰতিৰোধমূলক স্বাস্থ্যসেৱাৰ প্ৰচাৰ আৰু হৃদযন্ত্ৰৰ স্বাস্থ্য সম্পৰ্কে সমাজত অধিক সজাগতা সৃষ্টিৰ বাবে নিজৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

শোণিতপুৰত বিশিষ্ট ব্যক্তিৰে মত বিনিময় অভিভাৱক মন্ত্রী বিশ্বজিৎ দৈমাৰীৰ

দ্রুত বিকাশৰ বাবে সমন্বিত প্রচেষ্টাৰ ওপৰত গুৰুত্ব



অসম ভূমি সেৱা, তেজপুৰ ঃ শোণিতপুৰ জিলাৰ অভিভাৱক মন্ত্রী তথা অসম চৰকাৰৰ হস্ততাঁত, বস্ত্র আৰু ৰেচম শিল্প, ক্রীড়া আৰু যুৱ কল্যাণ আদি বিভাগৰ মন্ত্রী বিশ্বজিৎ দৈমাৰীয়ে যোৱা দেওবাৰে তেজপুৰৰ জিলা কনভেনচন চেণ্টাৰত তেজপুৰৰ বিশিষ্ট নাগৰিকসকলৰ সৈতে এক মত বিনিময় অনুষ্ঠানত অংশগ্রহণ কৰে। এই অনুষ্ঠানত শোণিতপুৰ জিলাৰ দ্রুত উন্নয়নৰ বাবে বিভিন্ন উন্নয়নমূলক বিষয়, চলি থকা আঁচনি আৰু ভৱিষ্যৎ পৰিকল্পনা সম্পর্কে বিশদভাৱে আলোচনা কৰা হয়। এই মত বিনিময় অনুষ্ঠানত অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী অশোক সিংহল, শোণিতপুৰৰ সাংসদ ৰঞ্জিত দত্ত আৰু তেজপুৰ সমষ্টিৰ বিধায়ক পৃথ্বীৰাজ ৰাভা উপস্থিত থাকে। ইয়াৰ উপৰি শোণিতপুৰৰ জিলা আয়ুক্ত আনন্দ কুমাৰ দাস, শোণিতপুৰ জিলা পৰিষদৰ সভানেত্রী মনীষা উপাধ্যায়, তেজপুৰ পৌৰসভাৰ সভাপতি ৰমেন তামুলী আৰু অন্যান্য বিশিষ্ট ব্যক্তি তথা বিশিষ্ট নাগৰিকসকলেও এই আলোচনাত অংশগ্রহণ কৰে। উপস্থিত ৰাইজক উদ্দেশ্যি ভাষণ প্রদান কৰি মন্ত্রীগৰাকীয়ে উল্লেখ কৰে যে উন্নয়ন হৈছে এক ধাৰাবাহিক আৰু সামূহিক প্রক্রিয়া, যাৰ বাবে চৰকাৰ, জনপ্রতিনিধি, জিলা প্রশাসন আৰু নাগৰিকসকলৰ মাজত সুদৃঢ় সমন্বয়ৰ প্রয়োজন। চলি থকা উন্নয়নমূলক কার্যসূচীসমূহৰ অভাৱ-অভিযোগসমূহ চিনাক্ত কৰি ৰাইজৰ মৌলিক প্রয়োজনসমূহ পূৰণৰ বাবে ব্যৱহাৰিক আৰু সমন্বিত পৰিকল্পনা যুগুত কৰাৰ প্রয়োজনীয়তা সন্দর্ভত তেওঁ গুৰুত্ব আৰোপ কৰে। মন্ত্রীগৰাকীয়ে বিশিষ্ট নাগৰিকসকলৰ পৰামর্শ আৰু মতামতক আদৰণি জনাই কয় যে তৃণমূল পর্যায়ৰ প্রয়োজনীয়তা বুজিবলৈ আৰু উন্নয়নমূলক পদক্ষেপসমূহ ৰাইজৰ প্রয়োজন অনুসৰি পৰিচালনা কৰিবলৈ এনে মত বিনিময় কার্যসূচী অত্যন্ত গুৰুত্বপূর্ণ। উন্নয়নমূলক প্রকল্পসমূহ সময়মতে আৰু ফলপ্রসুভাৱে ৰূপায়ণৰ বাবে বিভিন্ন বিভাগ আৰু সংস্থাৰ মাজত অধিক সমন্বয় ৰক্ষাৰ বাবেও তেওঁ আহ্বান জনায়। আলোচনাকালত তেজপুৰ তথা শোণিতপুৰ জিলাৰ কেইবাটাও গুৰুত্বপূর্ণ উন্নয়নমূলক বিষয় আলোচনা কৰা হয়। ইয়াৰ ভিতৰত আছিল- কনকলতা অসামৰিক চিকিৎসালয়ৰ প্রস্তাৱিত সংস্কাৰ আৰু উন্নীতকৰণ, সংহত জিলা আয়ুক্ত কার্যালয় চৌহদৰ নির্মাণ, তেজপুৰ কেন্দ্রীয় কাৰাগাৰ স্থানান্তৰকৰণ আৰু ঐতিহাসিক গড়, দৌল ক্ষেত্রৰ সংৰক্ষণ তথা পুনৰুদ্ধাৰ আদি। ইয়াৰ উপৰি সভাখনত আধুনিক পৌৰ আৰু ক্রীড়া আন্তঃগাঁথনিৰ লগতে বাট-পথ, ৰাজহুৱা গৃহ আৰু অন্যান্য উন্নয়নমূলক প্রয়োজনীয়তা সম্পর্কীয় আন্তঃগাঁথনি প্রকল্পৰ বিষয়েও আলোচনা কৰা হয়। মন্ত্রীগৰাকীয়ে স্থানীয় অগ্রাধিকাৰসমূহ সঠিকভাৱে বুজ লৈ সমন্বিত প্রচেষ্টাৰে উন্নয়নমূলক পদক্ষেপসমূহ আগবঢ়াই নিয়াৰ গুৰুত্ব পুনৰ দোহাৰে। তেওঁ কয় যে শোণিতপুৰ জিলাৰ সুষম আৰু দ্রুত উন্নয়ন নিশ্চিত কৰিবলৈ সকলো অংশীদাৰৰ মাজত নিৰৱচ্ছিন্ন সমন্বয় অপৰিহার্য।

বজালীৰ ৮৯ নং জালিখাটা প্রাথমিক বিদ্যালয়ৰ শতবর্ষ উদ্‌যাপনৰ প্রস্তুতি

অসম ভূমি সেৱা, নাথকুছি ঃ টিহুৰ নিকটৱর্তী বজালী জিলাৰ ৮৯ নং জালিখাটা প্রাথমিক বিদ্যালয়ৰ শতবর্ষ উদ্‌যাপনৰ পূর্ণ প্রস্তুতি চলোৱা হৈছে। বিদ্যালয়খনৰ ১০০ বছৰ পূর্ণ হোৱা উপলক্ষে অহা ১৪ আৰু ১৫ নৱেম্বৰত দুদিনীয়া বর্ণাঢ্য কার্যসূচীৰে শতবর্ষ উদ্‌যাপন অনুষ্ঠিত কৰা হ'ব। এই উপলক্ষে ইতিমধ্যেই বিদ্যালয় প্রাংগণত অনুষ্ঠিত এক ৰাজহুৱা সাধাৰণ সভাই অৱসৰপ্রাপ্ত শিক্ষক, প্রাক্তন ছাত্র ধনীৰাম ৰয়ক সভাপতি, ক্রমে ভৱেন্দ্র নাথ ৰয়, ৰজত চন্দ্র ৰয়ক কার্যকৰী সভাপতি আৰু বিদ্যালয়খনৰ প্রাক্তন ছাত্র চক্রধৰ ঠাকুৰীয়াক সম্পাদক প্রধান হিচাপে লৈ এখন ৫৮ জনীয়া শতবর্ষ উদ্‌যাপন সমিতি গঠন কৰি দিছে। শতবর্ষগৰকা বিদ্যালয়খনৰ শতবর্ষীয় অনুষ্ঠান অতি সুচাৰুৰূপে চলোৱার্থে স্মৃতিগ্রন্থ, মঞ্চ আৰু তোৰণ, খাদ্য আৰু প্রচাৰ-যোগাযোগকে ধৰি কেইবাখনো উপ-সমিতি গঠন কৰি লোৱা হৈছে বুলিও উদ্‌যাপন সমিতিৰ সভাপতি ধনীৰাম ৰয় আৰু সম্পাদক প্রধান চক্রধৰ ঠাকুৰীয়াই জনাইছে।

হাঠিনাপুৰ শাখা সাহিত্য সভাৰ প্রতিষ্ঠা দিৱস

অসম ভূমি সেৱা, পাঠশালা ঃ অসম সাহিত্য সভাৰ অন্যতম শাখা হাঠিনাপুৰ শাখা সাহিত্য সভাৰ প্রতিষ্ঠা দিৱস যোৱা ২৬ ছেপ্টেম্বৰত পালন কৰা হয়। দিনজোৰা কার্যসূচীৰে সাহিত্য সভা ভৱন প্রাংগণত অনুষ্ঠিত দিৱসৰ পুৱা হাঠিনাপুৰ শাখাৰ সভাপতি গোপেশ্বৰ পাটগিৰিয়ে অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰি অনুষ্ঠানৰ আৰম্ভ কৰে। পতাকা উত্তোলনৰ পাছতে সাহিত্য সভা ভৱনৰ ভূমিদাতা তথা অৱসৰী শিক্ষয়িত্রী কমলা তালুকদাৰে অসম সাহিত্য সভাৰ প্রয়াত সভাপতি, সম্পাদক আৰু হাঠিনাপুৰ শাখাৰ প্রয়াত সদস্যসকলৰ স্মৃতিত স্মৃতি তর্পণ কৰে। পতাকা উত্তোলনৰ পাছতে শাখাৰ প্রতিষ্ঠাপক সভাপতি সোমনাথ পাটগিৰিৰ সঞ্চালনাত অনুষ্ঠিত 'সাহিত্য সমাজৰ দাপোণ' শীর্ষক আলোচনাচক্রত অৱসৰপ্রাপ্ত শিক্ষয়িত্রী কমলা তালুকদাৰ, হাঠিনাপুৰ বিদ্যামন্দিৰ হাইস্কুলৰ শিক্ষক কল্পজিৎ তালুকদাৰ, শাখাৰ প্রাক্তন সম্পাদক সঞ্জয় কাকতি, কবি-সাহিত্যিক হিৰণ্য তালুকদাৰ, যুৱ কবি পৰাগ কলিতা আদিয়ে বক্তব্য আগবঢ়াই কয় যে বর্তমানৰ ডিজিটেল যুগতো কিতাপৰ গোন্ধ, ভাষাৰ চর্চা জীয়াই ৰখাটোৱেই সাহিত্য সভাৰ মূল লক্ষ্য হ'ব লাগে। নৱপ্রজন্মক সাহিত্যৰ প্রতি আকর্ষিত কৰিবলৈ অধিক কার্যসূচী লোৱাৰ প্রয়োজনীয়তাৰ ওপৰত সকলোৱে গুৰুত্ব আৰোপ কৰে। সঞ্চালকৰ আসনৰ পৰা সোমনাথ পাটগিৰিয়ে কয়— 'সাহিত্য সভা কেৱল এখন মঞ্চ নহয়, ই জাতিৰ আত্মা। হাঠিনাপুৰৰ দৰে গ্রাম্য অঞ্চলত স্বর্ণ শাখা হিচাপে স্বীকৃতি পোৱাটো হাঠিনাপুৰ শাখা সাহিত্য সভাৰ বাবে গৌৰৱৰ কথা।' ভালেসংখ্যক সভ্য আৰু শুভাকাংক্ষীৰ উপস্থিতিত অনুষ্ঠানটোৰ কার্যসূচীৰ সফল সমাপ্তি ঘটে।

মধুপুৰ সত্রৰ বেদখল উচ্ছেদ, ধুবুৰী-ফুলবাৰী সেতু মহাৰাজ বিশ্বসিংহ নৰনাৰায়ণৰ নামত নামকৰণৰ দাবী

অসমৰ মুখ্যমন্ত্রীক স্মাৰকপত্র প্রদান কোচবিহাৰৰ ৰাজপৰিয়ালৰ

গুৱাহাটী ঃ ৰাজ্যৰ মুখ্য মন্ত্রী ড° হিমন্তবিশ্ব শর্মাই যোৱা ১৯ ছেপ্টেম্বৰত পশ্চিমবংগৰ কোচবিহাৰত থকা মহাপুৰুষ শ্রীমন্ত শংকৰদেৱৰ মহাপ্রয়াণ হোৱা ঐতিহাসিক মধুপুৰ ধাম সত্রত উপস্থিত হৈ সত্রখন পৰিদর্শন কৰে। পৰিদর্শন কালত মুখ্য মন্ত্রীগৰাকীক সংগ দিয়ে অসম চৰকাৰৰ মন্ত্রীদ্বয় অশোক সিংহল আৰু অশ্বিনী ৰায় সৰকাৰ, পশ্চিমবংগ চৰকাৰৰ মন্ত্রীদ্বয় নিশিথ প্রামাণিক আৰু মালতী ৰাভা ৰায়, কোচবিহাৰৰ স্থানীয় বিধায়কসহ কোচবিহাৰ জিলা প্রশাসনৰ কেইবাজনো বিষয়াই। আনহাতে, পৰিদর্শন কালত কোচবিহাৰৰ মহাৰাজ নৰনাৰায়ণৰ বংশধৰ তথা কোচবিহাৰৰ ৰাজপৰিয়ালক প্রতিনিধিত্ব কৰি অহা দা কোচবিহাৰ ৰয়েল ফেমিলী চাকছেৰ্চৰ ৰেলফেয়াৰ ট্রাষ্টৰ এটা সঁজাতী দলেও মুখ্য মন্ত্রী ড° হিমন্তবিশ্ব শর্মাক সাক্ষাৎ কৰি এখন স্মাৰকপত্র প্রদান কৰে। ট্রাষ্টৰ সভাপতি কুমাৰ জিতেন্দ্র নাৰায়ণ, মুখপাত্র কুমাৰ মৃদুল নাৰায়ণৰ নেতৃত্বত যোৱা সঁজাতী দলটোৱে অসমৰ মুখ্য মন্ত্রীক প্রদান কৰা স্মাৰকপত্রত ঐতিহাসিক মধুপুৰ ধাম সত্রখনৰ বেদখল হোৱা মাটি বেদখলমুক্ত কৰি সেই মাটি পুনৰ উদ্ধাৰ কৰা, বৈকুণ্ঠপুৰৰ দামোদৰ ধামৰ উন্নয়ন সাধন কৰাৰ লগতে সীমাৰ দেৱাল নির্মাণ কৰা, ব্রহ্মপুত্রৰ ওপৰত নির্মাণৰত অৱস্থাত থকা অসমৰ ধুবুৰী আৰু মেঘালয়ৰ ফুলবাৰী সংযোগী সেতুখনৰ নামটো মহাৰাজ বিশ্বসিংহ নৰনাৰায়ণৰ নামত নামকৰণ কৰা, অসম-পশ্চিমবংগৰ সীমান্তত থকা কর্মতীর্থ ভৱনক পর্যটনৰ আকর্ষণৰ কেন্দ্রবিন্দু হিচাপে গঢ়ি তোলা, এটা সময়ত অসম-পশ্চিমবংগ সংযোগী ঐতিহাসিক গোহাঁই কমল আলি নামৰ প্রায় ৩৫০ কিলোমিটাৰ দৈর্ঘ্যৰ পথছোৱা পুনৰ নির্মাণ কৰা, অসম আৰু পশ্চিমবংগৰ পৰম্পৰাগত সংস্কৃতি সংৰক্ষণ কৰা, অসম-পশ্চিমবংগ সীমান্তত মহাবীৰ চিলাৰায়ৰ সুবৃহৎ প্রতিমূর্তি নির্মাণ কৰা, ঐতিহাসিক মধুপুৰ ধাম সত্রকে ধৰি মহাপুৰুষ শ্রীমন্ত শংকৰদেৱৰ স্মৃতি বিজড়িত উত্তৰবংগৰ সকলো সত্র আৰু নামঘৰৰ উন্নয়ন সাধন কৰাৰ বাবে দাবী জনোৱা হয়। ৰাজপৰিয়ালৰ হৈ কুমাৰ জিতেন্দ্র নাৰায়ণ, কুমাৰ মৃদুল নাৰায়ণ আৰু কুমাৰ ব্রজেন্দ্র নাৰায়ণে জানিবলৈ দিয়া মতে অসমৰ মুখ্য মন্ত্রী ড°



হিমন্তবিশ্ব শর্মাই মধুপুৰ সত্রৰ উন্নয়নৰ বাবে ৩৫ কোটি টকাৰ আঁচনি গ্রহণ কৰা হৈছে বুলি কৰা ঘোষণাক আমি আদৰণি জনাইছো। একে সময়তে অসমৰ মুখ্য মন্ত্রীৰ আগ্রহৰ প্রতি সঁহাৰি জনাই পশ্চিমবংগ চৰকাৰেও মধুপুৰ ধাম সত্রখনৰ উন্নয়ন সাধনৰ বাবে ৩০ কোটি টকা প্রদান কৰিব বুলি কৰা ঘোষণাকো আমি আদৰণি জনাইছো। আমি আশা ৰাখিছো দুয়োখন চৰকাৰৰ সমূহীয়া প্রচেষ্টাৰে ঐতিহাসিক মধুপুৰ ধাম সত্রখন পর্যটকৰ আকর্ষণৰ কেন্দ্রবিন্দুলৈ উন্নীত হ'ব। আমি পশ্চিমবংগত বসবাস কৰিলেও কোচবিহাৰত অসমীয়া মানুহ লগ পালে একাত্ম অনুভৱ কৰো।

■ অসম ভূমি ■ ৩০ ছেপ্টেম্বৰ, ২০২৬ ■

সম্পাদকৰ মেজৰ পৰা...

যান্ত্রিকতা

আধুনিক যান্ত্রিক জীৱনৰ প্ৰতিযোগিতাৰ পিছত দৌৰী কতজনৰ যে মানসিক স্বাস্থ্য ভাগি পৰিছে বা মৃত্যু পৰ্যন্তও ঘটি আছে, তাক আমি কেতিয়াও গুৰুত্ব সহকাৰে আজিও ল'ব পৰা নাই, কৰবাত যেন এতিয়াও মানুহ পিছ পৰি আছো। শৈক্ষিক, সাংসাৰিক, কৰ্মসূত্ৰে বিভিন্ন স্তৰত ভিন্ন কাৰণত মানুহ মানসিক ভাৰসাম্য হেৰুৱাই পেলোৱা দেখা যায়। আনকি অৱসাদগ্ৰস্ত হৈ নিজৰ জীৱনটোকে শেষ কৰি দিয়ে।

ইয়াৰ প্ৰকৃত কাৰণ কি বুলি ভাবিব পাৰি? হয়তো আমাৰ মনৰ কথাখিনি ক'বলৈ এগৰাকী বিশ্বাসযোগ্য প্ৰকৃত সংগীৰ অভাৱ, নতুবা মনৰ বেদনাখিনি প্ৰকাশ কৰাত বহুতো বাধাৰ সন্মুখীন হ'ব লগা হয়। এজনে আনজনৰ ইতিকিংৰ পাত্ৰ হোৱাৰ ভয়তো বহুক্ষেত্ৰত মানসিক যন্ত্ৰণা বা ক্ষোভ মনৰ মাজতে হেঁচি-ঠেলি থব লগা হয়। সেয়েহে শিশুৰ পৰা বৃদ্ধ-বনিতালৈকে সকলোৰে মনৰ খবৰ জনাটো বা লোৱাটো অতীৱ জৰুৰী হৈ পৰিছে। শৈশৱৰ পৰা বৃদ্ধাৱস্থালৈকে নিজৰ এখন আসন বা এখন নিজৰ ঠাইৰ সুবিধা দিয়াটো অতি গুৰুত্বপূৰ্ণ বুলি মোৰ অনুভৱ হয়। গোপনে পুহি ৰখা সকলো সুখ-দুখ, আশা-আকাঙ্খা খুলি ক'ব পৰাকৈ আমি তেওঁলোকক সহজ কৰি এটা পৰিৱেশ পৰিস্থিতি তৈয়াৰ কৰি দিয়াটো অত্যন্ত দৰকাৰী। তেতিয়াহে আমি প্ৰযুক্তি বিদ্যা তথা সামাজিক মাধ্যমৰ দ্ৰুত গতিৰ যুগৰ আধুনিক যান্ত্রিক জীৱনৰ কিছু একাংশৰ মানসিক ভাৰসাম্য হেৰুৱাৰ পৰা ৰক্ষা কৰিব পাৰিম, আনকি অভাৱনীয়া মুহূৰ্তৰ পৰাও বচাব পাৰিম।

শৈশৱ অৱস্থাত আমি বহুতো অভিভাৱকে শিশুসকলৰ মনৰ কথা বা অৱস্থা বুজিবলৈ চেষ্টা নকৰো। নিজৰ কৰ্ম জীৱনৰ ব্যস্ততাৰ বাবেই হওক নতুনবা নিজৰো শাৰীৰিক বা মানসিক অৱস্থাটোৰ বাবেই হওক তেওঁলোককো যেন যান্ত্রিক কৰি পেলাইছো। তেওঁলোকৰ কন্দা-কটা, পঢ়া-শুনাত মন নবহা বা খিংখিঙীয়া স্বভাৱৰ পৰিস্থিতিৰ আঁৰত যে বহুতো কাৰণ লুকাই থাকিব পাৰে, তাক আমি বহুসংখ্যক অভিভাৱকে অৱজ্ঞা কৰো। তাৰ পৰিৱৰ্তে হাতত ম'বাইল নামৰ যন্ত্ৰটো দি এখন বেলেগ পৃথিৱীত মন-মগজু ব্যস্ত কৰি খোৱা-খাদ্যৰ যোগান ধৰি অন্য মনস্ক কৰি ৰাখো। দিনটোৰ ১২ ঘণ্টাৰ ৬/৭ ঘণ্টা কিছু অংশ শিশু স্কুলত, কিছু অংশ শিশু কেয়াৰ টেকাৰ বা ঘৰুৱা 'বাই' গৰাকীৰ আপদালতেই ডাঙৰ দীঘল হ'ব লগা হয়। যাৰ ফলত আমি অভিভাৱকসকলে তেওঁলোকৰ মনৰ অৱস্থা বুজিবলৈ সময়েই বা থাকে কিমান?

ইয়াৰ এটা কাৰণ আমাৰ একক পৰিয়ালসমূহো। আগৰ যৌথ পৰিয়ালবোৰ বৃহৎ আছিল— আইতা, ককা, খুড়া, বৰমা-বৰদেউতা আদি। তাৰোপৰি আলহী অতিথিৰে ঘৰ এখন ভৰি আছিল। একেলগে বহি খোৱা-শোৱা, হাঁহি-ধেমালিৰে দিন-ৰাতিবোৰ সুন্দৰকৈ পাৰ হৈছিল। সেয়েহে শিশুসকলে বহুতো মুখৰ অৱয়ব, কোলা-বোকোচা, মাটি-পানী, মুকলি পথাৰ, চোতাল ইত্যাদিৰ লগত পৰিচয় হৈছিল। ঠিক তেনেকৈ কৈশোৰ বা যৌৱনাৱস্থাত বিভিন্ন কাৰণত মন ভাগি পৰিব পাৰে। স্কুল কলেজৰ বোজা বা তাগিদা, অভিভাৱকৰ, হেঁচা, নম্বৰৰ প্ৰতিযোগিতা, ম'বাইলৰ অপপ্ৰয়োগ ইত্যাদি বিভিন্ন কাৰণত মন-মগজু ভাৰাক্ৰান্তৰে ভৰি অৱসাদগ্ৰস্ত হৈ মানসিকভাৱে ভাগি পৰা দেখা যায়। যাৰ ফলত বিভিন্ন ঘটনা-পৰিঘটনা একমাত্ৰ সন্তানেও পিতৃ-মাতৃৰ বুকু শুদা কৰি থৈ যোৱাও পৰিলক্ষিত হয়।



সময় থাকোতে যদিহে এই বয়সৰ সন্তানৰ অস্বাভাৱিক লক্ষণৰ ইংগিত বুজি লৈ প্ৰতিগৰাকী অভিভাৱকে নিজেই প্ৰসংগক্ৰমে মনৰ অৱস্থাৰ উমান লও তেতিয়া আমি বহুতো অভাৱনীয় পৰিস্থিতিৰ পৰা হাত সাৰিব পাৰো।

ভাৰতীয় উপমহাদেশত পৰম্পৰাগত আৰু কৃত্ৰিম নিচাজাতীয় দ্ৰব্যৰ উদ্বেগজনক প্ৰসাৰৰ পৰিপ্ৰেক্ষিতত এই সৃষ্টিশীল প্ৰচেষ্টাৰ জৰুৰী প্ৰয়োজনীয়তা আৰু বৃদ্ধি পাইছে। গোলকীয় প্ৰেক্ষাপটত ভাৰতৰ ভৌগোলিক অৱস্থানে ইয়াক আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ সৰবৰাহকাৰী চক্ৰৰ বাবে এক প্ৰধান ট্ৰেনজিট ৰুট হিচাপে পৰিগণিত কৰিছে। অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহ এইক্ষেত্ৰত বিশেষভাৱে স্পৰ্শকাতৰ, কিয়নো ম্যানমাৰৰ পৰা অহা ড্ৰাগছ মিজোৰাম আৰু মণিপুৰ হৈ অসমৰ মাজেৰে দেশৰ আন প্ৰান্তলৈ সৰবৰাহ হয়। অসমৰ মুখ্য মন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মায়ো প্ৰধান মন্ত্ৰীৰ এই আহ্বানৰ প্ৰতি সঁহাৰি জনাই ৰাজ্যখনত ড্ৰাগছৰ বিৰুদ্ধে চলি থকা ধাৰাবাহিক অভিযানৰ কথা উল্লেখ কৰিছে। ২০২১ চনৰ পৰা অসম আৰক্ষীয়ে ৩,২৫৩ কোটি টকাৰো অধিক মূল্যৰ ড্ৰাগছ জব্দ কৰাৰ লগতে ২৬,৫০০ ৰো অধিক অপৰাধীক গ্ৰেপ্তাৰ কৰিছে, যিয়ে এই সমস্যাৰ ভয়াৱহতা প্ৰমাণ কৰে। বৰ্তমান ভাৰত কেৱল এটা ট্ৰেনজিট হাব হৈ থকা নাই, বৰঞ্চ ই এক বিশাল গ্ৰাহক বজাৰলৈ পৰিণত হৈছে। ডাৰ্কৱেব আৰু গোপন নেটৱৰ্কৰ জৰিয়তে সৰবৰাহ হোৱা উচ্চ মাত্ৰাৰ নিচাজাতীয় দ্ৰব্যৰ আগমনে জনস্বাস্থ্যৰ প্ৰতি এক অভূতপূৰ্ব ভাবুকি কঢ়িয়াই আনিছে।

ড্ৰাগছমুক্ত যুৱপ্ৰজন্মৰ বাবে এক সামূহিক যাত্ৰা

চন্দন কুমাৰ নাথ

ভাৰতবৰ্ষৰ দ্ৰুত উন্নয়নশীল যাত্ৰাত দেশৰ যুৱপ্ৰজন্মৰ শক্তি আৰু সম্ভাৱনা হৈছে আটাইতকৈ শক্তিশালী অস্ত্ৰ। কিন্তু শেহতীয়া সময়ত এই প্ৰতিশ্ৰুতিবদ্ধ জনগাঁথনিগত লভ্যাংশ ক্ৰমান্বয়ে নিচাজাতীয় দ্ৰব্যৰ অপব্যৱহাৰৰ ক'লা ছাঁৰ দ্বাৰা ভাবুকিৰ সন্মুখীন হৈছে। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে তেওঁৰ বহুল প্ৰচাৰিত মাহেকীয়া ৰেডিঅ' অনুষ্ঠান 'মন কী বাত'ৰ ১৩৭ সংখ্যক খণ্ডত সমগ্ৰ দেশবাসীলৈ এক গুৰুত্বপূৰ্ণ আহ্বান জনাইছে। তেওঁ ভাৰতৰ যুৱপ্ৰজন্মক ড্ৰাগছৰ ভয়াৱহ কবলৰ পৰা মুক্ত কৰি ৰখাৰ জৰুৰী প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰিছে। এই পৰা অত্যধিক বোজাৰ ৰূপত ইয়াৰ সামাজিক মূল্য প্ৰতিফলিত হয়। ড্ৰাগছৰ বিৰুদ্ধে যুঁজখনক এক সামূহিক দায়িত্ব হিচাপে উপস্থাপন কৰি প্ৰধান মন্ত্ৰীয়ে কেৱল কঠোৰ আইন প্ৰয়োগৰ পৰিৱৰ্তে সামগ্ৰিক সামাজিক নিৰাময়ৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। তেওঁ প্ৰতিগৰাকী নাগৰিকক ড্ৰাগছৰ মহামাৰীক এক দূৰৈৰ অপৰাধমূলক সমস্যা হিচাপে গণ্য নকৰি সমাজত শিপাই থকা এক ব্যাধি হিচাপে ল'বলৈ আহ্বান জনাইছে, যিটো আঁতৰ কৰিবলৈ সক্ৰিয় সম্প্ৰদায়ৰ হস্তক্ষেপৰ প্ৰয়োজন। দেশৰ সামূহিক সমৃদ্ধি আৰু নৈতিক অখণ্ডতা সুৰক্ষিত কৰাৰ বাবে এই সামগ্ৰিক দৃষ্টিভংগী অতিশয় গুৰুত্বপূৰ্ণ। শেহতীয়া 'মন



ভাষণ কেৱল এক সাধাৰণ চৰকাৰী পৰামৰ্শ নাছিল, বৰঞ্চ ই আছিল এক ব্যাপক সাংস্কৃতিক বিপ্লৱৰ বাবে এক জৰুৰী আহ্বান। 'বিকশিত ভাৰতৰ বাবে নিচামুক্ত যুৱপ্ৰজন্ম' অভিযানৰ ওপৰত মোডীয়ে যি গুৰুত্ব আৰোপ কৰিছে, সি এক গভীৰ উপলব্ধি প্ৰতিফলিত কৰে, নিচাগ্ৰস্ত যুৱপ্ৰজন্মৰ ধ্বংসপ্ৰাপ্ত ভৱিষ্যতৰ ভেটিত কেতিয়াও এখন বিকশিত ভাৰত গঢ়ি তুলিব নোৱাৰি। ড্ৰাগছৰ ওপৰত নিৰ্ভৰশীলতাই অৰ্থনৈতিক, সামাজিক আৰু পাৰিবাৰিক ক্ষেত্ৰত যি বিৰূপ প্ৰভাৱ পেলায় সেয়া আওকাণ কৰিব নোৱাৰি আৰু সেয়েহে এই ভাবুকি নিৰ্মূল কৰিবলৈ সমগ্ৰ দেশজুৰি এক ঐক্যবদ্ধ আৰু সংবেদনশীল সঁহাৰিৰ প্ৰয়োজন।

প্ৰধান মন্ত্ৰীৰ ভাষণে ড্ৰাগছৰ প্ৰতি আসক্তি কেৱল এজন ব্যক্তিক প্ৰভাৱিত কৰা এক বিচ্ছিন্ন ট্ৰেজেডী বুলি থকা ভুল ধাৰণাটো খণ্ডন কৰে। তেওঁ স্পষ্টভাৱে ব্যক্ত কৰে যে নিচাৰ ভয়াৱহ পৰিণামে সমগ্ৰ পৰিয়াল আৰু সমাজৰ গাঁথনি সলনি কৰি পেলায়। যেতিয়া এজন যুৱক বা যুৱতী নিচাজাতীয় দ্ৰব্যৰ কবলত পৰে, তেতিয়া কেৱল তেওঁলোকৰ ব্যক্তিগত স্বাস্থ্যৰেই অৱনতি নঘটে, বৰঞ্চ সমগ্ৰ পৰিয়ালটোৰ আৱেগিক আৰু আৰ্থিক সুস্থিৰতা ক্ৰমান্বয়ে ধ্বংস হৈ পৰে। ইয়াৰ উপৰি সমাজত অপৰাধৰ হাৰ বৃদ্ধি, কৰ্মশক্তিৰ উৎপাদনশীলতা হ্ৰাস আৰু জনস্বাস্থ্য ব্যৱস্থাৰ ওপৰত কী বাত' অনুষ্ঠানটোৰ আটাইতকৈ অভিনৱ আৰু আকৰ্ষণীয় দিশটো আছিল ভাৰতৰ বৰ্ধিত সৃষ্টিশীল সম্প্ৰদায়ৰ প্ৰতি প্ৰধান মন্ত্ৰীৰ কৌশলপূৰ্ণ আহ্বান। পৰম্পৰাগত আমোলাতান্ত্ৰিক প্ৰচাৰাভিযানবোৰে প্ৰায়ে নৱপ্ৰজন্মৰ লগত সংযোগ স্থাপন কৰাত ব্যৰ্থ হোৱাৰ কথা স্বীকাৰ কৰি মোডীয়ে সংগীতজ্ঞ, ছাত্ৰ-ছাত্ৰী, নাট্যগোট আৰু ডিজিটেল সমল স্ৰষ্টাসকলক এই সাংস্কৃতিক সংগ্ৰামৰ অগ্ৰশাৰীৰ যুঁজাৰু হ'বলৈ আহ্বান জনায়। তেওঁ বিশ্বাস কৰে যে সৃষ্টিশীল প্ৰকাশৰ এক অনন্য আৰু পৰিৱৰ্তনশীল শক্তি আছে যিয়ে সমাজৰ কু-সংস্কাৰ আঁতৰ কৰিব পাৰে, গভীৰ সহানুভূতি জগাই তুলিব পাৰে আৰু আচাৰ-ব্যৱহাৰৰ পৰিৱৰ্তন আনিব পাৰে। #NashaMuktYuva হেছটেগৰ অধীনত হৃদয়স্পৰ্শী চুটি নাট, আকৰ্ষণীয় আঞ্চলিক গীত আৰু শক্তিশালী শ্লগান সৃষ্টি কৰিবলৈ আহ্বান জনাই চৰকাৰে ড্ৰাগছবিৰোধী বাৰ্তাক ফলপ্ৰসূভাৱে বিকেন্দ্ৰীকৰণ কৰিছে। এই কৌশলে ডিজিটেল প্লেটফৰ্ম আৰু স্থানীয় প্ৰভাৱশালী ব্যক্তিসকলৰ গভীৰ প্ৰভাৱক ব্যৱহাৰ কৰি চৰকাৰী নিৰ্দেশনাক এক জীৱন্ত আৰু তৃণমূল পৰ্যায়ৰ সাংস্কৃতিক আন্দোলনলৈ ৰূপান্তৰিত কৰিছে। ই এই কথা স্বীকাৰ কৰে যে বৰ্তমানৰ

যুৱপ্ৰজন্ম আনুষ্ঠানিক আৰু নিৰ্দেশনামূলক চৰকাৰী বিজ্ঞাপনতকৈ তেওঁলোকৰ

■ *নৱম পৃষ্ঠাত*

আন্তঃৰাষ্ট্ৰীয় বজাৰত অসমৰ থলুৱা উৎপাদনে লাভ কৰা ক্ৰমবৰ্ধমান সফলতাৰ মূল ভিত্তি হৈছে ইয়াৰ স্বকীয়তা, মৌলিকতা আৰু অনন্য কাৰুকাৰ্য। কল-কাৰখানাত যন্ত্ৰৰ সহায়ত উৎপাদিত লাখ লাখ একে আৰ্হিৰ কৃত্ৰিম সামগ্ৰীৰ বিপৰীতে অসমৰ হস্তশিল্পৰ প্ৰতিটো সামগ্ৰীয়ে নিজৰ এক সুকীয়া পৰিচয় অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হয়। ইয়াৰ মূল কাৰণ হৈছে হাতেৰে নিৰ্মিত প্ৰতিটো বস্তুৰ মাজত নিহিত থকা স্বাভাৰিক সৌন্দৰ্য, শিল্পসত্তা আৰু মানৱীয় স্পৰ্শ, যি বৈশিষ্ট্য যন্ত্ৰনিৰ্ভৰ উৎপাদনত কেতিয়াও সম্ভৱ নহয়। বৰ্তমান সময়ৰ সচেতন আৰু ৰুচিশীল বিশ্বজনীন গ্ৰাহকে কেৱল ব্যৱহাৰৰ উপযোগী সামগ্ৰী বিচাৰি নাথাকে, তেওঁলোকে সামগ্ৰীৰ অন্তৰালত লুকাই থকা ইতিহাস, সংস্কৃতি, মানৱীয় মূল্যবোধ আৰু কলাত্মক উৎকৰ্ষকো সমানে গুৰুত্ব দিয়ে। অসমৰ থলুৱা শিল্পী আৰু কাৰিকৰসকলে যুগ যুগ ধৰি সঞ্চিত পৰম্পৰাগত জ্ঞান, অভিজ্ঞতা আৰু দক্ষতাক আধুনিক যুগৰ নান্দনিক চাহিদা আৰু উন্নত ৰুচিবোধৰ সৈতে সুন্দৰভাৱে সমন্বয় সাধন কৰি অনুপম সৃষ্টিশীলতাৰ নিদৰ্শন দাঙি ধৰিছে। অসমৰ শিপিনীৰ হাতৰ মুগা, এৰী বা পাট কাপোৰৰ গুণগত মান আৰু অনন্য নক্সা, কিংবা হাজোৰ কাঁহ-পিতল বা মাজুলিৰ সত্ৰীয়া মুখাশিল্পৰ নিপুণতাই বিশ্ববজাৰত সুকীয়া মৰ্যাদা লাভ কৰিছে।

বিশ্ব অৰ্থনীতিত অসমৰ থলুৱা হস্তশিল্প গোলকীকৰণ, প্ৰত্যাহ্বান আৰু সম্ভাৱনা



নলিনী ৰঞ্জন ভূঞা

মানৱ সভ্যতাৰ ইতিহাসত শিল্প, সংস্কৃতি আৰু পৰম্পৰাই সদায়েই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। কোনো এটা জাতি বা সমাজৰ পৰিচয় কেৱল তাৰ ভাষা অথবা ভৌগোলিক ভূখণ্ডৰ মাজতেই সীমাবদ্ধ নাথাকে, বৰং সেই সমাজৰ শিল্প-সংস্কৃতি, জীৱনধাৰা, লোকবিশ্বাস, চিন্তা-চেতনা আৰু সৃজনীশীল কৰ্মৰ মাজতো তাৰ স্বকীয়তা স্পষ্টভাৱে প্ৰতিফলিত হয়। হস্তশিল্প আৰু থলুৱা উৎপাদনসমূহ এই সাংস্কৃতিক পৰিচয়ৰ অন্যতম শক্তিশালী বাহক। যুগে যুগে মানুহে নিজৰ পাৰিপাৰ্শ্বিক পৰিৱেশ, প্ৰাকৃতিক সম্পদ আৰু সৃষ্টিশীল দক্ষতাক ভিত্তি কৰি বিভিন্ন সামগ্ৰী নিৰ্মাণ কৰি আহিছে। অসমৰ ক্ষেত্ৰতো এই কথাষাৰ আখৰে আখৰে প্ৰযোজ্য। অসমৰ চহকী হস্তশিল্প পৰম্পৰা-কাপোৰৰ বৈচিত্ৰ্যৰ পৰা আৰম্ভ কৰি বাঁহ-বেত, কাঁহ-পিতলৰ শিল্প, কাঠশিল্প, মৃৎশিল্পকে ধৰি এই সকলোবিলাক কেৱল দৈনন্দিন ব্যৱহাৰ্য বস্তুৰেই নাছিল, বৰঞ্চ ই আমাৰ সমাজৰ ইতিহাস, ঐতিহ্য আৰু সাংস্কৃতিক স্মৃতিবো একো একোটা জীৱন্ত দলিল। বৰ্তমান বিশ্বায়ন আৰু আধুনিক যোগাযোগ ব্যৱস্থাৰ যুগত অসমৰ এই থলুৱা উৎপাদনে স্থানীয় সীমা অতিক্ৰম কৰি আন্তঃৰাষ্ট্ৰীয় বজাৰত এক সন্মানজনক স্থান লাভ কৰিবলৈ সক্ষম হৈছে। এই ইতিবাচক পৰিৱৰ্তনে কেৱল অৰ্থনৈতিক ক্ষেত্ৰতেই নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰা নাই, বৰঞ্চ বিশ্বদৰবাৰত অসমৰ সাংস্কৃতিক পৰিচয় দাঙি ধৰাৰ ক্ষেত্ৰতো এক নতুন অধ্যায়ৰ সূচনা কৰিছে।

আন্তঃৰাষ্ট্ৰীয় বজাৰত অসমৰ থলুৱা উৎপাদনে লাভ কৰা ক্ৰমবৰ্ধমান সফলতাৰ মূল ভিত্তি হৈছে ইয়াৰ স্বকীয়তা, মৌলিকতা আৰু অনন্য কাৰুকাৰ্য। কল-কাৰখানাত যন্ত্ৰৰ সহায়ত উৎপাদিত লাখ লাখ একে আৰ্হিৰ কৃত্ৰিম সামগ্ৰীৰ বিপৰীতে অসমৰ হস্তশিল্পৰ প্ৰতিটো সামগ্ৰীয়ে নিজৰ এক সুকীয়া পৰিচয় অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হয়। ইয়াৰ মূল কাৰণ হৈছে হাতেৰে নিৰ্মিত প্ৰতিটো বস্তুৰ মাজত নিহিত থকা স্বাভাৰিক সৌন্দৰ্য, শিল্পসত্তা আৰু মানৱীয় স্পৰ্শ, যি বৈশিষ্ট্য যন্ত্ৰনিৰ্ভৰ উৎপাদনত কেতিয়াও সম্ভৱ নহয়। বৰ্তমান সময়ৰ সচেতন আৰু ৰুচিশীল বিশ্বজনীন গ্ৰাহকে কেৱল ব্যৱহাৰৰ উপযোগী সামগ্ৰী বিচাৰি নাথাকে, তেওঁলোকে সামগ্ৰীৰ অন্তৰালত লুকাই থকা ইতিহাস, সংস্কৃতি, মানৱীয় মূল্যবোধ আৰু কলাত্মক উৎকৰ্ষকো সমানে গুৰুত্ব দিয়ে। অসমৰ থলুৱা শিল্পী আৰু কাৰিকৰসকলে যুগ যুগ ধৰি সঞ্চিত পৰম্পৰাগত জ্ঞান, অভিজ্ঞতা আৰু দক্ষতাক আধুনিক যুগৰ নান্দনিক চাহিদা আৰু উন্নত ৰুচিবোধৰ সৈতে সুন্দৰভাৱে সমন্বয় সাধন কৰি অনুপম সৃষ্টিশীলতাৰ নিদৰ্শন দাঙি ধৰিছে। অসমৰ শিপিনীৰ হাতৰ মুগা, এৰী বা পাট কাপোৰৰ গুণগত মান আৰু অনন্য নক্সা, কিংবা হাজোৰ কাঁহ-পিতল বা মাজুলিৰ সত্ৰীয়া মুখাশিল্পৰ নিপুণতাই বিশ্ববজাৰত সুকীয়া মৰ্যাদা লাভ কৰিছে। বিশেষকৈ ইউৰোপ আৰু আমেৰিকাৰ দৰে উন্নত দেশসমূহৰ ক্ৰেতাসকলে এনে সামগ্ৰীৰ মাজত বৈচিত্ৰ্য আৰু সাংস্কৃতিক ঐশ্বৰ্যৰ এক অনন্য সমাহাৰ বিচাৰি পায়, যাৰ ফলত অসমৰ উৎপাদনৰ প্ৰতি তেওঁলোকৰ আগ্ৰহ আৰু চাহিদা ক্ৰমাগতভাৱে বৃদ্ধি পাইছে।

এসময়ত অসমৰ যিবোৰ থলুৱা সামগ্ৰী কেৱল স্থানীয় গ্ৰাম্য বাৰ্ষিক মেলা, বিহুৰ বজাৰ বা চহৰৰ এম্প'ৰিয়ামতে সীমাবদ্ধ আছিল, আজিৰ তাৰিখত সেইবোৰে সাত সাগৰ তেৰ নদী পাৰ হৈ বিশ্বৰ প্ৰান্তে প্ৰান্তে সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ আঁৰত আছে মুক্ত বাণিজ্য নীতি আৰু যাতায়াত তথা আন্তঃৰাষ্ট্ৰীয় যোগাযোগ ব্যৱস্থাৰ বৈপ্লৱিক উন্নতি। বিশ্ব বাণিজ্যৰ বিভিন্ন সমীক্ষা অনুসৰি, গোলকীয় হস্তশিল্প বজাৰৰ মূল্য বৰ্তমান কেইবাশ বিলিয়ন মাৰ্কিন ডলাৰলৈ বৃদ্ধি পাইছে আৰু ইয়াৰ বাৰ্ষিক বিকাশৰ হাৰ অত্যন্ত আশাপ্ৰদ। ইউৰোপ, আমেৰিকা যুক্তৰাষ্ট্ৰ, জাপান আৰু মধ্য-প্ৰাচ্যৰ দেশসমূহ হস্তশিল্পৰ আটাইতকৈ ডাঙৰ আমদানিকাৰক দেশ হিচাপে পৰিগণিত হৈছে।

অসমৰ প্ৰেক্ষাপটত লক্ষ্য কৰিলে দেখা যায় যে, গৃহ সজ্জা আৰু আচবাবৰ ক্ষেত্ৰত বাঁহ আৰু বেতৰ পৰা তৈয়াৰী আধুনিক আৰ্হিৰ আচবাব আৰু কুটিৰ শিল্পৰ সামগ্ৰীৰ গোলকীয় চাহিদা উল্লেখনীয়ভাৱে বাঢ়িছে। বস্ত্ৰ শিল্পৰ ক্ষেত্ৰত এৰী ৰেচমক বৰ্তমান বিশ্বই 'অহিংস ৰেচম' হিচাপে আদৰি লৈছে, যাৰ ফলত শীতপ্ৰধান দেশসমূহত ইয়াৰ গৰম কাপোৰ আৰু স্কাৰ্ফৰ এক সুকীয়া বজাৰ গঢ়ি উঠিছে। তদুপৰি প্ৰাকৃতিক আৰু জৈৱিক সামগ্ৰী যেনে প্ৰাকৃতিক ৰং আৰু স্থানীয় উদ্ভিদৰ পৰা প্ৰস্তুত কৰা সামগ্ৰীৰ প্ৰতি বিদেশী গ্ৰাহকৰ ক্ৰমবৰ্ধমান আগ্ৰহৰ বাবে এই আন্তঃৰাষ্ট্ৰীয় বজাৰখনত হস্তশিল্পৰ এক বিশাল আৰু শক্তিশালী সমান্তৰাল অৰ্থনীতি গঢ়ি উঠাৰ থল আছে।

তথ্য প্ৰযুক্তিৰ দ্ৰুত উত্তৰণে অসমৰ হস্তশিল্পৰ বিপণন ব্যৱস্থাটোলৈ যুগান্তকাৰী পৰিৱৰ্তন আনিছে। ই-বাণিজ্য বা বৈদ্যুতিন বাণিজ্যৰ বিভিন্ন গোলকীয় মাধ্যমৰ (যেনে, এমাজন, ফ্লিপকাৰ্ট ইত্যাদি)ৰ জৰিয়তে অসমৰ অতি ভিতৰুৱা গাঁৱৰ শিপিনী বা কাৰিকৰেও নিজৰ উৎপাদিত সামগ্ৰী পোনপটীয়াভাৱে বিশ্বৰ যিকোনো প্ৰান্তৰ গ্ৰাহকৰ বাবে প্ৰদৰ্শন আৰু বিক্ৰী কৰিব পাৰে। ইয়াৰ ফলত পূৰ্বৰ মধ্যভোগী ব্যৱসায়ী বা দালালৰ শোষণ আৰু দৌৰাত্ম্য বহু পৰিমাণে হ্ৰাস পাইছে, ফলত প্ৰকৃত গ্ৰাম্য শিল্পীজনে তেওঁৰ কঠোৰ পৰিশ্ৰমৰ উচিত আৰু মৰ্যাদাপূৰ্ণ মূল্য লাভ কৰিবলৈ সক্ষম হৈছে। ঠিক একেদৰে, বিভিন্ন সামাজিক মাধ্যমসমূহেও এই ক্ষেত্ৰত ডাঙৰ বিজ্ঞাপনৰ কাম কৰিছে। চুটি চুটি তথ্যচিত্ৰ বা ৰীলছ মাধ্যমৰ জৰিয়তে যেতিয়া এটা অসমীয়া জাপি বা এযোৰ মুগাৰ কাপোৰ কেনেকৈ নিপুণতাৰে তৈয়াৰ কৰা হয়, তাৰ আঁৰৰ সূক্ষ্ম কাৰুকাৰ্য আৰু আমাৰ কাৰিকৰসকলৰ জীৱনসংগ্ৰামক বিশ্বৰ সম্মুখত ভিজুৱেলি দাঙি ধৰা হয়, তেতিয়া গোলকীয় গ্ৰাহকে সামগ্ৰীটোৰ প্ৰতি গভীৰ মানসিক আৰু আৱেগিক টান অনুভৱ কৰে। এই ডিজিটেল সংযোগে আন্তঃৰাষ্ট্ৰীয় বজাৰত উৎপাদিত সামগ্ৰীৰ ব্ৰেণ্ড ভেল্যু বৃদ্ধিত পোনপটীয়া সহায় কৰিছে।

সাম্প্ৰতিক সময়ত সমগ্ৰ বিশ্ব জলবায়ু পৰিৱৰ্তন আৰু মাৰাত্মক পৰিৱেশ প্ৰদূষণক লৈ চৰম চিন্তিত। এনে এক জটিল পৰিপ্ৰেক্ষিতত বিশ্বজুৰি 'বহনক্ষম জীৱনশৈলী' বা পৰিৱেশ-অনুকূল ধাৰাৰ এটা ঢৌ আৰম্ভ হৈছে। প্লাষ্টিক, নাইলন আৰু ক্ষতিকাৰক কৃত্ৰিম ৰাসায়নিক সামগ্ৰীৰ বিপৰীতে অসমৰ বেছিভাগ হস্তশিল্পই প্ৰায় সম্পূৰ্ণভাৱে প্ৰাকৃতিক আৰু পৰিৱেশ অনুকূল। বাঁহ, বেত, মাটি, কাঠ, মৰাপাট আৰু কঁহুৱা বা জলজ উদ্ভিদৰ আঁহেৰে নিৰ্মিত অসমৰ সামগ্ৰীসমূহ সহজেই জৈৱ-বিয়োজনশীল, অৰ্থাৎ ই সহজে মাটিত মিলি যায় আৰু পৰিৱেশৰ কোনো ক্ষতি নকৰে। আন্তঃৰাষ্ট্ৰীয় বজাৰত বৰ্তমান 'সেউজ উৎপাদন' বা পৰিৱেশ সুৰক্ষিত কৰা সামগ্ৰীৰ এক বিশেষ আৰু উচ্চ মূল্য নিৰ্ধাৰণ কৰা হয়। অসমৰ থলুৱা উৎপাদনে এই গোলকীয় চৰ্তসমূহ সম্পূৰ্ণৰূপে পূৰণ কৰে বাবেই বিশ্বৰ সচেতন আৰু আধুনিক ক্ৰেতাসকলে বৰ্তমান আমাৰ হস্তশিল্পক নিজৰ প্ৰথম পছন্দ হিচাপে আদৰি ল'বলৈ আৰম্ভ কৰিছে।

অসমৰ হস্তশিল্প কেৱল সুকুমাৰ কলা নহয়,


■ *নৱম পৃষ্ঠাত*



প্ৰেমৰ টোপোলা

শ্বেইখ মণিৰুজ জামান

আৱেগৰ ফোৱাৰাবোৰত
দিবাকৰ আৰু ৰজনীয়ে
হেঁপাহৰে ভৰপূৰ,
প্ৰেমৰ টোপোলা বুনে।
ধূলিৰে আৱৰা ডায়েৰীৰ ক্ষান্ত শব্দই
আকৌ এবাৰ
হেজাৰ কল্পনাৰ স'তে
তোমাৰ কথা মনলৈ আনে।
আৱিৰ সানিবলৈ
আগ্ৰহী বতাহজাকে
অনুভৱৰ জীপাল বাটত
বলিয়া হৈ নাচে।
ফাগুন আৰু প্ৰেম দিৱসৰ
মধুৰ মিলনত
বসন্তৰ এক উষ্ম,
উপহাৰৰ টোপোলা আছে।
বুকুৰ পূৰ্ণতাৰ গানত
উদং এই আৱৰণে,
মোহনীয়া ওঁঠত
লঠঙা শিহৰণ জগায়।
প্ৰেয়সীৰ সন্ধান বিচাৰি ফাগুন বনত
ভেলেণ্টাইনে...
সৃষ্টিৰ সম্ভাৱনাময়ী
জখলা বগায়।



বৰ দৰকাৰ আছিল

অৰ্ণৱ কটকী

বৰ প্ৰয়োজন আছিল অ' চৰকাৰী চাকৰি এটাৰ
বিক্ৰী হৈ যোৱা সকলো সপোন কিনি আনিবলৈ
আশাবিলাক চকুৰ আগত নিৰাশা হৈ পৰা এই ক্ষণতে
বহুত বেছি প্ৰয়োজন আছিল, এটা চৰকাৰী চাকৰিৰ।।
ৰেচন কার্ড লৈ সমাজৰ অৱহেলিতজনেহে চাগৈ বুজে
মনৰ এই ব্যথা
দামী মনৰ হ'লেও কোনেও নাচাই ভালকৈ
সুখ জিনিব পৰাকৈ হাততো নাই চৰকাৰী চাকৰি এটা।
নিজৰ সপোন আনক দি, নিজেই নিজক থাকো বিচাৰি।।
মদাৰৰ আদৰ নথকা দৰে সমাজত আছে জানো আদৰ...
অৱহেলাত পোত গৈ থকাজনৰ স্থান সমাজৰ সোঁমাজত।
চাকৰি এটাৰ বহুত দৰকাৰ আছিল অ'
সুখক জয় কৰি অলপ হাঁহি পিন্ধিবলৈ।।
সকলোতে পাওঁ উপহাৰ বিনামূল্যে অৱহেলাৰ
ক'ৰবাত যেন লাগিল কেণা সমাজৰ, মানুহৰ!
চৰকাৰী চাকৰিহে বোলে পাৰ কৰাব বৈতৰণী নৈ।।
এদিন হ'লেও ক'ব পাৰিম সমাজখনক
ময়ো সপোন দেখিছিলো ঠিক আপোনাৰ দৰেই
সেই সপোন নিজ হাতেৰে ডিঙি চেপি হত্যা কৰিবও
শিকিলো মই
ক'ৰবাত হেৰাই যোৱাৰ ভয়ত, আপোন ভবাজনৰ
তিৰস্কাৰৰ দোষত।।
চৰকাৰী চাকৰিহে ভাল বুলি কোৱাজনক দেখাবৰ বাবেই
বৰ দৰকাৰ হৈছিল অ' এটা চাকৰি চৰকাৰৰ।
বিচাৰিলেই যদি সকলো পোৱা গ'লহেঁতেন
তেন্তে দুখৰ পোছাক পিন্ধিও সুখৰ অভিনয় নকৰিলো হয়
আজিৰ সমাজত।।



জীৱনৰ চাকনৈয়া

ৰিমাশ্ৰী কোচ

(ক)
ঘড়ীৰ কাঁটাৰ বেগত
সময় দৌৰিছে,
লগত লৈ জীৱনৰ আয়ুস
ভাগৰুৱা আত্মাই উচুপি কান্দিছে
সুঁৱৰি স্মৃতিৰ দিৱস।
(খ)
এসময়ত পানীগাঁৱৰ ডাইনী অভিনিশা
আজি বৰুৱা বংশৰ লখিমী হ'ল,
আ�ৰক্ষী অধীক্ষক অনুপম বৰুৱাৰ পত্নী হিচাপে
গোটেই অঞ্চল তাইৰ তলতীয়া হ'ল।
এতিয়া তাই পানীগাঁও সমষ্টিৰ নৱনির্বাচিত বিধায়ক।
(গ)
অকলশৰীয়া পিতৃক বৃদ্ধাশ্ৰমত থৈ
ৰমেন বিদেশলৈ গ'ল,
ইঞ্জিনীয়াৰ পুত্ৰৰ সফলতাত
ৰমেনৰ বুকু ফুলি হিমালয় যেন হ'ল।
পিছে আজি সি নিজেও সেই বৃদ্ধাশ্ৰমখনৰে বাসিন্দা।
(ঘ)
এটুকুৰা ৰুটীৰ বাবে হাহাকাৰ কৰা ল'ৰাটোক
ডাক্তৰ হাজৰিকাই বুটলি আনিলে,
কিন্তু ডাঙৰ হৈ সাধাৰণ মানুহবোৰক সি দেখোন
মানুহ বুলিয়েই নাভাবে
টকাৰ মোহত পৰি সকলো হেৰুৱালে।
আজিকালি সকলোৱে তাক পগলা বুলিয়েই চিঞৰে।
(ঙ)
ল'ৰা সন্তান জন্ম দিব নোৱৰাৰ দোষত
সমাজৰ হাঁহিয়াতৰ পাত্ৰ হোৱা মালাৰ
তিনিওজনী ছোৱালী আজি ডাঙৰ মানুহ হ'ল,
বিলাসী গাড়ীখনেৰে গাঁৱৰ ঠেক বাটেৰে যাওঁতে
ৰমলাৰ নাকে-মুখে ধূলিৰে ওপচাই গ'ল
কি ভাবি জানো! তাই শিল পৰা কপৌৰ দৰেই ৰ'ল
যেন জোকৰ মুখত চুণহে পৰিল।
দুই পুত্ৰ থকা সত্ত্বেও ৰমলা আজি বিশাল ঘৰটোৰ একমাত্ৰ সদস্য।

মৃত্যুৱে মাতিছে মোক

ইমৰান আনছাৰী

মই গুচি যাম!
কোনোবা অচিন দেশলৈ
মৰমৰ পৃথিৱী, মায়াৰ সংহাৰ
কাৰোবাৰ ভালপোৱা;
কাৰোবাৰ কথা দু-এযাৰ
সকলো এৰি মই গ্ৰহণ কৰিম
নিৰ্জন নদীৰ এচুক
মোৰ যাবই লাগিব
মৃত্যুৱে যে মাতিছে মোক।

মই জানো
মই যে পৃথিৱীক একো দিব নোৱাৰিলো,
সংসাৰৰ মায়াত পৰি
মই যে পৃথিৱীৰ বিননি পাহৰি থাকিলো।
সংহাৰ মায়া, নে মায়াৰ সংহাৰ
সেয়াও বুজিব নোৱাৰিলো
মুৰুখৰ পাত্ৰৰ দৰে যেন
নিজকে গঢ়িলো।
হ'ব এতিয়া
সময় হৈছে যোৱাৰ
মৃত্যুৱে যে মাতিছে মোক।


ধৰিত্ৰীৰ সুখ ধৰিত্ৰীতে থৈ
পাপ-পুণ্যৰ মোনাখন লগত লৈ
এইবাৰ সন্ধান কৰিম নতুন সুখ
য'ত বিচাৰি যাম মই নিজেই মোক।
মোৰ এটাই বিননি
যোৱাৰ পথত নামাতিবা মোক
হ'বলা; মই যাওঁ,
মৃত্যুৱে যে মাতিছে মোক।

এনেকৈয়ে আহে শৰৎ

বলীন বৰদলৈ

চোতালত শেৱালিৰ সুকোমল দলিচা
নাসিকাত মোহনা পাতে তাৰ সুগন্ধই
দূবৰি বনে পিন্ধে নিয়ৰৰ মুকুতা মালা
কঁহুৱা, বিৰিণাই নৈৰ পাৰে পাৰে হালি জালি
জোনাকী ৰাতি ফুচফুচীয়া প্ৰেমৰ আলাপ কৰে,
আহিনৰ সেউজীয়াই পথাৰখনৰ স'তে
ভৱিষ্যতৰ সোণালী সপোন দেখে
চহা কৃষকৰ বুকু হয় এহাত এমুঠন ডাঠ।
মলয়াই কোবাই বুকুৰ আঁচল
সেওঁতাত বিচাৰো স্বপ্নৰ আঙুলি
দুহাত মেলি বিচাৰে দুহাত
হৃদয় খুলি বিচাৰে হৃদয়
শাৰদীয় প্ৰেমিক কঁহুৱা কোমল মন
আপোনজনে আপোনজনৰো
জানাইতো শৰৎ হৃদয়ৰ বার্তাবাহক।
কেতিয়াবা আহে মলয়া হৈ অহৰহ
শেৱালিৰ সুবাস, কঁহুৱা, বিৰিণা হৈ
শৰালি, ৰাজহংসৰ গামিৰ শীতল বা হৈ
নৈৰ বুকুত তোলে শান্ত শীতল নিপোটল ঢৌ।

জুবিন চচাঁ



লীলাধৰ হাজৰিকা

সকলোৰে হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গৰ আকস্মিক মৃত্যুত শোকস্তব্ধ হৈ পৰিছে সমগ্ৰ দেশ-বিদেশ। হঠাতে এনেকৈ অসমবাসীক কন্দুৱাই জুবিন চিৰদিনৰ বাবে অজান দেশলৈ আঁতৰি যাব বুলি সপোনতো কোনেও কল্পনা কৰা নাছিল। সকলোৰে হৃদয় থানবান হৈ পৰিছে। ভাষা হেৰাই গৈছে। কোনে কাক বুজনি দিব? কাল ধুমুহাৰ দৰে অহা অপ্ৰত্যাশিত বাৰ্তাই সকলোকে কন্দুৱাইছে।

জুবিন গাৰ্গৰ মৃত্যুত জাতীয় জীৱনৰ অপূৰণীয় ক্ষতি হৈছে। কবিৰ ভাষাত, চকুৰ লোতকত তিতিছে অসমীয়া হয়। লক্ষজনৰ হৃদয়ে হৃদয়ে পোখা মেলিছিল জুবিন গাৰ্গৰ চিন্তা কৰ্ম আৰু আদৰ্শই। তাহানি হীৰুদাই কৈ যোৱা কথাষাৰ আজিও প্ৰতিজন অসমীয়াৰ অন্তৰে অন্তৰে, সিৰাই সিৰাই প্ৰবাহিত হৈ আছে।

গান লিখিলেই গান নহয়। সকলো সময়ত ভাল মাতেৰেই গায়ক নহয়। ভাল গানে, ভাল গানৰ কথাই মানুহক আকৰ্ষণ কৰে। গানৰ স্থায়িত্ব গানৰ কথাখিনিৰ ওপৰত নিৰ্ভৰ কৰে। গানৰ সুৰ মনত নাথাকিলেও গীতৰ কথা মনত থাকি যাব পাৰে। আমি (হীৰেন ভট্টাচাৰ্য) ডক্টৰ ভূপেন হাজৰিকা বা ডক্টৰ বীৰেন্দ্ৰ নাথ দত্তৰ গানৰ ক্ষেত্ৰত দেখো গীতৰ কথা সুন্দৰ বাবে গীতবোৰ মনত থাকি যায়। অসমৰ এনে ধাৰাৰ, একে সুৰীয়া গীতৰ মাজতে জুবিনে জোকাৰণি এটা দিলে।

ভাল মানুহে ভাল মানুহ চিনি পায়। জুবিন কিমান শালীনতাবোধ থকা মানুহ তাৰ এটা উদাহৰণ দিওঁ। এবাৰ হীৰেন ভট্টাচাৰ্য যোৰহাটলৈ গৈছিল। তেখেতক লগ ধৰিবলৈ দুজন ল'ৰা তেওঁৰ ওচৰলৈ আহিছিল। ল'ৰা দুজনক হীৰুদাই চিনি নাপায়, ল'ৰা দুজনে হীৰেন ভট্টাচাৰ্যক আহি ক'লে, মোৰ কেছেটত আপোনাৰ এটা গীত গাইছো। লগতে ল'ৰা দুজনে হীৰুদাক তিনিশ টকা দি ক'লে, আপোনাৰ গানটো কেছেটত ব্যৱহাৰ কৰা বাবে এইখিনি দিলো, মাননি হিচাপে। হীৰুদা আচৰিত হ'ল। পিছত গম পালে ল'ৰা দুজন আছিল জুবিন গাৰ্গ আৰু দেৱ বৰকটকী। কেছেটটো আছিল, অনামিকা। গীতটো আছিল, হীৰুদাৰ গানে কি আনে। তাৰ পিছত জুবিনে সমগ্ৰ দেশতে জনপ্ৰিয়তা লাভ কৰা বাবে হীৰুদা আচৰিত হৈছিল। জুবিনে অসমীয়া গানৰ ধাৰাটো সলনি কৰি দিছিল। জুবিনে যোগ্যতাৰ ভিত্তিতহে এনে সন্মান পাবলৈ সক্ষম হৈছিল। অকল গীতেই নহয় জুবিনৰ বাদ্যযন্ত্ৰৰ ক্ষেত্ৰতো অগাধ জ্ঞান আছিল। জুবিনে গীতৰ সুৰ কৰোতে গীতৰ



মাজলৈ সোমাই যাব পাৰিছিল নহ'লে মুম্বাইৰ মিউজিক বৰ্ল্ডত সুযোগ নাপালেহেঁতেন। জুবিনে অসমীয়া সংগীতৰ এটা ধাৰা সৃষ্টি কৰিছিল। জুবিনৰ মৃত্যুৰ এই জুইকুৰা সহজে অসমীয়া মানুহৰ মাজৰ পৰা নোহোৱা হৈ নাযায়। যদিও নৱপ্ৰজন্মই জুবিন গাৰ্গক হাৰ্টথ্ৰ'ব হিচাপে গ্ৰহণ কৰিছে সেয়া অকস্মাতে গঢ়ি উঠা ধাৰণা নহয়।

সংগীতৰ ক্ষেত্ৰখনৰ উপৰি জুবিন গাৰ্গৰ জনতাৰ প্ৰতি থকা দুৰ্বাৰ ভালপোৱা কল্পনাতীত। আৰ্তজনৰ প্ৰতি সহায়ৰ হাত আগবঢ়োৱা জুবিন গাৰ্গৰ জীৱনৰ এক সপ্ৰতিভ চিন্তা আছিল। জুবিন গাৰ্গৰ এই সহৃদয়তাৰ নিদৰ্শন সদায় স্মৰণীয় হৈ ৰ'ব। যাদুকৰী কণ্ঠৰ অধিকাৰী আৰু নতুন সৃষ্টিৰাজিৰ জৰিয়তে অসমবাসীৰ মাজত সদায় জিলিকি থাকিব। এই কথাও ঠিক অফুৰন্ত প্ৰতিভাৰ অধিকাৰী জুবিন গাৰ্গ নৱপ্ৰজন্মৰ মাজত তেওঁৰ খেয়ালি মনৰ উদাৰ মনোভাবৰ বাবেই অতিকে জনপ্ৰিয়।

নৱপ্ৰজন্মৰ মাজত জুবিন গাৰ্গ সাহসৰ প্ৰতীক। দেশখন যিকোনো দুৰ্যোগৰ সন্মুখীন হ'লেই নৱপ্ৰজন্মই জুবিন গাৰ্গেনো কি কয় উৎকণ্ঠাৰে বাট চাই থাকে। জুবিন গাৰ্গৰ চিন্তাত সৰ্বসাধাৰণৰ সুখ-দুখৰ কথাটো জড়িত হৈ থাকে। সততে জাতি-মাটি-দেশ-ভাষা-সংস্কৃতি, বজাৰ-সমাৰৰ প্ৰতি ইতিবাচক চিন্তা কৰা জুবিন গাৰ্গৰ আছিল এখন কোমল অন্তৰ। জুবিন গাৰ্গ সাহসী, তেওঁৰ সাহসেৰে বলীয়ান নৱপ্ৰজন্ম। তেওঁৰ গীতৰ অমৃতময় সুৰে তেওঁৰ কণ্ঠৰ অসামান্য ধাৰাই নৱপ্ৰজন্মৰ সাহস বুলিব পাৰি। তেওঁৰ কণ্ঠত চাগৈ নৱপ্ৰজন্মই অগ্নিবৰ্ষা সাহসৰ উমান পাইছিল। সেইবাবেই তেওঁ সকলোৰে আপোন হ'ব পাৰিছিল।

কথা হ'ল অসমত অসমীয়া থকালৈকে জুবিনৰ প্ৰভাৱ থাকিব। জুবিনৰ সকলো গান ছিৰিয়াছ নহয়। সেইটো সম্ভৱো নহয়। তেওঁ জনসাধাৰণৰ মাজৰ মানুহ।

জনসাধাৰণক আপ্লুত কৰিবলৈ যাওঁতে বৌদ্ধিক চেতনা কেতিয়াবা হ্ৰাস পাবও পাৰে। জুবিন গাৰ্গৰ আটাইতকৈ ডাঙৰ বৈশিষ্ট্য কিছুমান সৰু সৰু কথাত তেওঁ গুৰুত্ব দিছিল। জুবিন গাৰ্গ নোহোৱা হৈ যোৱা কথাটো বহুত বছৰলৈ অসমীয়া মানুহে ভাবিবলৈ টান পাব।

জুবিন গাৰ্গ অকল গানৰেই মানুহ নহয়। চলচ্চিত্ৰৰ পৰা সংগীত পৰিচালনালৈকে, কণ্ঠশিল্পীৰ পৰা সুৰকাৰলৈ, অভিনেতাৰ পৰা প্ৰকৃতিপ্ৰেমীলৈকে, চল্লিশ হাজাৰ গীতত কণ্ঠদান কৰা শিল্পীগৰাকীয়ে আকৌ প্ৰায় পঞ্চাশটা ভাষাত গান গাইছিল সমগ্ৰ ভাৰতবৰ্ষতে। এয়া এগৰাকী অসম সন্তানৰ বাবে কোনে বাৰু গৌৰৱ নকৰিব?

জুবিন গাৰ্গৰ যিবোৰ গীত আছে সকলোবোৰৰ গীতৰে তেওঁ নিশ্চয় গীতিকাৰ নহয়, সকলোবোৰৰ সুৰকাৰো নহয়, কিন্তু তেওঁৰ কণ্ঠত শ্ৰোতা দৰ্শকে প্ৰায় সকলো গীতেই শুনি ভাল পাইছিল। সকলো ধৰণৰ গীত গাব পৰাটো সহজ কথা নহয়। ফুটবলৰ আজন্ম

■ ১০ পৃষ্ঠাত

নাৰীৰ জীৱনচক্ৰৰ প্ৰতিটো পৰ্যায়ত সমৰ্পণৰ এক অনন্য ৰূপ দেখা যায়। শিশু অৱস্থাত পিতৃ-মাতৃৰ প্ৰতি, যৌৱনত প্ৰেমৰ প্ৰতি আৰু পৰৱৰ্তী জীৱনত পৰিয়ালৰ প্ৰতি তাইৰ সমৰ্পণৰ ধাৰা একেই থাকে। কিন্তু প্ৰশ্ন হয়, এই সমৰ্পণৰ অন্তৰালত থকা মূল চালিকা শক্তি কি? ইয়াক আমি কেৱল আৱেগ বুলি ক'লে ভুল কৰা হ'ব। এয়া হৈছে এক প্ৰকাৰৰ অন্তৰ্নিহিত আত্মিক শক্তি। এগৰাকী নাৰীয়ে যেতিয়া নিজৰ সৰ্বস্ব সঁপি দিয়ে, তেতিয়া তাইৰ স্বকীয়তা লুপ্ত নহয়, আচলতে এয়া এক নতুন মাত্ৰাহে লাভ কৰে। নাৰীৰ এই সমৰ্পণত থাকে এক অটল প্ৰতিশ্ৰুতি, যিটো প্ৰতিকূল পৰিস্থিতিতো সদায়েই অটল হৈ ৰয়। পুৰুষৰ দৃষ্টিত নাৰীৰ সমৰ্পণ প্ৰায়েই এক প্ৰাপ্তি হিচাপে বিবেচিত হয়; কিন্তু দৰাচলতে এয়া হৈছে এক বিশাল দায়িত্বৰ নামান্তৰ। যেতিয়া কোনো পুৰুষে নাৰীৰ এই ত্যাগক উপলুঙা কৰে বা ইয়াক তুচ্ছজ্ঞান কৰে, তেতিয়াই সম্পৰ্কৰ সৌন্দৰ্য ম্লান পৰিবলৈ ধৰে। নাৰীৰ হৃদয় কোনো যুদ্ধক্ষেত্ৰ নহয় যে তাক কোনো প্ৰভাৱ বিস্তাৰ কৰি নিজৰ অধীন কৰিব পাৰি।

এক আধ্যাত্মিক আৰু মনস্তাত্ত্বিক দৰ্শন

নাৰীৰ সমৰ্পণ এক এনে শক্তি, যিটো কোনো বলপূৰ্বক অথবা জোৰ-জবৰদস্তিৰে আদায় কৰিব নোৱাৰি। সমৰ্পণৰ জন্ম হয় প্ৰগাঢ় বিশ্বাস আৰু গভীৰ সন্মানৰ বুকুৰ পৰা। এগৰাকী নাৰীয়ে তেতিয়াহে কাৰোবাৰ কাষত নিজকে সঁপি দিয়ে, যেতিয়া তেওঁ সেই সম্পৰ্কত পৰিপূৰ্ণ নিৰাপত্তা অনুভৱ কৰে। সমাজৰ চকুত এই সমৰ্পণক অনেক সময়ত দুৰ্বলতা বুলি ভুল কৰা হয়; কিন্তু বাস্তৱত এয়া এক অসাধাৰণ মানসিক দৃঢ়তাৰ পৰিচায়ক। যিগৰাকী নাৰীয়ে স্ব-ইচ্ছাই নিজৰ সত্তাক আন এজনৰ প্ৰতি উছৰ্গা কৰে, তেওঁৰ অন্তৰত থাকে এক বিশাল সাগৰসদৃশ সহনশীলতা। এই সমৰ্পণ কোনো বাধ্যবাধকতা নহয়, এয়া হৈছে এক স্বতঃস্ফূৰ্ত প্ৰকাশ। মানৱীয় সম্পৰ্কত বিশ্বাসৰ শিপা যিমানেই গভীৰ হয়, সমৰ্পণৰ পৰিমাণ সিমানেই বৃদ্ধি পায়।

মানৱ মনৰ গভীৰতাত বাস কৰা আৱেগবোৰৰ ভিতৰত সমৰ্পণ হৈছে আটাইতকৈ জটিল আৰু পৱিত্ৰ। নাৰীৰ জীৱনচক্ৰৰ প্ৰতিটো পৰ্যায়ত সমৰ্পণৰ এক অনন্য ৰূপ দেখা যায়। শিশু অৱস্থাত পিতৃ-মাতৃৰ প্ৰতি, যৌৱনত প্ৰেমৰ প্ৰতি আৰু পৰৱৰ্তী জীৱনত পৰিয়ালৰ প্ৰতি তাইৰ সমৰ্পণৰ ধাৰা একেই থাকে। কিন্তু প্ৰশ্ন হয়, এই সমৰ্পণৰ অন্তৰালত থকা মূল চালিকা শক্তি কি? ইয়াক আমি কেৱল আৱেগ বুলি ক'লে ভুল কৰা হ'ব। এয়া হৈছে এক প্ৰকাৰৰ অন্তৰ্নিহিত আত্মিক শক্তি। এগৰাকী নাৰীয়ে যেতিয়া নিজৰ সৰ্বস্ব সঁপি দিয়ে, তেতিয়া তাইৰ স্বকীয়তা লুপ্ত নহয়, আচলতে এয়া এক নতুন মাত্ৰাহে লাভ কৰে। নাৰীৰ এই সমৰ্পণত থাকে এক অটল প্ৰতিশ্ৰুতি, যিটো প্ৰতিকূল পৰিস্থিতিতো সদায়েই অটল হৈ ৰয়।

পুৰুষৰ দৃষ্টিত নাৰীৰ সমৰ্পণ প্ৰায়েই এক প্ৰাপ্তি হিচাপে বিবেচিত হয়; কিন্তু দৰাচলতে এয়া হৈছে এক বিশাল দায়িত্বৰ নামান্তৰ। যেতিয়া কোনো পুৰুষে নাৰীৰ এই ত্যাগক উপলুঙা কৰে বা ইয়াক তুচ্ছজ্ঞান কৰে, তেতিয়াই সম্পৰ্কৰ সৌন্দৰ্য ম্লান পৰিবলৈ ধৰে। নাৰীৰ হৃদয় কোনো যুদ্ধক্ষেত্ৰ নহয় যে তাক কোনো প্ৰভাৱ বিস্তাৰ কৰি নিজৰ অধীন কৰিব পাৰি। কোনো ভয় প্ৰদৰ্শন কৰি যি হৃদয় জয় কৰিবলৈ বিচৰা হয়, সি এক বিভ্ৰান্তি হৈ ৰয়। কাৰণ নাৰীৰ শৰীৰতকৈও বহুগুণে গভীৰ তেওঁৰ আত্মা। এই আত্মাই ঠিক কৰে যে তেওঁ কাৰ ওচৰত নিজৰ হৃদয়ৰ দুৱাৰ মুকলি কৰিব। যেতিয়া কোনো পুৰুষে নাৰীৰ এই বিশালতা বুজিবলৈ চেষ্টা কৰে, তেতিয়াই সম্পৰ্কৰ মাজত আচল বুজাবুজি গঢ় লৈ উঠে।

প্ৰেমৰ ব্যাকৰণত সমৰ্পণৰ কোনো সুনিৰ্দিষ্ট সংজ্ঞা নাই। ই অনুভৱৰ সেই উচ্চতম শিখৰ, য'ত তৰ্ক বা যুক্তিৰ স্থান অতি সীমিত। নাৰীৰ প্ৰেমৰ ভাষাৰ শব্দ খুব কম; কিন্তু ইয়াৰ গভীৰতা বিশাল। তেওঁ কোনো নাটকীয় প্ৰকাশতকৈ আপোনাৰ প্ৰতি থকা চকুৰ বিশ্বাস আৰু নিসংকোচে প্ৰকাশ কৰা মৃদু হাঁহিবোৰৰ দ্বাৰাই নিজৰ অকৃত্ৰিম প্ৰেম প্ৰমাণ কৰে। এই প্ৰেমৰ নিদৰ্শন অতি সূক্ষ্ম, যাক কেৱল এজন সংবেদনশীল পুৰুষেহে উপলব্ধি কৰিব পাৰে। যি পুৰুষে নাৰীৰ মৌনতাৰ মাজত লুকাই থকা ভাষা পঢ়িবলৈ শিকিব, তেওঁৰ জীৱনলৈ এক স্বৰ্গীয় শান্তি নামি আহিব।

নাৰীৰ সমৰ্পণক সমাজত সততে ভুলকৈ ব্যাখ্যা কৰা হয়। বহুক্ষেত্ৰত ইয়াক নাৰীৰ পৰাধীনতাৰ নিদৰ্শন বুলি কোৱা হয়; কিন্তু এয়া আচলতে এক সম্পূৰ্ণ ভুল ধাৰণা। সমৰ্পণ হৈছে এক সাহসী সিদ্ধান্ত। নিজৰ আশা, ভৱিষ্যতৰ সপোন আৰু অতীতৰ স্মৃতিবোৰ এজন ব্যক্তিৰ হাতত সঁপি দিয়াটো যিকোনো মানুহৰ বাবে এক ডাঙৰ পদক্ষেপ। নাৰীয়ে এই সাহস কৰে, কাৰণ নাৰী প্ৰেমত বিশ্বাসী। নাৰীয়ে জানে যে বিশ্বাস অবিহনে কোনো সম্পৰ্কই স্থায়িত্ব লাভ কৰিব নোৱাৰে। এই বিশ্বাসৰ ভেটি কেতিয়াবা অৰ্ধনিৰ্মিত হৈ ৰয়, যদি সংগীজনে তাক গুৰুত্বসহকাৰে নলয়।

সম্পৰ্কৰ অলি-গলিত জমা হোৱা অভিমানবোৰক হেঁচা বা বোজা হিচাপে গণ্য নকৰি, সেই আৱেগক বুজি পোৱাটোহে সংগীৰ প্ৰকৃত দায়িত্ব। নাৰীৰ এই আৱেগিক দিশটো হৈছে নাৰীৰ চৰিত্ৰৰ এক প্ৰবল শক্তি। নাৰীৰ সৈতে পাৰ কৰা প্ৰতিটো মুহূৰ্তৰ মূল্য বুজি পোৱা মানেই সম্পৰ্কৰ সৌন্দৰ্যক গ্ৰহণ কৰা। যি পুৰুষে নাৰীৰ মনৰ কোণত থকা শংকা আৰু আশাৰ কথা শুনিবলৈ সময় উলিয়ায়, তেওঁৰ বাবে নাৰীৰ হৃদয়খন সদায় এখন খোলা কিতাপৰ দৰে হৈ থাকে। এই খোলা কিতাপৰ প্ৰতিটো পাতত লিখা থাকে নাৰীৰ সমৰ্পণৰ কাহিনী, য'ত প্ৰতিটো আখৰেই বিশ্বাসৰ ওপৰত নিৰ্ভৰশীল।

পুৰুষে সদায় মনত ৰখা উচিত যে নাৰীৰ সমৰ্পণৰ অৰ্থ নিজৰ স্বকীয়তা বিসৰ্জন দিয়া নহয়। ই

প্ৰেম বৈষ্ণৱ

হৈছে এটা সম্পৰ্কত দুজন মানুহৰ একাত্ম হোৱাৰ প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াত কোনো এজনৰ ওপৰত আনজনে প্ৰভুত্ব বিস্তাৰ কৰিবলগীয়া আৱশ্যকতা নাই। যেতিয়া দুয়োজনে সমান মৰ্যাদাৰে এটা লক্ষ্যৰ ফালে আগবাঢ়ে, তেতিয়া জীৱনৰ পথ সুগম হৈ পৰে। নাৰীৰ হৃদয়ৰ দু�ৱাৰ মুকলি হোৱাৰ বাবে এক নিৰাপদ পৰিৱেশৰ প্ৰয়োজন। এই পৰিৱেশ সৃষ্টি কৰাটো পুৰুষৰ নৈতিক দায়িত্ব। যি পুৰুষে নাৰীক সুৰক্ষা দিব জানে, সেই পুৰুষৰ প্ৰতি নাৰীৰ সমৰ্পণ কেতিয়াও খণ্ডিত নহয়।

নাৰীৰ সমৰ্পণক লৈ চলি অহা সামাজিক ধাৰণাসমূহক পুনৰ্বিবেচনা কৰাৰ সময় উপস্থিত হৈছে। আমাৰ সমাজ ব্যৱস্থাত নাৰীৰ ত্যাগ আৰু সমৰ্পণক পৰম্পৰাৰ অংশ হিচাপে ধৰি লৈ অনেক সময়ত তাক লঘু কৰি দেখুওৱা হয়। কিন্তু এটা সুস্থ আৰু সবল সম্পৰ্কত সমৰ্পণ কোনো একপক্ষীয় কৰ্তব্য নহয়, ৰৱং ই এক পাৰস্পৰিক বুজাবুজিৰ নিৰ্যাস। যেতিয়া এজন পুৰুষে নাৰীৰ এই ত্যাগক এক অৱদান হিচাপে স্বীকৃতি দিয়ে, তেতিয়াই সম্পৰ্কৰ প্ৰকৃত অৰ্থ প্ৰস্ফুটিত হয়। সমাজৰ দৃষ্টিভংগীৰ পৰিৱৰ্তন হ'লেহে নাৰীৰ সমৰ্পণৰ আচল মূল্য পুৰুষে উপলব্ধি কৰিবলৈ সমৰ্থ হ'ব।

প্ৰতিটো সামাজিক বান্ধোনৰ অন্তৰালত একোটা নীৰৱ প্ৰতিশ্ৰুতি থাকে। এই প্ৰতিশ্ৰুতি কেৱল আইনী বা সামাজিক নহয়, এয়া হৈছে হৃদয়ৰ এখন অলিখিত চুক্তিনামা। এগৰাকী নাৰীয়ে যেতিয়া সম্পৰ্কৰ বাবে নিজৰ ভৱিষ্যতৰ পৰিকল্পনা সলনি কৰে, তেতিয়া তেওঁ সেই প্ৰতিশ্ৰুতিৰ ওপৰত ভিত্তি কৰিয়েই জীৱনৰ পথ নিৰ্ধাৰণ কৰে। পুৰুষ এজনে যদি এই প্ৰতিশ্ৰুতিৰ গুৰুত্ব অনুভৱ কৰিব নোৱাৰে, তেন্তে সম্পৰ্কটোৱে এক আৱেগিক শূন্যতাৰ দিশে গতি কৰে। নাৰীৰ বাবে প্ৰতিশ্ৰুতি মানে কেৱল এটা শব্দ নহয়, এয়া আচলতে নাৰীৰ বিশ্বাসৰ এক অটল আধাৰ। এই আধাৰত কোনো ফাট মেলিলে সম্পৰ্কৰ সৌন্দৰ্য হেৰাই যায়।

সম্পৰ্কত অধিকাৰ সাব্যস্ত কৰাটো প্ৰকৃতিৰ এক সহজাত প্ৰবৃত্তি হ'ব পাৰে; কিন্তু সেই অধিকাৰৰ প্ৰয়োগত নাৰীৰ ব্যক্তিত্বক লঘু কৰা অনুচিত। ইতিহাসৰ পাত লুটিয়ালে দেখা যায় যে নাৰীৰ ত্যাগৰ অবিহনে কোনো সভ্যতা বা পৰিয়াল স্থায়িত্ব লাভ কৰিব পৰা নাই। তথাপি আধুনিক যুগত আমি দেখিছো যে কিছুমান পুৰুষে সমৰ্পণক নিজৰ ক্ষমতাৰ চাবিকাঠী বুলি ভাবে। এই মানসিকতাই সম্পৰ্কক এক যন্ত্ৰণাদায়ক অৱস্থালৈ লৈ যায়। নাৰীৰ হৃদয়ৰ মণিকোঠাত স্থান পাবলৈ হ'লে দৰকাৰ হয় বুজাবুজিৰ এখন বিশাল পৃথিৱী। সেই পৃথিৱীত শাসনৰ কোনো স্থান নাই, তাত আছে কেৱল আদৰ আৰু সন্মানৰ সহবাস।

আমি অৱশ্যে পাহৰি যাব নালাগে যে নাৰীৰ সমৰ্পণৰ মাজত এক স্বতন্ত্ৰ স্বকীয়তা থাকে। নাৰীয়ে যিমান বেছি সুৰক্ষিত অনুভৱ কৰিব, সিমানেই তেওঁ নিজৰ মনৰ দুৱাৰ মুকলি কৰি দিব। এই দুৱাৰ মুকলি হোৱাটো পুৰুষৰ বাবে কেৱল এক প্ৰাপ্তি নহয়, এয়া হৈছে এক বিশাল দায়িত্ব। নাৰীৰ চকুৰ ভাষা, হাঁহিৰ আঁৰত থকা অৱক্ষয় আৰু মৌনতাৰ মাজত লুকাই থকা যন্ত্ৰণাবোৰ পঢ়িবলৈ শিকিলে পুৰুষে বুজি পাব যে নাৰীৰ সমৰ্পণ কেৱল প্ৰেমৰ বহিঃপ্ৰকাশ নহয়, এয়া হৈছে এক অটল ভাৰসা। সেই ভাৰসাৰ মূল্য কেতিয়াও সাময়িক আৱেগৰে পৰিশোধ কৰিব নোৱাৰে।

পৰিয়ালৰ জৰিয়তে সমাজ গঢ় লৈ উঠে আৰু পৰিয়ালৰ মূল ভিত্তি হৈছে স্বামী-স্ত্ৰীৰ মাজৰ বিশ্বাস। নাৰীয়ে যেতিয়া নিজৰ সুখক পৰিয়ালৰ বাবে উছৰ্গা কৰে, তেতিয়া সেই সমৰ্পণ সমাজৰ কাৰণে এক আৱেগিক পুঁজি হিচাপে গণ্য হয়। কিন্তু এই পুঁজিৰ সঠিক ব্যৱহাৰ নহ'লে সমাজখন খহিবলৈ আৰম্ভ কৰে। আধুনিক সমাজত নাৰীৰ সমৰ্পণক তেওঁৰ দুৰ্বলতা হিচাপে নহয়, এক শক্তি হিচাপে ল'বলৈ আমি সকলোৱে শিকিব লাগিব। এগৰাকী নাৰীয়ে যেতিয়া কোনো এজনক সংগী হিচাপে বাছি লয়, তেতিয়া তেওঁৰ পৃথিৱীখন সেইজনৰ চাৰিওফালে ঘূৰিবলৈ ধৰে। এই গুৰুত্বটো পুৰুষে বুজিবলৈ চেষ্টা কৰিব লাগে।

সম্পৰ্কৰ অলি-গলিত বহুতো সংঘাত হয়; কিন্তু সেই সংঘাতবোৰ সমাধান কৰাৰ পথত অহংবোধ আহি পৰিলে সম্পৰ্কৰ অৱসান ঘটে। নাৰীৰ সমৰ্পণক যদি পুৰুষে নিজৰ অহংবোধৰ আহিলা কৰি লয়, তেন্তে সেই প্ৰেমত কোনো পৱিত্ৰতা নাথাকে। সকলো নাৰীয়ে আশা কৰে যে সংগীজনে তেওঁৰ আৱেগিক প্ৰয়োজনীয়তাৰ কথা বুজি পাব। কেতিয়াবা এটা সৰু হাঁহি বা এটা সৰু কথাৰ মাধ্যমেৰে তেওঁক যিমান শান্তি দিব পাৰি, সি হাজাৰটা আড়ম্বৰপূৰ্ণ উপহাৰতকৈও ডাঙৰ। এই সূক্ষ্ম অনুভূতিবোৰৰ বুজ ল'ব পৰাটোহে পুৰুষৰ আচল দক্ষতা।

অতীতৰ স্মৃতি আৰু ভৱিষ্যতৰ সপোন —এই দুয়োটা দিশ নাৰীৰ সমৰ্পণৰ সৈতে জড়িত। নাৰীয়ে যেতিয়া নিজৰ অতীতক পুৰুষজনৰ আগত দাঙি ধৰে, তেতিয়া তেওঁ প্ৰকৃততে নিজৰ আত্মাৰ এক অংশ তেওঁক সঁপি দিয়ে। এই সমৰ্পণক পুৰুষে অতি গম্ভীৰতাৰে ল'ব লাগে। ইয়াৰ অৰ্থ এইটো নহয় যে পুৰুষে নাৰীৰ ওপৰত আধিপত্য বিস্তাৰ কৰিব। ইয়াৰ অৰ্থ হ'ল, তেওঁ সেই বিশ্বাসৰ হাতখন জীৱনৰ শেষলৈকে ধৰি ৰাখিব। যি পুৰুষে এই বিশ্বাসৰ মৰ্যাদা ৰক্ষা কৰিব পাৰে, তেওঁৰ সংসাৰত সুখৰ অভাৱ নহয়।

নাৰীৰ সমৰ্পণৰ ধাৰণাটো দৰাচলতে এক মহৎ উপলব্ধি। যিদিনা আমি এই সত্যটো গ্ৰহণ কৰিবলৈ শিকিম যে নাৰীৰ সমৰ্পণ কোনো বস্তুগত

■ ১০ পৃষ্ঠাত

চতুর্থ পৃষ্ঠাৰ পৰা ঃ — ড্ৰাগছমুক্ত যুৱপ্ৰজন্মৰ

সমবয়সীয়াসকলে প্ৰস্তুত কৰা প্ৰামাণিক আৰু সম্পৰ্কীয় সমলৰ দ্বাৰা বেছি প্ৰভাৱিত হয়।

ভাৰতীয় উপমহাদেশত পৰম্পৰাগত আৰু কৃত্ৰিম নিচাজাতীয় দ্ৰব্যৰ উদ্বেগজনক প্ৰসাৰৰ পৰিপ্ৰেক্ষিতত এই সৃষ্টিশীল প্ৰচেষ্টাৰ জৰুৰী প্ৰয়োজনীয়তা আৰু বৃদ্ধি পাইছে। গোলকীয় প্ৰেক্ষাপটত ভাৰতৰ ভৌগোলিক অৱস্থানে ইয়াক আন্তঃৰাষ্ট্ৰীয় ড্ৰাগছ সৰবৰাহকাৰী চক্ৰৰ বাবে এক প্ৰধান ট্ৰেনজিট ৰুট হিচাপে পৰিগণিত কৰিছে। অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহ এইক্ষেত্ৰত বিশেষভাৱে স্পৰ্শকাতৰ, কিয়নো ম্যানমাৰৰ পৰা অহা ড্ৰাগছ মিজোৰাম আৰু মণিপুৰ হৈ অসমৰ মাজেৰে দেশৰ আন প্ৰান্তলৈ সৰবৰাহ হয়। অসমৰ মুখ্য মন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মায়ো প্ৰধান মন্ত্ৰীৰ এই আহ্বানৰ প্ৰতি সঁহাৰি জনাই ৰাজ্যখনত ড্ৰাগছৰ বিৰুদ্ধে চলি থকা ধাৰাবাহিক অভিযানৰ কথা উল্লেখ কৰিছে। ২০২১ চনৰ পৰা অসম আৰক্ষীয়ে ৩,২৫৩ কোটি টকাৰো অধিক মূল্যৰ ড্ৰাগছ জব্দ কৰাৰ লগতে ২৬,৫০০ ৰো অধিক অপৰাধীক গ্ৰেপ্তাৰ কৰিছে, যিয়ে এই সমস্যাৰ ভয়াৱহতা প্ৰমাণ কৰে। বৰ্তমান ভাৰত কেৱল এটা ট্ৰেনজিট হাব হৈ থকা নাই, বৰঞ্চ ই এক বিশাল গ্ৰাহক বজাৰলৈ পৰিণত হৈছে। ডাৰ্কৱেব আৰু গোপন নেটৱৰ্কৰ জৰিয়তে সৰবৰাহ হোৱা উচ্চ মাত্ৰাৰ নিচাজাতীয় দ্ৰব্যৰ আগমনে জনস্বাস্থ্যৰ প্ৰতি এক অভূতপূৰ্ব ভাবুকি কঢ়িয়াই আনিছে। নাৰ্কটিক্স কণ্ট্ৰ'ল ব্যুৰ'ৰ দৰে আইন প্ৰয়োগকাৰী সংস্থাসমূহে বৃহৎ পৰিমাণৰ ড্ৰাগছ জব্দ কৰি সৰবৰাহকাৰী চক্ৰসমূহ উৎখাত কৰিবলৈ অভিযান তীব্ৰতৰ কৰিছে। কিন্তু প্ৰধান মন্ত্ৰীয়ে সঠিকভাৱেই আঙুলিয়াই দিছে যে কেৱল যোগান হ্ৰাস কৰিলেই নহ'ব, ইয়াৰ লগতে ড্ৰাগছৰ চাহিদা হ্ৰাস কৰাৰ বাবেও আক্ৰমণাত্মক ৰণনীতি গ্ৰহণ কৰিব লাগিব। সজাগতা আৰু প্ৰতিৰোধমূলক শিক্ষাৰ জৰিয়তে যদি সমাজত ড্ৰাগছৰ প্ৰতি থকা আসক্তি পৰিকল্পিতভাৱে হ্ৰাস কৰা নহয়, তেন্তে অবৈধ বজাৰখনে দুৰ্বল সম্প্ৰদায়সমূহৰ মাজত প্ৰৱেশ কৰাৰ নতুন পথ বিচাৰি উলিয়াব। এই ব্যাপক ৰণনীতিক শক্তিশালী কৰাৰ বাবে চৰকাৰে শেহতীয়াকৈ 'মানস' (MANAS) হেল্পলাইনকে ধৰি গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠানগত সহায়ক ব্যৱস্থাসমূহ আ�ৰম্ভ কৰিছে। ১৯৩৩ নম্বৰৰ টোল-ফ্ৰী ৰাষ্ট্ৰীয় নাৰ্কটিক্স হেল্পলাইনে ড্ৰাগছৰ বিৰুদ্ধে যুঁজত এক গুৰুত্বপূৰ্ণ প্ৰযুক্তিগত ঢাল হিচাপে কাম কৰিছে। মানস হেল্পলাইনে ডিজিটেল ইণ্ডিয়াৰ দৃষ্টিভংগীক ড্ৰাগছমুক্ত ভাৰতৰ লক্ষ্যৰ লগত সুন্দৰভাৱে সংযোজিত কৰিছে, যিয়ে নাগৰিকসকলক অবৈধ সৰবৰাহৰ বিষয়ে খবৰ দিবলৈ এক সুৰক্ষিত আৰু গোপনীয় প্লেটফৰ্ম প্ৰদান কৰে। তাতোকৈ ডাঙৰ কথাটো হ'ল, ই নিচাগ্ৰস্ত ব্যক্তিসকলৰ বাবে এক সহানুভূতিশীল জীৱনৰেখা হিচাপে কাম কৰে আৰু তেওঁলোকক প্ৰয়োজনীয় পৰামৰ্শ তথা পুনৰ সংস্থাপন সেৱাৰ লগত সংযোগ কৰে। সহায় আৰু তথ্যৰ সুবিধা গণতান্ত্ৰিকীকৰণ কৰাৰ জৰিয়তে মানস প'ৰ্টেলে সাধাৰণ নাগৰিকক ড্ৰাগছৰ বিৰুদ্ধে যুদ্ধত নীৰৱ দৰ্শকৰ পৰা সক্ৰিয় অংশগ্ৰহণকাৰীলৈ ৰূপান্তৰিত হোৱাত সহায় কৰিছে। প্ৰধান মন্ত্ৰীয়ে তেওঁৰ ৰাষ্ট্ৰীয় ভাষণসমূহত এই গাঁথনিগত সহায়ক ব্যৱস্থাসমূহৰ ওপৰত দিয়া গুৰুত্বই সুনিশ্চিত কৰে যে ড্ৰাগছমুক্ত যুৱপ্ৰজন্মৰ বাবে কৰা আহ্বান কেৱল কথাত আবদ্ধ নাথাকি বাস্তৱ পৃথিৱীত পুনৰুদ্ধাৰ আৰু প্ৰতিৰোধৰ সুবিধা প্ৰদান কৰা স্পৰ্শযোগ্য আৰু সুলভ সম্পদৰ দ্বাৰা সমৰ্থিত। ২০৪৭ চনৰ ভিতৰত এখন 'বিকশিত ভাৰত' গঢ়ি তোলাৰ বহল দৃষ্টিভংগীৰ সৈতে 'নিচামুক্ত ভাৰত অভিযান'ক একত্ৰিত কৰাটোৱে এই অভিযানৰ দীৰ্ঘম্যাদী আৰ্থ-সামাজিক গুৰুত্ব প্ৰতিফলিত কৰে। গোলকীয় অৰ্থনৈতিক শ্ৰেষ্ঠত্ব আৰু প্ৰযুক্তিগত নেতৃত্বৰ বাবে প্ৰয়াস কৰা এখন দেশক এনে এক কৰ্মবাহিনীৰ প্ৰয়োজন যি কেৱল উচ্চ দক্ষতাসম্পন্নই নহয়, শাৰীৰিক আৰু মানসিকভাৱেও সুস্থ। ড্ৰাগছ সেৱনৰ লগত জড়িত বৌদ্ধিক অৱনতি, অনুপ্ৰেৰণাৰ অভাৱ আৰু দীৰ্ঘদিনীয়া স্বাস্থ্যজনিত সমস্যাই লাখ লাখ যুৱ ভাৰতীয়ৰ শৈক্ষিক আৰু বৃত্তিমূলক যাত্ৰাক প্ৰত্যক্ষভাৱে বাধাগ্ৰস্ত কৰে। ড্ৰাগছৰ বিৰুদ্ধে নিৰ্ণায়ক যুদ্ধ ঘোষণা কৰি চৰকাৰে মূলতঃ দেশৰ আটাইতকৈ মূল্যৱান অৰ্থনৈতিক সম্পদ অৰ্থাৎ মানৱ মূলধনক সুৰক্ষা প্ৰদান কৰিছে। আগন্তুক দশকবোৰত ভাৰতে যি আৰ্থ-সামাজিক লাভালাভ অৰ্জন কৰাৰ আশা কৰিছে, সেয়া সম্পূৰ্ণৰূপে যুৱপ্ৰজন্মৰ শক্তি আৰু সামৰ্থ্যৰ ওপৰত নিৰ্ভৰশীল। সেয়েহে ড্ৰাগছৰ নিৰ্মূলক ৰাষ্ট্ৰীয় উন্নয়নৰ এক মৌলিক পূৰ্বচৰ্ত হিচাপে উপস্থাপন কৰাটো নীতিগত যোগাযোগৰ এক উৎকৃষ্ট নিদৰ্শন, যিয়ে ব্যক্তিগত কল্যাণক দেশপ্ৰেম আৰু ৰাষ্ট্ৰীয় প্ৰগতিৰ সৈতে একাকাৰ কৰিছে।

নিচাযুক্ত দ্ৰব্যৰ অপব্যৱহাৰৰ বিৰুদ্ধে যুঁজখন ভাৰতৰ সামাজিক স্থিতিস্থাপকতা আৰু নৈতিক শক্তিৰ এক নিৰ্ণায়ক পৰীক্ষা। মন কী বাত অনুষ্ঠানত প্ৰধান মন্ত্ৰী মোডীৰ আৱেগিক আহ্বানে আমাক সোঁৱৰাই দিয়ে যে কেৱল চৰকাৰে অকলে এই গভীৰভাৱে শিপাই থকা সমস্যাটো নিৰ্মূল কৰিব নোৱাৰে। ইয়াৰ বাবে প্ৰয়োজন সচেতন পিতৃ-মাতৃ, নিষ্ঠাৱান শিক্ষক, সক্ৰিয় আইন প্ৰয়োগকাৰী পেছাদাৰী আৰু সৃষ্টিশীলভাৱে নিয়োজিত যুৱপ্ৰজন্মৰ সমন্বিত প্ৰচেষ্টা। দেশে স্বাধীনতাৰ শতবাৰ্ষিকীৰ দিশে আত্মবিশ্বাসেৰে আগবাঢ়ি যোৱাৰ সময়ত, যুৱমনবোৰে ড্ৰাগছৰ বিষাক্ত আকৰ্ষণৰ পৰা সম্পূৰ্ণৰূপে মুক্ত হৈ বিকশিত হ'ব পৰা এক পৰিৱেশ গঢ়ি তোলাটো অত্যন্ত আৱশ্যক। ইয়াৰ উপৰি গ্ৰামাঞ্চল আৰু নগৰাঞ্চলত পুনৰ সংস্থাপন নেটৱৰ্ক ক্ৰমাগতভাৱে সম্প্ৰসাৰণ কৰিবলৈ ৰাজ্য চৰকাৰসমূহে বেচৰকাৰী সংস্থাসমূহৰ সৈতে সক্ৰিয়ভাৱে সহযোগিতা কৰিব লাগিব। নিচামুক্ত যুৱ অভিযানৰ চূড়ান্ত সফলতা কেৱল জব্দ কৰা অবৈধ ড্ৰাগছৰ পৰিমাণৰ দ্বাৰাই জোখা নহ'ব, বৰঞ্চ সফলতাৰে উদ্ধাৰ কৰা অগণন যুৱক-যুৱতীৰ জীৱনৰ দ্বাৰাহে ই নিৰ্ধাৰিত হ'ব। তেওঁলোকক পুনৰ সংস্থাপিত কৰি ৰাষ্ট্ৰ নিৰ্মাণৰ গঠনমূলক কামত নিয়োজিত কৰিব লাগিব, যাতে ভাৰতে ইয়াৰ সৰ্বাংগীণ উন্নয়নৰ দৃষ্টিভংগী বাস্তৱায়িত কৰিব পাৰে। এই যুঁজত প্ৰতিটো প্ৰচেষ্টাই একোটা পৰিয়ালক সুৰক্ষা দিয়াৰ লগতে দেশৰ ভৱিষ্যতক সুৰক্ষিত কৰিব। ■

পঞ্চম পৃষ্ঠাৰ পৰা ঃ — বিশ্ব অৰ্থনীতিত অসমৰ

ই আমাৰ গ্ৰাম্য অৰ্থনীতিৰো অতি শক্তিশালী মেৰুদণ্ড। কাৰণ অসমৰ বেছিভাগ থলুৱা উৎপাদন গ্ৰাম্য অঞ্চলত কেন্দ্ৰীভূত আৰু ইয়াৰ সৈতে সমাজৰ বৃহৎ সংখ্যক বঞ্চিত তথা অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ লোক জড়িত হৈ থাকে, বিশেষকৈ মহিলাসকল। পৰম্পৰাগত বয়ন, মৃৎ আৰু কুটিৰ শিল্পৰ জৰিয়তে গাঁৱৰ অগণন মহিলাই ঘৰুৱা কামৰ আজৰি সময়ত স্বাৱলম্বী হোৱাৰ এক সুন্দৰ সুযোগ লাভ কৰিছে। যেতিয়া এই থলুৱা সামগ্ৰীসমূহ আন্তঃৰাষ্ট্ৰীয় বজাৰত উচ্চ মূল্যত বিক্ৰী হয়, তেতিয়া তাৰ লাভাংশই পোনপটীয়াভাৱে আমাৰ গ্ৰাম্য অৰ্থনীতিলৈ এক অভূতপূৰ্ব জো�ৱাৰ আনি দিয়ে। ইয়াৰ ফলত গ্ৰাম্য অঞ্চলৰ পৰা কৰ্মসংস্থাপনৰ সন্ধানত চহৰলৈ হ'ব পৰা ব্যাপক প্ৰব্ৰজন ৰোধ হয় আৰু গাঁৱৰ সাধাৰণ মানুহৰ অৰ্থনৈতিক তথা জীৱন ধাৰণৰ মানদণ্ড বহুখিনি উন্নত হয়।

কোনো নিৰ্দিষ্ট ভৌগোলিক অঞ্চলৰ অনন্য থলুৱা উৎপাদনক আইনী সুৰক্ষা দিবলৈ আৰু বিশ্ব বজাৰত তাৰ সুকীয়া ব্ৰেণ্ড বা পৰিচয় গঢ়িবলৈ 'ভৌগোলিক স্বীকৃতি' এক অপৰিহাৰ্য আৰু শক্তিশালী সঁজুলি। যেতিয়া এটা থলুৱা সামগ্ৰীয়ে এই আন্তঃৰাষ্ট্ৰীয় মান্যতাসম্পন্ন স্বীকৃতি লাভ কৰে, তেতিয়া তাৰ বিশ্বাসযোগ্যতা আৰু বাণিজ্যিক মূল্য বহু গুণ বৃদ্ধি পায়। ই বহুজাতিক প্ৰতিষ্ঠানসমূহৰ দ্বাৰা কৰা নকল সামগ্ৰীৰ ক্ৰমাগত প্ৰস্তুতকৰণ আৰু পাইৰেছি সম্পূৰ্ণৰূপে ৰোধ কৰে, যাৰ ফলত প্ৰকৃত কাৰিকৰজনৰ আইনী আৰু অৰ্থনৈতিক অধিকাৰ সুৰক্ষিত হয়। অসমৰ হস্তশিল্প, বস্ত্ৰ আৰু পৰম্পৰাগত খাদ্য সামগ্ৰীয়ে ইতিমধ্যেই বিশ্বদৰবাৰত নিজৰ স্থান সুদৃঢ় কৰিবলৈ কেইবাটাও গুৰুত্বপূৰ্ণ জি আই টেগ লাভ কৰিবলৈ সক্ষম হৈছে। এই তালিকাত অন্তৰ্ভুক্ত প্ৰধান থলুৱা শিল্পসমূহৰ ভিতৰত অন্যতম হৈছে অসমৰ মুগা ৰেচম, যাৰ সোণালী ৰং আৰু স্থায়িত্বৰ বাবে ই বিশ্বতে অনন্য। অসমীয়া সমাজ জীৱনৰ স্বাভিমানৰ প্ৰতীক হস্ততাঁত শিল্পৰ অনন্য সৃষ্টি অসমীয়া 'গামোচা' আৰু কুটিৰ শিল্প তথা পৰম্পৰাগত হস্তশিল্পৰ নিদৰ্শন অসমীয়া 'জাপি'য়ে ইতিমধ্যেই ভৌগোলিক স্বীকৃতি অৰ্জন কৰিছে। একেদৰে নৱবৈষ্ণৱ সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলীৰ সত্ৰীয়া পৰম্পৰাৰ অনন্য 'মাজুলীৰ মুখাশিল্প' আৰু 'মাজুলীৰ সাঁচিপাতৰ চিত্ৰশিল্প'ই গোলকীয় স্বীকৃতি লাভ কৰিছে। ইয়াৰ সমান্তৰালভাৱে ধুবুৰী জিলাৰ আশীৰকান্দিৰ পুৰুষানুক্ৰমিকঃ পোৱামাটিৰ শিল্পই হস্তশিল্প শ্ৰেণীত এই সন্মানীয় স্বীকৃতি অৰ্জন কৰিছে। এইসমূহৰ লগতে 'বোকা চাউল বা চকুৱা চাউল', 'কাজিনেমু' আৰু 'তেজপুৰৰ লিচু'ৰ দৰে থলুৱা উৎপাদনসমূহ আমাৰ কৃষি আৰু ঐতিহ্যৰ অনন্য পৰিচায়ক হৈ পৰিছে। অতি সম্প্ৰতি 'বাঁহ শিল্পই'ও গোলকীয় স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে।

ভৌগোলিক স্বীকৃতিৰ সমান্তৰালভাৱে, কেন্দ্ৰীয় চৰকাৰৰ 'এক জিলা এক উৎপাদক' আঁচনিয়েও অসমৰ থলুৱা হস্তশিল্পক গোলকীয় বাণিজ্যৰ এক সুকীয়া ব্ৰেণ্ড হিচাপে গঢ়ি তোলাত বিশেষ সহায় কৰিছে। এই আঁচনিৰ অধীনত অসমৰ বিভিন্ন জিলাৰ পৰম্পৰাগত সামগ্ৰীসমূহক (যেনে সৰ্থেবাৰীৰ কাঁহ-পিতল শিল্প, কামৰূপৰ হস্ততাঁত শিল্প আদি) বিশেষভাৱে চিহ্নিত কৰি সেইবোৰৰ উৎপাদন বৃদ্ধি, মানদণ্ডৰ উন্নয়ন আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰ সংযোগৰ বাবে চৰকাৰীভাৱে প্ৰয়াস কৰা হৈছে। ইয়াৰ ফলত এফালে যেনেকৈ থলুৱা সামগ্ৰীয়ে বিশ্ববজাৰত প্ৰৱেশৰ সহজ সুযোগ লাভ কৰিছে, আনফালে তেনেকৈ জিলা ভিত্তিত একোটা সুকীয়া বাণিজ্যিক পৰিচয় গঢ়ি উঠাতো সহায়ক হৈছে।

আন্তঃৰাষ্ট্ৰীয় বজাৰত অসমৰ হস্তশিল্পৰ স্থান ক্ৰমান্বয়ে আশাপ্ৰদ হৈ উঠিছে যদিও এই যাত্ৰা সম্পূৰ্ণ মসৃণ বা প্ৰত্যাহ্বানমুক্ত নহয়। আমাৰ থলুৱা উদ্যোগ খণ্ডই বৰ্তমান কেইবাটাও গুৰুতৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। প্ৰথমতে, গোলকীয় বজাৰৰ আধুনিক চাহিদা অনুযায়ী সামগ্ৰীৰ গুণগত মানদণ্ড সদায় একে ৰখাটো আৰু নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত বৃহৎ পৰিমাণৰ সামগ্ৰী যোগান ধৰাটো এটা ডাঙৰ সমস্যা, কাৰণ হাতেৰে সজা বস্তুৰ উৎপাদনৰ গতি স্বাভাৱিকতে অলপ লেহেমীয়া হয়। আমাৰ কাৰিকৰ আৰু শিপিনীসকল বৰ্তমান সময়ত বিভিন্ন গ্ৰাম্য অঞ্চলত সিঁচৰিত হৈ থকাৰ বাবে তেওঁলোকৰ মাজত এক সাংগঠনিক সংযোগৰ অভাৱ দেখা যায়। গোলকীয় বজাৰৰ বৃহৎ অৰ্ডাৰসমূহ নিৰ্দিষ্ট সময়ত যোগান ধৰিবলৈ হ'লে কাৰিকৰসকলক 'ক্ৰাফ্ট ক্লাষ্টাৰ' বা সমবায় ভিত্তিত একগোট কৰাটো অত্যন্ত জৰুৰী, যিটো আমাৰ ব্যৱস্থাত এতিয়াও চালুকীয়া অৱস্থাতে আছে। দ্বিতীয়তে, উন্নত দেশসমূহৰ পেকেজিং, বীজাণুমুক্তকৰণৰ প্ৰক্ৰিয়া আৰু আন্তঃৰাষ্ট্ৰীয় পৰিবহনৰ নিয়মসমূহ অত্যন্ত কঠোৰ হোৱাৰ বিপৰীতে আমাৰ গ্ৰাম্য কাৰিকৰসকল প্ৰায়ে এইবোৰ আধুনিক কাৰিকৰী কৌশল বা ৰপ্তানি নীতিৰ বিষয়ে অজ্ঞ। তৃতীয়তে, বাঁহ-বেতৰ ক্ৰমবৰ্ধমান হ্ৰাস বা মুগা লেটাৰ চৰা দামৰ বাবে কেঁচামাল সংগ্ৰহ কৰাটো কঠিন হৈ পৰিছে আৰু কাৰিকৰসকলৰ বাবে সহজ বেংক ঋণৰ অভাৱো এক অন্যতম প্ৰত্যাহ্বান হৈ দেখা দিছে। গতিকে, অসমৰ শিল্পক বিশ্ব দৰবাৰত স্থায়ী আৰু প্ৰতিযোগিতামূলক কৰি তুলিবলৈ হ'লে কাৰিকৰসকলক আধুনিক ডিজাইনৰ প্ৰশিক্ষণ, সহজ চৰকাৰী ঋণৰ সুবিধা, উন্নত কেঁচামালৰ যোগান আৰু শক্তিশালী চৰকাৰী-বেচৰকাৰী যৌথ পৃষ্ঠপোষকতাৰ অত্যন্ত প্ৰয়োজন। এই সকলোবোৰ প্ৰত্যাহ্বানৰ উপৰি, আন এক আশংকাজনক দিশ হৈছে পৰম্পৰাগত শিল্পৰ প্ৰতি থলুৱা যুৱ প্ৰজন্মৰ ক্ৰমবৰ্ধমান অনিচ্ছা বা উদাসীনতা। দীৰ্ঘম্যাদী আৰ্থিক নিৰাপত্তাৰ অভাৱ আৰু বিপণন ব্যৱস্থাৰ জটিলতাৰ বাবে নতুন প্ৰজন্মই এই পুৰুষানুক্ৰমিক শিল্পসমূহক স্থায়ী কেৰিয়াৰ বা জীৱিকা হিচাপে গ্ৰহণ কৰিবলৈ কুণ্ঠাবোধ কৰা দেখা গৈছে। এই সমস্যা দূৰ কৰিবলৈ হ'লে হস্তশিল্প খণ্ডক আধুনিক ফেশ্বন আৰু ডিজাইন ইনষ্টিটিউটসমূহৰ সৈতে সংযোগ কৰিব লাগিব। যেতিয়া আমাৰ থলুৱা শিল্পত আধুনিক ফিউজন বা নান্দনিক ডিজাইনৰ প্ৰয়োগ হ'ব, তেতিয়া ই যুৱ প্ৰজন্মৰ বাবে কেৱল আকৰ্ষণীয়ই নহয়, বৰঞ্চ এক লাভজনক আত্মসংস্থাপনৰ পথ হিচাপেও পৰিগণিত হ'ব। পৰিশেষত ক'ব পাৰি যে, সাম্প্ৰতিক একবিংশ শতিকাৰ বিশ্বত অসমৰ থলুৱা উৎপাদন আৰু হস্তশিল্প কেৱল অতীতৰ কোনো আৱেগিক সোঁৱৰণী বা সংগ্ৰহালয়ৰ কাঁচৰ বাকচত সজাই থোৱা ঐতিহ্যৰ বস্তু হৈ থকা নাই। বৰঞ্চ ই এক অসীম সম্ভাৱনাপূৰ্ণ, প্ৰদূষণমুক্ত আৰু লাভজনক বৃহৎ সেউজ উদ্যোগলৈ ৰূপান্তৰিত হৈছে। গোলকীয় গ্ৰাহকে এতিয়া অসমৰ গ্ৰাম্য শিপিনীৰ হাতৰ আপুৰুগীয়া যাদু, ধৈর্য আৰু আন্তৰিকতাক উচিত সন্মান জনাবলৈ শিকিছে। এই যোগাত্মক ধাৰাটোক ভৱিষ্যতলৈ আৰু অধিক গতিশীল তথা ফলপ্ৰসূ কৰিবলৈ হ'লে আমাৰ পৰম্পৰাগত প্ৰাচীন জ্ঞানৰ সৈতে আধুনিক গোলকীয় বজাৰৰ গভীৰ গৱেষণা আৰু বিপণন কৌশলৰ এক নিবিড় সংযোগ ঘটাব লাগিব। চৰকাৰ, ৰপ্তানি উন্নয়ন পৰিষদ, বেচৰকাৰী উদ্যোগী সংস্থা আৰু সজাগ সমাজৰ সন্মিলিত প্ৰচেষ্টাৰ জৰিয়তেহে আমাৰ পুৰুষানুক্ৰমিক থলুৱা হস্তশিল্পই আন্তঃৰাষ্ট্ৰীয় বজাৰত লাভ কৰা এই গৌৰৱোজ্জ্বল স্থানক স্থায়ীভাৱে ধৰি ৰাখিব পাৰিব আৰু অনাগত দিনত সমগ্ৰ বিশ্বতে অসমৰ অৰ্থনৈতিক তথা সাংস্কৃতিক ধ্বজ্জা উৰুৱাবলৈ সক্ষম হব। ■

অষ্টম পৃষ্ঠাৰ পৰা ঃ —

এক আধ্যাত্মিক

প্ৰাপ্তি নহয়, তেতিয়াই আমি সম্পৰ্কৰ উচ্চতৰ শিখৰত উপনীত হ'ম। যি পুৰুষে নিজৰ সংগীৰ সমৰ্পণক অৱহেলা কৰে, তেওঁ প্ৰকৃততে নিজৰ জীৱনৰ আটাইতকৈ ডাঙৰ সম্পদটো হেৰুৱাই পেলায়। আমাৰ সামাজিক প্ৰেক্ষাপটত নাৰীৰ এই ত্যাগক এক অংগীকাৰ হিচাপে চাবলৈ আমি সকলোৱে প্ৰস্তুত হ'ব লাগিব। কেৱল তেতিয়াই নাৰী আৰু পুৰুষৰ মাজৰ সম্পৰ্ক এক সুন্দৰ আৰু পৱিত্ৰ বন্ধন হৈ জীয়াই থাকিব।

নাৰীক কোনো বস্তু বা সম্পত্তি হিচাপে গণ্য কৰা অনুচিত। নাৰী জয় কৰাৰ পাত্ৰ নহয়, বৰঞ্চ আদৰ আৰু সন্মানৰে হৃদয়ত ৰাখিবলগীয়া এক সুন্দৰ অনুভূতিহে। যিদিনা এগৰাকী নাৰীয়ে নিজৰ ইচ্ছাত আপোনাৰ বাবে অন্তৰৰ দুৱাৰ মেলি দিয়ে, মনত ৰাখিব সেইদিনা আপুনি পৃথিৱীৰ আটাইতকৈ মূল্যৱান সম্পদটো অৰ্থাৎ তাইৰ অকৃত্ৰিম বিশ্বাস আৰু নিঃচৰ্ত সমৰ্পণ লাভ ক�ৰিলে। এই সম্পদটো ধৰি ৰখাৰ বাবে প্ৰয়োজন হয় অপৰিসীম সংবেদনশীলতা আৰু দায়িত্ববোধৰ। যাৰ অন্তৰত নাৰীৰ প্ৰতি গভীৰ শ্ৰদ্ধা থাকে, তেওঁহে এই অমূল্য উপহাৰৰ আচল মহত্ত্ব বুজিব পাৰে। আমাৰ সমাজ ব্যৱস্থাত নাৰীৰ ত্যাগত যি বিশালতা থাকে, তাক আজিৰ দিনত নতুনকৈ সংজ্ঞায়িত কৰিব লাগিব। বিশ্বাসৰ ভেটি মজবুত হ'লে সকলো বাধা অতিক্ৰম কৰিব পৰা যায়।

সম্পৰ্কৰ যাত্ৰাপথত কেতিয়াবা ভুল বুজাবুজি হোৱাটো স্বাভাৱিক; কিন্তু বিশ্বাসৰ ভেটি মজবুত হ'লে সেইবোৰ তুচ্ছ হৈ পৰে। নাৰীৰ সমৰ্পণক পুৰুষে যেতিয়া এটা প্ৰাপ্তি হিচাপে নেদেখি, এক দায়িত্ব হিচাপে গ্ৰহণ কৰে, তেতিয়াই সেই সম্পৰ্ক এক মহৎ ৰূপ লয়। নাৰীৰ ভৱিষ্যতৰ সপোন আৰু অতীতৰ স্মৃতিৰ সৈতে নিজৰ সংসাৰৰ কল্পনা কৰাটোৱেই প্ৰকৃত সংগীৰ লক্ষণ। এই প্ৰক্ৰিয়াত কোনো পক্ষৰ হেঁচা নথকাটো অতিকৈ জৰুৰী। যিটো সম্পৰ্কত ভয়ৰ স্থান নাই, তাতেই প্ৰেমৰ ফুল ফুলে। প্ৰেম আৰু বিশ্বাসৰ সমন্বয় অবিহনে যিকোনো বন্ধন ভংগুৰ হৈ পৰে। নাৰীৰ সমৰ্পণক পুৰুষে এটা আৱেগিক সুৰক্ষা হিচাপে গ্ৰহণ কৰিলেহে দুয়োজনৰ জীৱন পৰিপূৰ্ণ হয়।

নাৰীৰ সকলোতকৈ ডাঙৰ অৰ্জন হৈছে বিশ্বাস আৰু সন্মানৰ ওপৰত থিয় দি থকা এক নিৰ্ভৰযোগ্য হাত। এগৰাকী নাৰীয়ে যেতিয়া নিজৰ সৰ্বস্ব সঁপি দিয়ে, তেতিয়া তেওঁ কোনো বিনিময় নিবিচাৰে; বিচাৰে মাথোঁ এক বুজি পোৱা হৃদয় আৰু এটা নিৰাপদ আশ্ৰয়। এই আশাৰ বিনিময়ত পুৰুষে কিমানখিনি দিব পাৰে, তাৰ ওপৰতেই সম্পৰ্কৰ দীৰ্ঘায়ু নিৰ্ভৰ কৰে। আজিৰ সময়ত নাৰীৰ স্বাধীনতা আৰু সমৰ্পণৰ মাজৰ পাৰ্থক্যবোৰ পুৰুষে নতুনকৈ গ্ৰহণ কৰিব লাগিব। তাইৰ স্বাধীন অস্তিত্বক সন্মান জনাই যেতিয়া হাতত হাত ধৰি খোজ ল'ব, তেতিয়াই সমাজত এক সুস্থ পৰিৱেশ গঢ় ল'ব।

পৰিশেষত এয়াই ক'ব পাৰি যে নাৰীৰ হৃদয় এখন বিশাল আকাশৰ দৰে। তাৰ বিশালতাক জোখ-মাখ কৰিবলৈ নাযাব। যিদিনা তেওঁ আপোনাক নিজৰ কৰি ল'ব, সেইদিনা আপুনি উপলব্ধি কৰিব যে পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ অৰ্জন হৈছে নাৰীৰ বিশ্বাস। এই বিশ্বাসৰ মৰ্যাদা ৰক্ষা কৰাটো এক ধৰ্মৰ দৰে। যি পুৰুষে নাৰীৰ সমৰ্পণক অৱহেলা নকৰে, তেওঁ নিজৰ জীৱনৰ অৰ্থ প্ৰকৃততে বিচাৰি পায়। সেয়েহে নাৰীক কোনো আহিলা হিচাপে নহয়, জীৱনৰ এক অংগ হিচাপে চাবলৈ শিকিব লাগিব। বিশ্বাস আৰু সন্মানৰ এই পৱিত্ৰ বন্ধন চিৰস্থায়ী হ'ব, যদিহে আমি প্ৰতিজন পুৰুষে নাৰীৰ অন্তৰৰ ভাষা পঢ়িবলৈ যত্ন কৰো। নাৰীৰ হাঁহিটোৰ আঁৰত লুকাই থকা কষ্ট আৰু শ্ৰদ্ধাখিনিক বুজি পালে সম্পৰ্কৰ প্ৰতিটো দিন উৎসৱৰ দৰে হৈ পৰিব।

নাৰীৰ সমৰ্পণ কেৱল এটা আৱেগ নহয়, এয়া হৈছে এক শ্ৰেষ্ঠ মানৱীয় গুণৰ বহিৰ্প্ৰকাশ। ইয়াৰ জৰিয়তে এটা সম্পৰ্ক পৱিত্ৰ হৈ উঠে আৰু পৰিয়াল তথা সমাজত এক শান্তিৰ বতাহ বয়। নাৰীৰ সৈতে গঢ়ি তোলা প্ৰতিটো সম্পৰ্কৰ আধাৰ হ'ব লাগে সন্মান, মৰম আৰু অটুট বিশ্বাস। আমি যদি নাৰীক এগৰাকী মানৱীয় সত্তা হিচাপে সমমৰ্যাদা প্ৰদান কৰিবলৈ শিকো, তেন্তে আমাৰ সমাজৰ ছবিখন সলনি হ'বলৈ বেছি সময় নালাগে। নাৰীৰ সমৰ্পণক আমি যেন কেতিয়াও খৰ্ব নকৰি, সেই বিশ্বাসৰ হাতখনক সদায় ধৰি ৰাখিবলৈ চেষ্টা কৰো। এই পৃথিৱীখনত নাৰীৰ অৱদান অপৰিসীম আৰু সেই কথা সদায় স্মৰণ কৰি তেওঁলোকৰ প্ৰতি শ্ৰদ্ধাশীল হোৱাটোহে আমাৰ প্ৰধান কৰ্তব্য। এনে এক মানসিকতাৰ দ্বাৰা আমি এক সুন্দৰ পৃথিৱী গঢ়ি তুলিব পাৰিম, য'ত নাৰীৰ সমৰ্পণ হ'ব প্ৰেৰণাৰ এক অসীম উৎস। প্ৰেম আৰু বিশ্বাসৰ এই পৱিত্ৰ বাটত খোজ দি আমি সকলোৱে লগ লাগি এক সুস্থ আৰু সমৃদ্ধ সমাজৰ স্বপ্ন পূৰণ কৰিবলৈ সক্ষম হ'ম। নাৰীৰ সমৰ্পণেই হৈছে প্ৰেমৰ আটাইতকৈ উদাৰ আৰু সুন্দৰ পৰিণতি। মানৱ জীৱনৰ আটাইতকৈ মহৎ কামটোৱেই হৈছে আনৰ হৃদয় জয় কৰা আৰু নাৰীৰ সমৰ্পণ সেই জয়ৰ এক পৱিত্ৰ স্বীকৃতি। ইয়াৰ দ্বাৰা জীৱনৰ অৰ্থ গভীৰ হয় আৰু এটি সৰু ঘৰো মন্দিৰৰ দৰে হৈ পৰে। পৰিশেষত নাৰীৰ সমৰ্পণক সন্মান জনাব পৰা পুৰুষেই আচলতে জীৱনক জীয়াই থাকিবলৈ শিকিছে। ■

সপ্তম পৃষ্ঠাৰ পৰা ঃ —

জুবিন চৰ্চা

প্ৰেমিক জুবিন গাৰ্গৰ কিছুমান গীতৰ স্তৰকে সচেতন মহলাকো প্ৰভাৱান্বিত কৰিছিল। তেওঁ যে কৈছিল ধুমুহাৰ স'তে মোৰ, বহু যুগৰে নাচোন... সঁচাকৈয়ে তেওঁ জীৱনৰ ধুমুহা চিনি পাইছিল নেকি বাৰু? শ্বেলীৰ দৰেই সাগৰৰ বুকুত বিলীন হোৱা জুবিন যে নাই সেই কথা ভাবিবই নোৱাৰি।

জুবিন গাৰ্গৰ চিন্তা, কৰ্ম আৰু আদৰ্শ নৱপ্ৰজন্মৰ বাবে সদায় পাথেয় হৈ ৰ'ব। পৰৱৰ্তী সময়ত জুবিনৰ শিল্পকৰ্ম, জুবিনৰ সৃষ্টিৰাজিৰ ওপৰত গৱেষণা পৰ্যায়ত বিদ্যায়তনিক আলোচনা আৰু তেওঁৰ সমগ্ৰ গীতৰ সংকলন, তেওঁৰ গীতত দেশ-বিদেশৰ বিভিন্ন প্ৰভাৱৰ কথা আলোচিত হোৱাৰ উপৰি তেওঁৰ সৃষ্টি কৰ্ম সংগ্ৰহালয়ত পদ্ধতিগতভাৱে সংৰক্ষিত হোৱা উচিত। ডক্টৰ ভূপেন হাজৰিকাৰ গীত আৰু তেওঁৰ সৃষ্টি কৰ্ম সম্পৰ্কে বহুতো গৱেষণা পৰ্যায়ত কাম হোৱা আমি দেখিবলৈ পাইছো। জুবিন গাৰ্গৰ সৃষ্টি কৰ্ম সম্পৰ্কেও গৱেষণা পৰ্যায়ত চিন্তা-চৰ্চা হ'লে জুবিন গাৰ্গ অমৰ হৈ ৰ'ব। অসম আৰু অসমীয়াৰ চেতনা প্ৰবাহক উচ্চ পৰ্যায়ত উচ্চস্তৰীয় চিন্তাৰ প্ৰসাৰ ঘটিলে নিঃসন্দেহে জুবিন গাৰ্গৰ চিন্তা, কৰ্ম আৰু আদৰ্শ সমগ্ৰ দেশ তথা আন্তৰ্জাতিক পৰ্যায়তো চৰ্চিত হ'লেহে সঁচা অৰ্থত জুবিন গাৰ্গ অমৰ হ'ব।

সংগীত সম্পৰ্কে অসমত বিভিন্ন চিন্তা-চৰ্চা হৈ থকা কথাটো গৱেষণা পৰ্যায়ত গৱেষণা কৰি থকা কিছুসংখ্যক গৱেষকে চিন্তা-চৰ্চা বিষয়ক কাম কৰি থকা আমি দেখিবলৈ পাইছো। কেইবছৰমান পূৰ্বে ভাৰতৰ কেইবাগৰাকীও প্ৰসিদ্ধ কণ্ঠশিল্পীৰ কণ্ঠ সম্পৰ্কীয় গৱেষণাই নতুন চিন্তা-চৰ্চাৰ বাট মুকলি কৰা বুলিও ক'ব পাৰি।

বিশিষ্ট কণ্ঠশিল্পী-লেখক-গীতিকাৰ লোকনাথ গোস্বামীৰ আধুনিক অসমীয়া সংগীতৰ ইতিহাস গ্ৰন্থখন অসমীয়া সংগীতৰ ধাৰা লিপিবদ্ধ কৰি প্ৰকাশ কৰা এখন অন্যতম গ্ৰন্থ। এইখনেই সম্ভৱতঃ অসমীয়া সংগীত সম্পৰ্কীয় প্ৰথম গ্ৰন্থ। ইয়াৰ পূৰ্বে কেইবাখনো সংগীত সম্পৰ্কে আলোচনা গ্ৰন্থ প্ৰকাশ পাইছে যদিও সংগীতৰ ইতিহাস পদ্ধতিগতভাৱে প্ৰকাশ পোৱা নাছিল। কেইবছৰমান পূৰ্বে তেজপুৰ বিশ্ববিদ্যালয়ত ডক্টৰ অনন্যা বনজ্যোৎস্নাই ই চি ই বিভাগত ডক্টৰ ভূপেন হাজৰিকাৰ কণ্ঠৰ ওপৰত এক বিশেষ অধ্যয়নমূলক গৱেষণা কৰিছিল। তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ডক্টৰ মানৱেন্দ্ৰ ভূঞাৰ তত্ত্বাৱধানত গৱেষণা কৰি সন্মানীয় ডক্টৰেট ডিগ্ৰী অৰ্জন কৰিবলৈ সক্ষম হৈছিল।

বনজ্যোৎস্নাই ভাৰতবৰ্ষৰ আঠগৰাকী বিশিষ্ট কণ্ঠশিল্পীৰ কণ্ঠত বিজ্ঞানসন্মতভাৱে তেওঁলোকৰ কণ্ঠৰ পৰা নিগৰা কম্পনাংকৰ তৰংগৰ উচ্চা�ৰণৰ ওপৰত বিজ্ঞানসন্মত অধ্যয়ন চলাইছিল।

এই গৱেষণাত প্ৰমাণিত হৈছিল যে সমগ্ৰ ভাৰতবৰ্ষৰ আঠগৰাকী শিল্পীৰ ভিতৰত ভূপেন হাজৰিকাৰ কণ্ঠই আছিল উচ্চ পৰ্যায়ৰ কণ্ঠ। তেওঁৰ গীতৰ কম্পনাংক অইন শিল্পীতকৈ বহুত ওপৰৰ। হাজৰিকাৰ গীতত যি ফিকুৱেন্সি সেয়া সমগ্ৰ বিশ্বতে বিৰল। তেজপুৰ বিশ্ববিদ্যালয়ে এনে এক বিজ্ঞানসন্মত পৰীক্ষা-নিৰীক্ষাৰ পৰা প্ৰামাণিক তথ্যৰ ভিত্তিত কৰা গৱেষণাক সংগীতৰ ক্ষেত্ৰত বিৰল প্ৰতিভা বুলি স্বীকৃতি দিয়ে।

সংগীত এবিধ কলা। যিহেতু ই শব্দৰ ওপৰত প্ৰতিষ্ঠিত গতিকে ইয়াৰ বৈজ্ঞানিক ভেটি এটা আছে। বিজ্ঞানত যিকোনো কথাতে জোখ-মাখ ব্যৱহাৰ কৰা হয়। শব্দৰ তীব্ৰতাই বুজায় কম্পনাংক। সংগীতত পোনে পোনে কম্পনাংকৰ কথা কোৱা নহয়। সংগীতৰ যি ব্যৱস্থাৰে সুৰ জোখা হয় তাক মিউজিকেল স্কেল অথবা সংগীতৰ মাপকাঠী বোলে। মানুহৰ কাণে কম্পনাংক ধৰিব নোৱাৰি। কিন্তু অন্তৰটো ধৰিব পাৰে। যেই মাত্ৰ অনুপাতটো বেলেগ হৈ যায়, কাণে তৎক্ষণাৎ ধৰা পেলায়। কিছুমান অন্তৰৰ নাম আছে, অক্টেভ, ফিফথ, ফৰ্থ, মেজৰ থাৰ্ড মাইনৰ থাৰ্ড ইত্যাদি। মেলডি একেলগে উৎপন্ন কৰাকে হাৰমণি বোলে। যেতিয়া এটা নটত কৈ আনটো নট দুগুণ কম্পনাংকৰ অনুপাত হয় দুই অনুপাত সমান এক অনুপাত।

আধুনিক সংগীতৰ মূল স্বৰ বা টনিকটো ঘনে ঘনে সলাব পাৰি।

আধুনিক সংগীত আধুনিক সমাজ সংস্কৃতিৰ প্ৰত্যক্ষ ফচল। পৃথিৱীৰ সকলো দেশতে আধুনিক সংগীত বহুলভাৱে সমাদৰ লাভ কৰিছে। সেয়া পল ৰবছন, মাইকেল জেকছনেই হওক বা বব ডিলন, জন লেনন ব'ব মাৰালিয়েই হওক অথবা লতা মংগেশকাৰ, মহম্মদ ৰফি, হেমন্ত কুমাৰ, কিশোৰ কুমাৰেই হওক, নতুবা ভূপেন হাজৰিকা, দীপালী বৰঠাকুৰ, জুবিন গাৰ্গ, অংগৰাগ মহন্তই হওক, আধুনিক গানৰ শিল্পীসকলৰ ভূমিকা অনস্বীকাৰ্য। শেহতীয়াভাৱে জুবিন গাৰ্গে অসমীয়া সংগীতৰ ধাৰাৰ ঐতিহ্য সলনি কৰি দিছে। আমেৰিকাৰ জার্নেলত অসমৰ অধ্যাপক ডক্টৰ কিশোৰ দত্তই তেওঁৰ গৱেষণাপত্ৰ এখনত জুবিন গাৰ্গৰ কণ্ঠৰ তিনিটা প্ৰধান আৰু ব্যতিক্ৰমী বৈশিষ্ট্য চিনাক্ত কৰিছে। এক কথাত জুবিন গাৰ্গৰ মায়াবিনী গীতটিয়ে লক্ষ লক্ষ অনুৰাগীৰ হৃদয়ত তোলা অমিয়া ঝংকাৰ এতিয়া হেনো পৃথিৱীৰ বিশ্ব কণ্ঠ বিজ্ঞান মঞ্চলৈও বিয়পি পৰিছে। তেওঁ ভূপেন হাজৰিকা, কিশোৰ কুমাৰ, লতা মংগেশকাৰ আৰু কে কেকে ধৰি পাঁচগৰাকী প্ৰখ্যাত শিল্পীৰ ১২ টা গীত গীতৰ তুলনামূলক বিজ্ঞানসন্মত বিশ্লেষণ কৰিছে। জুবিন গাৰ্গৰ মায়াবিনীত শিল্পীগৰাকীৰ কণ্ঠযন্ত্ৰী আৰু বাকযন্ত্ৰীৰ পাৰস্পৰিক আৰু ধাৰাবাহিক সম্পৰ্ক আৰু অপূৰ্ব স্বৰগম এই তিনিটাৰ বৈশিষ্ট্য বিচাৰি পোৱা বুলি কৈছে। এইখিনিতে কণ্ঠ বিজ্ঞান ধ্বনি বিজ্ঞান আৰু শব্দ বিজ্ঞানৰ পদ্ধতিৰ প্ৰয়োগেৰে কৰা বিশ্লেষণত মায়াবিনীত উন্মোচিত হৈছে এই তিনিটা বৈশিষ্ট্য। কিশোৰ দত্তই উল্লেখ কৰা মতে জুবিন গাৰ্গৰ মায়াবিনীত পোৱা বৈশিষ্ট্যবোৰ হেনো কোনো সুগম সংগীতত বিচাৰি পোৱা নাযায়। এই বৈশিষ্ট্যবোৰ হেনো কেৱল অপেৰা আৰু কৰ্ণাটকী শাস্ত্ৰীয় সংগীততহে দেখা পোৱা যায়। গৱেষকগৰাকীয়েই এই কথাও প্ৰকাশ কৰিছে মায়াবিনীৰ ধ্বনি গুণৰ ফালৰ পৰা দেখা গৈছে যে কোনো শাস্ত্ৰীয় প্ৰশিক্ষণ নোলোৱাকৈ ২৫ বছৰ বয়সতে এনে স্বৰগম আয়ত্ত কৰাটো অতি চমৎকাৰ কথা। অৱশ্যে গৱেষকগৰাকীয়ে শিল্পীগৰাকীৰ কণ্ঠত ভৌতিক দিশটোহে সামৰি লৈছে বুলি উল্লেখ কৰিছে। পাশ্চাত্য অপেৰা বা ধ্ৰুপদী সংগীতৰ গণ্ডিত আবদ্ধ হৈ প্ৰথমবাৰৰ বাবে কণ্ঠ বিজ্ঞানৰ মঞ্চত স্থান পাবলৈ সক্ষম হোৱাটো অতি গৌৰৱৰ কথা। উল্লেখ্য যে জুবিনৰ হামিং শৈলী সম্পৰ্কেও ডক্টৰ দত্তই পূৰ্বে কৰা অধ্যয়নৰ কথা জার্নেল অব্ ভয়চত প্ৰকাশ পাইছিল। ডক্টৰ দত্তই কৰাৰ দৰে অইন অইন গৱেষকসকলেও অসমৰ প্ৰখ্যাত শিল্পীসকলৰো গীতত পাশ্চাত্য প্ৰভাৱৰ কথা আলোচনা কৰা উচিত। জুবিনবিহীন এই দিনটোত অকল গীত সম্পৰ্কেই নহয় অইন অইন দিশৰ প্ৰতিও জুবিন গাৰ্গ সম্পৰ্কে চৰ্চা হোৱা উচিত। যিসকলে হার্টথ্ব'ব জুবিন গাৰ্গৰ বিচাৰ যোৱা এবছৰে কৰিব নোৱাৰিলে সেইসকলে জুবিন চৰ্চাৰ নামত কি কৰিব এই প্ৰসংগ লৈ সচেতন মহলে ক্ষোভ প্ৰকাশ কৰা দেখা গৈছে। কেৱল য'তে-ত'তে জুবিনৰ প্ৰতিমূৰ্তি প্ৰতিষ্ঠা অথবা স্থাপন কৰিলেও নহ'ব... জুবিন গাৰ্গে অসমক দি থৈ যোৱা অৱদানসমূহ সুস্থ চিন্তা-চৰ্চা অব্যাহত ৰাখি শিল্পীগৰাকীক বিশ্বৰ মানচিত্ৰত তেওঁৰ চিন্তা কৰ্ম আৰু আদৰ্শৰ কথা প্ৰকাশ কৰিবলৈ এচাম সংস্কৃতিৱান সচেতন লোক ওলাই আহিব লাগিব। ৰাজনীতিৰ ঊৰ্ধ্বত থাকি এনে চিন্তা-চৰ্চা কৰা ভাল। প্ৰকৃততে জুবিন চৰ্চা অব্যাহত ৰাখিব পাৰিলেহে জুবিনৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধা জনোৱা হ'ব। ■

প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

ড° পীতাম্বৰ দেৱগোস্বামী

ড° হিমন্তবিশ্ব শর্মাক। অনুষ্ঠানত সন্মানীয় অতিথিৰ আসন অলংকৃত কৰিব কার্বি আংলং জিলা পৰিষদৰ মুখ্য কার্যবাহী সদস্য ড° তুলিৰাম ৰংহাঙে। অহা ৫ নৱেম্বৰত কার্বি আংলং জিলা সাংস্কৃতিক মহাসভা আৰু অসমবাসী ৰাইজৰ সহযোগত, বোকাজান ক্রীড়া সম্ভাৰ প্রেক্ষাগৃহত বর্ণাঢ্য কার্যসূচীৰে এই বঁটা প্রদান অনুষ্ঠান অনুষ্ঠিত কৰা হ'ব। ১৩ টা বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক দলে বঁটাপ্রাপক আৰু অতিথিসকলক সাংস্কৃতিক শোভাযাত্রাৰে আদৰি অনিব। সাংস্কৃতিক মহাসভা, অসমৰ সভাপতি পৱিত্র কুমাৰ শর্মা, সম্পাদক প্রধান প্রদীপ কুমাৰ বৰা, কার্বি আংলং জিলা সমিতিৰ সভাপতি দীপক কুমাৰ গগৈ, সাধাৰণ সম্পাদক শৈলেন্দ্র গগৈ প্রমুখ্যে জিলা সমিতিৰ বিষয়ববীয়াসকলে কার্বি আংলং জিলা প্রেছ ক্লাবত এখন সংবাদমেলত এই কথা ঘোষণা কৰিছে। উল্লেখ্য যে বিগত বর্ষবোৰত উক্ত বঁটা লাভ কৰা ব্যক্তিসকল হৈছে ক্রমে- ড° বীৰেন্দ্র নাথ দত্ত, ৰত্ন ওজা, ড° নগেন শইকীয়া, সুদক্ষিণা শর্মা আৰু পদ্মভূষণ সন্মানেৰে বিভূষিত নৃত্যাচার্য যতীন গোস্বামী। উক্ত অনুষ্ঠানলৈ অসমবাসীক নিমন্ত্রণ জনাইছে সাংস্কৃতিক মহাসভা, অসমৰ সদস্যবৃন্দই। বঁটা প্রদান অনুষ্ঠানটো সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে বোকাজান বিধানসভা সমষ্টিৰ বিধায়ক সূর্য ৰংফাৰক সভাপতি, কার্যবাহী সদস্য মাধুর্য ঢেকিয়াল ফুকনক কার্যকৰী সভাপতি, সাধাৰণ সম্পাদকৰূপে শৈলেন্দ্র গগৈক লৈ এখন বৃহৎ কলেৱৰৰ আদৰণী সমিতি গঠন কৰা হৈছে।

'উমৰাংছু উত্তৰ-পূবৰ

পাঁচ বছৰত অসমত কেইবাটাও পর্যটন পৰিক্রমা গঢ়ি তোলাৰ পৰিকল্পনা কৰা হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে ইয়াৰ অধীনত আন্তঃগাঁথনি উন্নয়ন, যোগাযোগ ব্যৱস্থাৰ উন্নয়নকে ধৰি ভালেমান অঞ্চলক সংযোগ সাধনৰ পৰিকল্পনা কৰা হৈছে। তেওঁ কয় যে ডিমা হাচাওক এক আকর্ষণীয় আৰু বহনক্ষম পর্যটনস্থলী হিচাপে গঢ়ি তোলাৰ লগতে অসমৰ পর্যটনৰ মানচিত্রত জিলাখনক এক উল্লেখনীয় গন্তব্যস্থান হিচাপে প্রতিষ্ঠা কৰাৰ দিশত অসম চৰকাৰৰ পর্যটন বিভাগৰ প্রচেষ্টা সদায় অব্যাহত থাকিব। পর্যটনৰ বিকাশৰ বাবে উন্নত যোগাযোগ ব্যৱস্থা, শক্তিশালী আইন-শৃংখলা আৰু সুদৃঢ় চৰকাৰী নীতিক প্রধান চর্ত বুলি উল্লেখ কৰি তেওঁ কয় যে পর্যটন খণ্ডৰ বিকাশৰ বাবে অনাগত সময়ত চৰকাৰে আৰু অধিক শক্তিশালী পর্যটন নীতি যুগুত কৰিব। পর্যটনৰ কোনো সংজ্ঞা নাই বুলি উল্লেখ কৰি তেওঁ কয় যে যিকোনো অঞ্চলৰ বিশেষত্বসমূহৰ বিকাশ সাধনেৰে পর্যটন মানচিত্র গঢ় দিব পাৰি। তেওঁ বসুধৈৱ কুটুম্বকম ধাৰণাৰে আগবাঢ়িলে পর্যটনৰ ঊর্ধ্বমুখী যাত্রাক কোনেও বাধা দিব নোৱাৰে বুলি মন্তব্য কৰে। উমৰাংছুৰ প্রাকৃতিক সৌন্দর্যৰ প্রশংসা কৰি তেওঁ ইয়াক উত্তৰ-পূবৰ ছুইজাৰলেণ্ড আখ্যা দি কয় যে ডিমা হাচাও এদিন অসমৰ পর্যটনৰ ভূ-স্বর্গ হিচাপে পৰিগণিত হ'ব। স্থানীয় অর্থনীতি শক্তিশালী কৰাৰ বাবে মন্ত্রীগৰাকীয়ে অঞ্চলটোৰ লোকসকলক 'হোমষ্টে'সমূহৰ অনলাইন পঞ্জীয়ন আৰু নতুন হোমষ্টে স্থাপনৰ বাবে আহ্বান জনায়। প্রধান মন্ত্রী নৱেন্দ্র মোডীয়ে অসমক 'অষ্টলক্ষ্মী'ৰ অন্যতম ৰাজ্য হিচাপে অভিহিত কৰাৰ কথা উল্লেখ কৰি মন্ত্রীগৰাকীয়ে উন্নয়নমূলক কামত স্বচ্ছতা আৰু দায়বদ্ধতা বজাই ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত ডিমা হাচাও স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কার্যবাহী সদস্য দেৱলাল গার্লোছা, হাফলঙৰ বিধায়ক ৰূপালী লাংথাছা, পর্যটন বিভাগৰ আয়ুক্ত সচিব দিগন্ত বৰা, সঞ্চালক ৰণোজ কুমাৰ বৰকটকী, অসম পর্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপর্ণ বৰা আৰু বিভাগৰ ভালেমান শীর্ষ বিষয়া আৰু ডিমা হাচাও পর্যটনৰ বিষয়া তথা ডিমা হাচাও স্বায়ত্তশাসিত পৰিষদৰ প্রতিনিধিসকল উপস্থিত আছিল।

ৰাজ্যৰ ১৬,৪৯৮ টা অংগনৱাড়ী কেন্দ্রত 'অংগন মিলন সেৱা' কার্যসূচী আৰম্ভ



গুৱাহাটী ঃ মহিলা আৰু শিশু বিকাশ বিভাগৰ উদ্যোগত যোৱা দেওবাৰে 'সেৱা সংকল্প অভিযান'ৰ অধীনত প্রথম পর্যায়ৰ 'অংগন মিলন সেৱা' কার্যসূচী আৰম্ভ কৰা হয়। ৰাজ্যৰ ৬ খন জিলাৰ ১৬,৪৯৮টা অংগনৱাড়ী কেন্দ্রত একেলগে এই কার্যসূচী ৰূপায়ণ কৰা হয়। প্রধান মন্ত্রী নৱেন্দ্র মোডীৰ ২৫ বছৰীয়া জনসেৱাৰ যাত্রা উপলক্ষে আয়োজিত এই উদ্যোগৰ মূল লক্ষ্য হৈছে চৰকাৰী সেৱা আৰু কল্যাণমূলক আঁচনিৰ সুবিধা জনসাধাৰণৰ ওচৰলৈ লৈ যোৱা আৰু তৃণমূল পর্যায়ত সেৱা প্রদান ব্যৱস্থা অধিক শক্তিশালী কৰা। মহিলা আৰু শিশু বিকাশ মন্ত্রী অজন্তা নেওগে কামৰূপ মহানগৰ জিলাৰ ডিমৰীয়া সমষ্টিৰ টোপাতলী কর্কটবস্তি আদর্শ অংগনৱাড়ী কেন্দ্রত অনুষ্ঠিত কার্যসূচীত অংশগ্রহণ কৰাৰ লগতে বিশেষ পুষ্টি দিৱসৰ কার্যসূচীতো ভাগ লয়। 'অংগন মিলন সেৱা'ৰ জৰিয়তে অংগনৱাড়ী কেন্দ্রসমূহক অধিক সক্রিয় সামূহিক অংশগ্রহণৰ মঞ্চ হিচাপে গঢ়ি তোলাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। ইয়াৰ অধীনত অভিভাৱক, হিতাধিকাৰী, অংগনৱাড়ী কর্মী আৰু স্থানীয় ৰাইজক একত্রিত কৰি পুষ্টি, শিশুৰ বৃদ্ধি আৰু বিকাশ, মাতৃ-শিশু স্বাস্থ্য, ৰক্তহীনতা ৰোধ, শিশুৰ প্রাৰম্ভিক যত্ন আৰু শিক্ষা, নাৰী কল্যাণ আৰু শিশু সুৰক্ষা সম্পর্কত সজাগতা আৰু মত বিনিময় কৰা হ'ব। লগতে চৰকাৰী আঁচনি আৰু সেৱাসমূহৰ বিষয়ে সজাগতা সৃষ্টি, প্রয়োজনীয় হিতাধিকাৰী চিনাক্তকৰণ, স্থানীয় সমস্যাৰ বিষয়ে আলোচনা আৰু উপযুক্ত সেৱা সময়মতে লাভ কৰাটো নিশ্চিত কৰাৰ ক্ষেত্রত অধিক গুৰুত্ব দিয়া হ'ব। ইয়াৰ সমান্তৰালভাৱে মহিলা আৰু শিশু বিকাশ বিভাগে 'আংগন কা উৎসৱ' কার্যসূচীও ৰূপায়ণ কৰি আছে। ইয়াৰ লক্ষ্য হৈছে অংগনৱাড়ী কেন্দ্রসমূহক অধিক সজীৱ সামূহিক কেন্দ্র হিচাপে গঢ়ি তোলা। কার্যসূচীৰ অংশ হিচাপে অংগনৱাড়ী কর্মী আৰু সহায়িকাসকলকো তেওঁলোকৰ নিষ্ঠাপূর্ণ তৃণমূল সেৱাৰ স্বীকৃতিস্বৰূপে সম্বর্ধনা আৰু প্রশংসাপত্র প্রদান কৰা হয়।

মঙলদৈত সদৌ অসম কর্মচাৰী পৰিষদৰ কার্যনির্বাহক সভা

মৰগীয়া বানচৰ বকেয়া পূজাৰ পূর্বে আদায়ৰ দাবী



মঙলদৈ ঃ অসমৰ কর্মচাৰী সমাজক বঞ্চিত কৰি যোৱা জানুৱাৰীৰ পৰা কার্যকৰী হ'ব লগা মৰগীয়া বানচ আদায় নিদি জুনৰ পৰা দৰমহা লগত সংযোজন কৰি পূর্বৰ পৰম্পৰা চৰকাৰে নিজেই ভংগ কৰিছে। এই অদ্ভুত নির্দেশনাই আৰঅ'পিৰ নীতি ভংগ কৰিছে। আৰঅ'পি মতে কেন্দ্রীয় চৰকাৰে সময়ে সময়ে ঘোষণা কৰা মৰগীয়া বানচৰ কিস্তিৰ লগত ৰাজ্য চৰকাৰৰ কর্মচাৰীসকলকো আদায় দিয়াৰ নিয়ম। সেয়েহে চৰকাৰে আগন্তুক দুর্গা পূজাৰ পূর্বে মৰগীয়া বানচৰ বকেয়া যোৱা জানুৱাৰীৰ পৰা আদায় দিব লাগে। এই মন্তব্য সদৌ অসম কর্মচাৰী পৰিষদৰ সম্পাদক প্রধান পংকজ বর্মনৰ। মঙলদৈ জিলা কর্মচাৰী পৰিষদৰ আতিথ্যত মঙলদৈ সনাতন ধর্মসভাৰ প্রেক্ষাগৃহত অলপতে অনুষ্ঠিত সদৌ অসম কর্মচাৰী পৰিষদৰ কার্যনির্বাহক সভাত তেওঁ এইদৰে কয়। বর্মনে লগতে কয় যে চৰকাৰৰ এই ব্যৱস্থাই অসমৰ কর্মচাৰী সমাজক লজ্জিত কৰিছে। অষ্টম দৰমহা আয়োগৰ কাম-কাজ ইতিমধ্যে আৰম্ভ হৈছে যদিও বর্তমান চৰকাৰৰ কার্যই পৰিষদৰ লগতে অসমৰ শিক্ষক, কর্মচাৰী বিষয়া তথা শ্রমিকসকলক চিন্তিত কৰি তুলিছে। সভাত অষ্টম দৰমহা আয়োগৰ ক্ষেত্রত এনেধৰণৰ প্রৱঞ্চনাৰ আশ্রয় ল'লে কর্মচাৰী পৰিষদে এইক্ষেত্রত আপোচ নকৰে বুলিও সিদ্ধান্ত গ্রহণ কৰা হয়। আনহাতে, অহা ১০, ১১ আৰু ১২ অক্টোবৰত নলবাৰী জিলাত সদৌ অসম কর্মচাৰী পৰিষদৰ ৪১ সংখ্যক অধিৱেশনখন অনুষ্ঠিত হ'ব। সভাত সম্পাদকীয় প্রতিবেদন আৰু হিচাপ পৰীক্ষকৰ প্রতিবেদন গ্রহণ কৰে। সভাত সভাপতিত্ব কৰে পৰিষদৰ সভাপতি দ্বীপেন শর্মাই। পৰিষদৰ সম্পাদকপ্রধান পংকজ বর্মনে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। সভাত পৰিষদৰ দাবী চনদৰ অন্তর্ভুক্ত বিষয়সমূহৰ ওপৰত বিশদভাৱে আলোচনা কৰা হয়।

নাথকুছিত বাৰোৱাৰী লক্ষ্মীপূজাৰ আয়োজন

অসম ভূমি সেৱা, নাথকুছি ঃ বিগত বর্ষৰ দৰে এইবেলিও নাথকুছিৰ টিহু চ'কত তিনিদিনীয়াকৈ ৪৮ সংখ্যক নাথকুছি আঞ্চলিক শ্রীশ্রীলক্ষ্মী পূজা উদ্‌যাপনৰ পূর্ণ প্রস্তুতি চলোৱা হৈছে। পূজা পৰিচালনার্থে ইতিমধ্যেই বাসন্তী মন্দিৰ প্রাংগণত অনুষ্ঠিত এক ৰাজহুৱা সাধাৰণ সভাই গুণধৰ দাসক সভাপতি, ক্রমে দিলীপ কুমাৰ দাস, নৰনাথ ৰয়, পূর্ণ দাস, জীতেন্দ্র নাথ ডেকা, জয়ন্ত কুমাৰ ডেকাক উপ-সভাপতি, সতীশ চন্দ্র দাসক সম্পাদক, ক্রমে গংগাপদ ডেকা, পৰশ কলিতা, ৰণজিৎ কলিতা, লোহিত বড়ো আৰু নৰেন লহকৰক সহকাৰী সম্পাদক হিচাপে লৈ পূজা পৰিচালনা সমিতিখন গঠন কৰি দিছে। অহা ২৫, ২৬ আৰু ২৭ অক্টোবৰ (৭, ৮, ৯ কাতি)ত তিনিদিনীয়াকৈ বর্ণাঢ্যৰূপত অনুষ্ঠিত হ'ব লগা পূজা মহোৎসৱখন সুপৰিচালনার্থে কেইবাখনো উপ-সমিতিও গঠন কৰি লোৱা হৈছে।

প্রথম পৃষ্ঠাৰ পৰা ঃ —

শিলিগুৰি-গুৱাহাটীৰ মাজত হ'ব হাইস্পীড

২০১৪ চনত নৱেন্দ্র মোডীয়ে দেশৰ প্রধানমন্ত্রী হিচাপে দায়িত্বভাৰ গ্রহণৰ পিছত অসম তথা উত্তৰ পূর্বাঞ্চলৰ বিকাশৰ ওপৰত অধিক গুৰুত্ব দিয়া বুলি উল্লেখ কৰি কেন্দ্রীয় মন্ত্রী গাডকাৰীয়ে লগতে কয় যে বিজেপিৰ চৰকাৰৰ দিনত বর্তমানলৈ ব্রহ্মপুত্রৰ ওপৰত অসমত আঠখন দলং নির্মাণ কৰা হৈছে। ৫,০০০ কোটি টকাৰে নির্মাণ কৰা ২০ কিলোমিটাৰ দৈর্ঘ্যৰ ধুবুৰী-ফুলবাৰী দলঙৰ কামো প্রায় ৭০% সম্পূর্ণ হৈছে। ২০২৮ৰ ছেপ্টেম্বৰ ভিতৰত এই দলংখনৰ নির্মাণ সম্পূর্ণ হ'লে ধুবুৰীৰ পৰা ফুলবাৰীলৈ যাবলৈ সময় লাগিব পূর্বৰ ৬ ঘণ্টাৰ পৰিৱর্তে মাত্র ২৫ মিনিট। নুমলীগড়-ডিব্রুগড় সংযোগী চাৰিশৰীয়া পথৰ কামো ৯৫% সম্পূর্ণ হোৱা বুলি উল্লেখ কৰি কেন্দ্রীয় পথ পৰিবহণ মন্ত্রীগৰাকীয়ে অসমত ৪,৭০০ কিলোমিটাৰ ২৬৫ টা প্রকল্প ২ লাখ কোটি টকা ব্যয় সাপেক্ষে ৰূপায়ণৰ কাম চলি থকা বুলিও অনুষ্ঠানটোত মন্তব্য কৰে।

নলবাৰীত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ যুৱ সন্মিলনত বশিষ্ঠ বুজৰবৰুৱা

জীৱনত সফল হ'বলৈ নিগেটিভ চিন্তা কৰিব নালাগে



অসম ভূমি সেৱা, ঘগ্ৰাপাৰ ঃ ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ নলবাৰী জিলা শাখাৰ উদ্যোগত যোৱা দেওবাৰে নলবাৰীত এখন যুৱ সন্মিলনৰ আয়োজন কৰা হয়। নলবাৰীৰ নৰ্থ কামৰূপ ষ্টেডিয়ামত, গৰ্ডন স্কুল খেলপথাৰৰ সমীপত ১০ বজাৰ পৰা অনুষ্ঠিত হয় এই সন্মিলন। সংঘৰ শতবৰ্ষ উদ্‌যাপনৰ অংশ হিচাপে আয়োজন কৰা এই সন্মিলনৰ জৰিয়তে যুৱ সমাজৰ মাজত সেৱা, নেতৃত্ব, অনুশাসন, দেশপ্ৰেম আৰু সামাজিক চেতনাৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে বুলি আয়োজকসকলে জানিবলৈ দিয়ে। উল্লেখ্য যে ১৯২৫ চনত প্ৰতিষ্ঠা হোৱা ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘই শতবৰ্ষত প্ৰৱেশ কৰা উপলক্ষে দেশ আৰু সমাজৰ প্ৰতি যুৱ সমাজৰ দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে সজাগতা সৃষ্টিৰ উদ্দেশ্যে এই সন্মিলনৰ আয়োজন কৰা হৈছে। ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ মহাবিদ্যালয় ছাত্ৰ প্ৰমুখ সোণমণি মেধিয়ে আঁত ধৰা আৰু জিলা কাৰ্যবাহ হিৰণ্য দত্তই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানৰ পাতনিতে ভাৰত মাতাৰ প্ৰতিচ্ছবি বন্তি প্ৰজ্বলনৰ পিছতে গীত-মাত পৰিৱেশন কৰা হয়। সন্মিলনত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ অসম ক্ষেত্ৰৰ ক্ষেত্ৰ প্ৰচাৰক বশিষ্ঠ বুজৰবৰুৱা মাৰ্গদৰ্শক হিচাপে উপস্থিত থাকে। তেওঁ ভাষণত যুৱকসকলক কোনো দিন নেগেটিভ চিন্তা নকৰি পজিটিভ চিন্তাৰে আগুৱাই যাবলৈ আহ্বান জনায়। বশিষ্ঠ বুজৰবৰুৱাই নিজৰ ভাষণত ভাৰতবৰ্ষৰ প্ৰাচীন সভ্যতা, সংস্কৃতি আৰু ইতিহাসৰ বিশদ ব্যাখ্যা দাঙি ধৰাৰ লগতে এখন সুস্থ সমাজ গঠনত যুৱ সমাজৰ কৰ্তব্য আৰু ভূমিকা সম্পৰ্কে আলোকপাত কৰে। অনুষ্ঠানত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ ক্ষেত্ৰ সংঘচালক ডাঃ উমেশ চক্ৰৱৰ্তী, ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ উত্তৰ অসম প্ৰান্ত সংঘচালক ডাঃ ভূপেশ চন্দ্ৰ শৰ্মা, ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ নলবাৰী জিলাৰ জিলা সংঘচালক কুমুদ শৰ্মাকে ধৰি নলবাৰী জিলা আৰু খণ্ডৰ কেইবাগৰাকী কাৰ্যকৰ্তা, বিভিন্ন সংগঠনৰ বিষয়ৱবীয়া আৰু বিশিষ্ট ব্যক্তিসকলৰ লগতে সহস্ৰাধিক যুৱক উপস্থিত থাকি সন্মিলনখন সাফল্যমণ্ডিত কৰি তোলে। সন্মিলনখন সফলভাৱে অনুষ্ঠিত কৰাত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ নলবাৰী জিলা সহঃ সংঘচালক ডাঃ চক্ৰেশ্বৰ হালৈ, জিলা সংঘচালক কুমুদ শৰ্মা, জিলা কাৰ্যবাহ হিৰণ্য দত্তই আগভাগ লয়।

কামৰূপ মহানগৰত নিৰাপদ গৰ্ভপাত দিৱস পালন

গুৱাহাটী ঃ কামৰূপ মহানগৰ জিলাৰ ধীৰেণপাৰা এফ আৰ ইউত যোৱা সোমবাৰে আন্তঃৰাষ্ট্ৰীয় নিৰাপদ গৰ্ভপাত দিৱস পালন কৰা হয়। অনুষ্ঠানত গুণগত আৰু নিৰাপদ গৰ্ভপাত সেৱা প্ৰদানৰ বাবে প্ৰশিক্ষিত স্বাস্থ্যকৰ্মী আৰু নিৰ্দিষ্ট স্বাস্থ্য প্ৰতিষ্ঠানৰ জৰিয়তে সেৱা নিশ্চিত কৰাৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰা হয়। মহিলাসকলৰ বাবে সন্মানজনক, আৰু সুলভ স্বাস্থ্যসেৱা নিশ্চিত কৰাৰ দিশত সজাগতাৰ সৃষ্টি কৰা হয়। অনুষ্ঠানৰ অংশ হিচাপে গুণগত Comprehensive Abortion Care সেৱা প্ৰদানৰ ক্ষেত্ৰত আগবঢ়োৱা উল্লেখযোগ্য অৱদানৰ বাবে ধীৰেণপাৰা এফ আৰ ইউৰ ডাঃ সোভাস্মিতা বৰঠাকুৰক পুৰস্কৃত কৰা হয়। অনুষ্ঠানত অতিৰিক্ত মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া (পৰিয়াল কল্যাণ) ডাঃ ভূপেন্দ্ৰ কুমাৰ ভূঞা, ধীৰেণপাৰা মণ্ডলৰ খণ্ড প্ৰাথমিক স্বাস্থ্য বিষয়া ডাঃ পল্লৱী বৰুৱা, ধীৰেণপাৰা এফআৰইউৰ চিকিৎসক ডাঃ বনজিৎ পাঠক, ডাঃ সোভাস্মিতা বৰঠাকুৰ, মৃগাংক শইকীয়া, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ জিলা তথা ধীৰেণপাৰা মণ্ডলৰ সদস্যসকলৰ লগতে চিকিৎসালয়ৰ নাৰ্ছ আৰু অন্যান্য স্বাস্থ্যকৰ্মীসকল উপস্থিত থাকে।

ছয়গাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক মালব্য দাসৰ কবিতা পাঠ

নতুন দিল্লীত ৰাষ্ট্ৰীয় পৰ্যায়ৰ শিক্ষক-কবি সন্মিলন

অসম ভূমি সেৱা, ছয়গাঁও ঃ নতুন দিল্লীৰ ৰাষ্ট্ৰীয় শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদৰ সভাকক্ষত যোৱা ২৫ পৰা ২৬ ছেপ্টেম্বৰলৈ কেন্দ্ৰীয় শৈক্ষিক প্ৰযুক্তি প্ৰতিষ্ঠান আৰু ৰাষ্ট্ৰীয় শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদৰ উদ্যোগত হিন্দী মাহ উপলক্ষে ডিজিটেল শিক্ষাত ৰাজভাষা হিন্দী আৰু সাহিত্য শীৰ্ষক কৰ্মশালাৰ লগতে শিক্ষক-কবি সন্মিলন অনুষ্ঠিত হয়। উক্ত কৰ্মশালাত ভাৰতৰ ২০ খন ৰাজ্যৰ ৯৩ গৰাকী শিক্ষকে অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰে। উল্লেখ্য যে অসমৰ কামৰূপ জিলাৰ ছয়গাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হিন্দী শিক্ষক মালব্য দাসক এই কৰ্মশালাত অংশগ্ৰহণ কৰাৰ বাবে বাচনি কৰা হয়। তেওঁ উক্ত অনুষ্ঠানত স্বৰচিত কবিতা পাঠ কৰে আৰু উপস্থিত সকলোৱে প্ৰশংসা বুটলিবলৈ সক্ষম হয়। যুটীয়া সঞ্চালক প্ৰফেছৰ অমৰেন্দ্ৰ প্ৰসাদ বেহেৰাৰ সভাপতিত্বত অনুষ্ঠিত কৰ্মশালাখনত ভাৰত চৰকাৰৰ শিক্ষা বিভাগৰ প্ৰাক্তন ৰাজভাষা বিষয়া জগদীশ ৰামপৌৰীয়ে মুখ্য অতিথিৰূপে উপস্থিত থাকি ৰাজভাষা হিন্দীৰ সাংবিধানিক বিধান আৰু গুৰুত্ব বিষয়ত আলোকপাত কৰে। উক্ত কৰ্মশালাত অংশগ্ৰহণকাৰীসকলক কেন্দ্ৰীয় শৈক্ষিক প্ৰযুক্তি প্ৰতিষ্ঠানৰ বিভিন্ন বিভাগ, ৰাষ্ট্ৰীয় বিদ্যা সমীক্ষা কেন্দ্ৰ, দৃশ্য-শ্ৰাব্য ষ্টুডিঅ', গৱেষণাগাৰ আদিৰ সৈতে পৰিচয় কৰোৱা হয়। কৰ্মশালাৰ সামৰণি অনুষ্ঠানত ৰাষ্ট্ৰীয় শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদৰ সঞ্চালক প্ৰফেছৰ দিনেশ প্ৰসাদ সকলানিয়ে অংশগ্ৰহণকাৰী শিক্ষকসকলক প্ৰমাণ পত্ৰ প্ৰদান কৰে।



পলাশবাৰীৰ সানপাৰাত কৃষি প্ৰযুক্তি তথ্য কেন্দ্ৰ মুকলি



অসম ভূমি সেৱা, পলাশবাৰী ঃ অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত নলবাৰীৰ উদ্যান বিজ্ঞান আৰু কৃষি পদ্ধতি মহাবিদ্যালয়ৰ সাতগৰাকী স্নাতক চূড়ান্ত বৰ্ষৰ ছাত্ৰীৰ উদ্যোগত কামৰূপ জিলাৰ পলাশবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত সানপাৰা গাঁৱত আজি এটি 'কৃষি প্ৰযুক্তি তথ্য কেন্দ্ৰ' মুকলি কৰা হয়। তথ্য কেন্দ্ৰটো মুকলি কৰি ৰাণী কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়া কৰিনা শইকীয়াই। এই উপলক্ষে সানপাৰা গাঁৱৰ ৰাইজ গয়ৰহৰ সভাপতি তৰুণ চন্দ্ৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত উদ্বোধনী সভাত বিশিষ্ট অতিথিৰূপে উদ্যান শস্য গৱেষণা কেন্দ্ৰ কাঁহিকুছিৰ বিজ্ঞানী ড° সমীৰণ পাঠকে ভাষণ প্ৰসংগত কয় যে তথ্য কেন্দ্ৰটোৱে কৃষক আৰু কৃষি বিজ্ঞানীৰ মাজত এক যোগসূত্ৰ হিচাপে কাম কৰা উচিত যাতে কৃষকে সন্মুখীন হোৱা জটিল সমস্যাসমূহৰ সমাধানৰ বাবে কৃষি বিজ্ঞানীসকলৰ সহায় ল'ব পৰা যায়। আৰু বিভিন্ন বীজ নিৰুপন তথা বীজত হ'ব পৰা বিভিন্ন ৰোগৰ কথা ভাষণ প্ৰসংগত উল্লেখ কৰে। সভাত কৃষি তথ্য কেন্দ্ৰৰ উদ্বোধক তথা ৰাণী কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়া কৰিণা শইকীয়াই কয় যে দেশৰ খাদ্য সুৰক্ষাৰ বাবে বিজ্ঞানসন্মত কৃষি প্ৰযুক্তিৰ ব্যৱহাৰ অপৰিহাৰ্য। কৃষি বিশ্ববিদ্যালয়ৰ ছাত্ৰী গোটৰ প্ৰচেষ্টাৰ শলাগ লৈ তেওঁ মন্তব্য কৰে যে তথ্য কেন্দ্ৰটোৰ যোগেদি কৃষকসকলে পঞ্জীয়ন কৰি প্ৰয়োজনীয় কৃষি প্ৰযুক্তিৰ তথ্য লাভ তথা চৰকাৰী কৃষক আঁচনি ল'বলৈ আহ্বান জনায়। সভাখনত ৰাজ্যিক বঁটাপ্ৰাপ্ত তথা প্ৰগতিশীল খেতিয়ক বনমালী চৌধুৰী, জ্যেষ্ঠ কৃষি বিজ্ঞানী ড° অঞ্জন বৰা, ৰিংকুমণি ফুকন, ড° জয়ন্ত শৰ্মা, ৰামপুৰ খণ্ড কৃষি উন্নয়ন বিষয়া অপূর্ব বৰুৱা, সানপাৰা গাঁৱৰ গাঁওপ্ৰধান দীপু দাস, প্ৰকৃতিবিদ শুক্লেশ্বৰ দাসে কৃষিৰ ওপৰত বিভিন্ন দিশ সন্দৰ্ভত ভাষণ প্ৰদান কৰাৰ লগতে ছাত্ৰীসকলৰ এনে পদক্ষেপ আদৰণী জনাই উজ্জ্বল ভৰিষ্যত কামনা কৰে। উল্লেখ্য যে অসম কৃষি বিশ্ববিদ্যালয়ৰ সাতগৰাকী ছাত্ৰী ক্ৰমে ধৃতিশিখা ভূঞা, মালিহা নৌচিন, দেৱলীনা চেকনিধৰা, বিএট্ৰিচ খোজাল, নিকিতা দাস, খ্যাতি দত্ত আৰু ৰুমি গায়নৰ প্ৰচেষ্টাত স্থাপন হোৱা তথ্য কেন্দ্ৰটোৰ জৰিয়তে সানপাৰা গাঁৱৰ কৃষক সকলৰ মাজত আধুনিক কৃষি পদ্ধতিৰ বিষয়ে সজাগতা সৃষ্টি কৰাৰ উপৰি বিজ্ঞানসন্মত কৃষি কাৰ্যৰ বাবে প্ৰয়োজনীয় তথ্য যোগান ধৰাৰ ব্যৱস্থা কৰা হক্সব। তাৰোপৰি কৃষকসকলে সন্মুখীন হোৱা কৃষি ভিত্তিক সমস্যাসমূহৰো বাস্তৱ সন্মত সমাধান কেন্দ্ৰটোৰ যোগেদি আগবঢ়োৱাৰ প্ৰয়াস কৰা হ'ব বুলি জানিব পৰা গৈছে।

Printed by Prafulla Gogoi, Seven Stars Publications Pvt. Ltd. and published by Raghabendra Narayan Dutta Baruah , Seven Stars Publications Pvt. Ltd. on behalf of Raghabendra Narayan Dutta Baruah and printed at Seven Stars Publications Pvt. Ltd. at A.T. Road, Adabari, Near Bus Stand (Out Gate) Guwahati-781014 and published at 6, College Hostel Road, Panbazar, Guwahati-781001. Tel: 0361-2674555, E-mail: sspplghy@gmail.com

Editor: Raghabendra Narayan Dutta Baruah